দৈনিক অগ্ৰদূত
গুৱাহাটী, ৭ এপ্ৰিল, ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## যোগীজান উন্নয়ন খণ্ডৰ হিন্দুব্লক গাঁও পঞ্চায়তত অৰাজকতাৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**
**হোজাই, ৬ এপ্ৰিল ঃ** হোজাই যোগীজান উন্নয়ন খণ্ডৰ অন্তৰ্গত হিন্দুব্লক গাঁও পঞ্চায়তৰ জিআৰএছৰ বিৰুদ্ধে কাউন্সিলৰসহ পঞ্চায়তৰ আঠজন সদস্য-সদস্যাই জিলা উপায়ুক্তৰ ওচৰত লিখিত অভিযোগ দাখিল কৰা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। পঞ্চায়তখনৰ কাউন্সিলৰ পম্মী দাস, উপ-সভাপতি ইদ্ৰিছ আলী, ৱাৰ্ড মেম্বাৰ ক্ৰমে ফাৰহানা বেগম, জামাল উদ্দিন, ৰচিদা বেগম, চালেহা বেগম, ইমৰানা বেগম আৰু চাবিনা ছয় পৃষ্ঠাত চাওক

## অৱসৰপ্ৰাপ্ত তথ্য আৰু জনসংযোগ বিষয়া, শিল্পী-লেখক ইন্দুভূষণ নাথৰ বিয়োগ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ৬ এপ্ৰিল ঃ** ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া, কবি, গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ, গায়ক, অভিনেতা তথা সুলেখক তেজপুৰৰ দক্ষিণ হজৰাপাৰ নিবাসী ইন্দুভূষণ নাথ (৮২)ৰ আজি পুৱা প্ৰায় চাৰি বজাত বিয়োগ হয়। বিগত সময়ছোৱাত তেওঁ স্মৃতি বিভ্ৰম ৰোগত আক্ৰান্ত হৈ বাসগৃহতে চিকিৎসাধীন হৈ আছিল। তেজপুৰৰ দ বেছেৰীয়াত ১৯৪০ৰ পহিলা নৱেম্বৰত জন্মগ্ৰহণ কৰা নাথে শৈক্ষিক জীৱন সমাপ্ত কৰাৰ পাছতেই ১৯৭৩ ত ৰাজ্য চৰকাৰৰ জনসংযোগ বিভাগত কৰ্মজীৱনৰ পাতনি মেলি ১৯৭৩ৰ পৰা ১৯৭৫ লৈকে হাইলাকান্দি জিলাৰ তথ্য আৰু জনসংযোগ বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি পৰৱৰ্তী সময়ত ৰাজ্যখনৰ বিভিন্ন ছয় পৃষ্ঠাত চাওক

## চৰকাৰ বিৰোধী শ্ল'গানেৰে প্ৰতিবাদী সমদল ঃ মুখ্যমন্ত্ৰী-যোগানমন্ত্ৰীৰ পুত্তলিকা দাহ

# মূল্যবৃদ্ধি ৰোধৰ দাবীত আছুৰ বিক্ষোভ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ এপ্ৰিল ঃ**
ইন্ধনজাত সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত আজি ৰাজ্যজুৰি আছুৱে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। আছুৰ নেতাসকলে ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিবাদী সমদল উলিয়াই চৰকাৰ বিৰোধী শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। অতি শীঘ্ৰে চৰকাৰে সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰিব নোৱাৰিলে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব বুলি হুংকাৰ দিয়ে।
**ওদালগুৰিৰ বিশেষ সংবাদদাতা ঃ** ইন্ধনজাত সামগ্ৰীৰ লগতে লগতে নিত্য ব্যৱহাৰ্য খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত আজি ওদালগুৰি জিলাৰ হৰিশিঙা, ওদালগুৰি সদৰকে ধৰি বিভিন্ন প্ৰান্তত আছুৱে প্ৰতিবাদী সত্যাগ্ৰহ কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত জিলাখনৰ আঞ্চলিক সমিতিসমূহে নিজৰ নিজৰ অঞ্চলত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু যোগানমন্ত্ৰী ৰঞ্জিত দাসৰ প্ৰতিমূৰ্তি দাহ কৰি 'বিজেপি চৰকাৰ হায়-হায়, মুখ্যমন্ত্ৰী হুচিয়াৰ, যোগান মন্ত্ৰী ৰঞ্জিত দাস হুচিয়াৰ, মূল্যবৃদ্ধি ৰোধ কৰক' আদি শ্ল'গানেৰে প্ৰতিবাদস্থলী উত্তাল কৰি তোলে। জিলাখনৰ হৰিশিঙা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত প্ৰতিবাদী ছয় পৃষ্ঠাত চাওক

## আজি উদ্বোধনী অনুষ্ঠান সম্পন্ন

## ন এপ্ৰিলৰ পৰা অসমত আৰম্ভ হ'ব কমনৱেলথ পাৰ্লিয়ামেণ্টেৰী এছ'চিয়েছনৰ সন্মিলন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ এপ্ৰিল ঃ** অসম বিধানসভা সচিবালয় আৰু কমনৱেল্থ পাৰ্লিয়ামেণ্টেৰী এছ'চিয়েছন (চিপিএ)ৰ অসম ৰাজ্যিক শাখাই চিপিএৰ মধ্যবৰ্ষীয় কাৰ্যবাহী কমিটীৰ বৈঠক অনুষ্ঠিত কৰিব গুৱাহাটীত। অহা ন আৰু ১০ এপ্ৰিলত এই বৈঠককালীন কাৰ্যবাহী বৈঠক অনুষ্ঠিত হ'ব। সেই উপলক্ষে আজি সন্ধিয়া অনুষ্ঠানৰ উদ্বোধনী কাৰ্যসূচী সম্পন্ন কৰা হয়। এক বিবৃতিত প্ৰকাশ যে ন আৰু ১০ এপ্ৰিলৰ বৈঠকৰ পাছত ১১ আৰু ১২ এপ্ৰিলত অষ্টম চিপিএ ইণ্ডিয়া ৰিজন কনফাৰেন্স অনুষ্ঠিত হ'ব। আজি এই সম্পূৰ্ণ কাৰ্যসূচীত চিপিএৰ কাৰ্যকৰী অধ্যক্ষ ব্ৰিটেইনৰ য়ান লিডেল-গ্ৰেইংগাৰ আৰু লণ্ডনস্থ চিপিএ মুখ্য কাৰ্যালয়ৰ সচিব প্ৰধান ষ্টিফেন টুইগ তথা অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে ছয় পৃষ্ঠাত চাওক

## নিৰ্মাণৰ এমাহৰ পাছতেই ভাগিল শিঙৰী, কেহেৰুখন্দা সংযোগী পথ

## শিঙৰীত কৃষক-শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিৰ তীব্ৰ প্ৰতিবাদ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ৬ এপ্ৰিল ঃ** শোণিতপুৰৰ বৰছলাত প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ পথ নিৰ্মাণৰ ক্ষেত্ৰত ব্যাপক দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হোৱাত আজি ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে কৃষক-শ্ৰমিক সংগ্ৰাম সমিতিয়ে। উল্লেখ্য যে সাত নম্বৰ বৰছলা বিধানসভা সমষ্টি তথা ঢেকীয়াজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত কেহেৰুখন্দাৰ পৰা পিৰাকটা হৈ শিঙৰী চাহ বাগিচা সংযোগী গুৰুত্বপূৰ্ণ পথছোৱাৰ বহু অংশ নিৰ্মাণৰ এমাহৰ পাছতে জহি-খহি গৈছে। পথছোৱা নিৰ্মাণত সংঘটিত দুৰ্নীতিৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবীও আজি কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিয়ে শিঙৰীত প্ৰতিবাদী ছয় পৃষ্ঠাত চাওক

## বাৰিষাৰ প্ৰথমটো বানতে ছিগিল বাৰেকুৰিৰ আঠ কোটিটকীয়া মথাউৰি



**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ৬ এপ্ৰিল ঃ** ব'হাগ বিহুৰ প্ৰাক্‌ক্ষণত আগতীয়াকৈ উজনি অসমৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অহা বৰষুণৰ ফলত ক্ৰমাৎ নদ-নদীসমূহৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত তিনিচুকীয়াৰ বৃহত্তৰ বাৰেকুৰি অঞ্চলৰ হাতীবাটৰ পৰা নতুন ৰংগাগড়া সংযুক্ত আঠ কোটি টকাৰ ব্যয় সাপেক্ষে নতুনকৈ নিৰ্মাণ কৰি মথাউৰি ছিগি বাৰেকুছিত প্ৰৱেশ কৰিছে ডিব্ৰু নৈৰ বাঢ়নী পানী। বাৰেকুৰি অঞ্চলৰ হাতীবাট, গৰিয়াটিং আৰু মটাপুং গাঁৱত বাঢ়নী পানী প্ৰৱেশ কৰি স্থানীয় ৰাইজৰ ঘৰ-বাৰী নষ্ট কৰাৰ লগতে পানীয়ে বাৰেকুৰি-মাকুম সংযোগী মূল পথ বিচ্ছিন্ন কৰিছে। ব'হাগ বিহুক আদৰিবলৈ প্ৰস্তুতি চলোৱাৰ সময়তে অহা ছয় পৃষ্ঠাত চাওক

## কাৰাগাৰত কয়দীৰ মৃত্যু

## জামুগুৰিহাটত আৰক্ষীয়ে মৃতদেহ গতাই দিবলৈ আহোতে উত্তপ্ত পৰিস্থিতি

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ৬ এপ্ৰিল ঃ** তেজপুৰ জিলা কাৰাগাৰাত কাৰাবন্দী হৈ থকা অৱস্থাত ধৰ্মেশ্বৰ নায়ক নামৰ কয়দীজনৰ মৃত্যু হোৱাৰ পাছত যোৱা নিশা মৃতদেহ জামুগুৰিহাটৰ কুসুমটোলাস্থিত বাসগৃহত পৰিয়ালৰ ওচৰত আৰক্ষীয়ে চমজাই দিবলৈ অহাৰ সময়ত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। স্থানীয় একাংশ ৰাইজে কয়দীজনৰ কি কাৰণত মৃত্যু হ'ল, কাৰাগাৰাত থকা অৱস্থাত কিবা অসুখ হৈছিল যদি কাৰাগাৰৰ ভিতৰত চিকিৎসক নাছিল নেকি বুলি মৃতদেহ চমজাই দিবলৈ অহা আৰক্ষীক প্ৰশ্ন কৰি পৰিস্থিতি উত্তপ্ত কৰি তোলে। পাছত অৱশ্যে জামুগুৰি আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে বিগত বৰ্ষৰ জুলাইত জামুগুৰিহাটৰ কুসুমটোলাৰ ধৰ্মেশ্বৰ নায়ক আৰু তেওঁৰ পত্নীয়ে গাঞ্জা সৰবৰাহ কৰা ঘটনা পোহৰলৈ অহাত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। পাছত দম্পতীহালে তেজপুৰ জিলা কাৰাগাৰাত সুদীৰ্ঘ দিন ধৰি কাৰাবন্দী হৈ আছিল। কিন্তু কালি হঠাৎ কয়দী ধৰ্মেশ্বৰৰ মৃত্যু হোৱাৰ পাছত আৰক্ষীয়ে পৰিয়ালৰ ওচৰলৈ মৃতদেহ লৈ অহাৰ সময়ত কাৰাবন্দী হৈ থকা পত্নীক মানৱীয়তাৰ খাতিৰত মৃত স্বামীৰ ছয় পৃষ্ঠাত চাওক

## গুমি-নগৰবেৰা মথাউৰিৰ খহাই নিয়া অংশ মেৰামতি নকৰাত চিন্তিত কেবাশ পৰিয়াল



**আলোপতি, ৬ এপ্ৰিল ঃ** বাৰিষাৰ পূৰ্বে দুঃচিন্তাত ভুগিছে কামৰূপ জিলাৰ বকো সমষ্টিৰ শ শ পৰিয়াল। বিগত বৰ্ষৰ বানত গুমি-নগৰবেৰা সংযোগী মথাউৰিটোৰ টুপামাৰীকে ধৰি কেবা ঠাইত ব্ৰহ্মপুত্ৰৰ খহনীয়াই খহাই নিয়াত এক আতংকৰ সৃষ্টি হৈছিল মথাউৰিৰ কাষত বসবাস কৰা শ শ পৰিয়ালৰ মাজত। এবছৰ উকলি যোৱাৰ পাছতো মথাউৰিৰ খহাই নিয়া অংশ ন্যূনতম মেৰামতি অথবা পুনঃনিৰ্মাণ নকৰাত সম্প্ৰতি চিন্তিত হৈ পৰিছে সহস্ৰাধিক পৰিয়াল। বিগত বৰ্ষৰ বানে মথাউৰিৰ কে'বাটাও অংশ খহাই নিয়াত সেই সময়ত ৰাইজৰ মাজত এক হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি হৈছিল। স্থানীয় ৰাইজে প্ৰকাণ্ড প্ৰকাণ্ড গছ, বাঁহ আদি পেলাই খহনীয়া প্ৰতিৰোধ কৰি পানীৰ সোঁত কমাই কোনোমতে ৰক্ষা পৰিছিল আৰু মথাউৰিটো সম্পূৰ্ণ ছিঙিব পৰা নাছিল। পিছে আজিকোপতি মথাউৰিটোৰ ভগ্ন অংশসমূহ জলসম্পদ বিভাগে পুনৰ নিৰ্মাণ কিম্বা মেৰামতিৰ ব্যৱস্থা নকৰিলে। যাৰ ফলত শংকিত হৈ পৰিছে স্থানীয় ৰাইজ। বানৰ পূৰ্বে মথাউৰিটোৰ ভংগ্ন অংশসমূহত প্ৰতিৰোধৰ ব্যৱস্থা নকৰিলে পুনৰ যোৱাবাৰৰ দৰেই পৰিৱেশৰ সৃষ্টি হোৱাৰ আশংকা কৰিছে স্থানীয় ৰাইজে। মথাউৰিটো ছিঙিলে বিপদত পৰিব কে'বা সহস্ৰাধিক পৰিয়াল। মথাউৰিটো এনে অৱস্থাত থকাৰ পাছতো সমষ্টিৰ বিধায়িকা নন্দিতা দাসে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। বকো সমষ্টিৰ বৃহৎ সংখ্যক পৰিয়াল গুমি-নগৰবেৰা ছয় পৃষ্ঠাত চাওক

## ৯০ পঞ্চায়তত চলিছে জলজীৱন আঁচনিৰ কাম

## যোৰহাটত জলজীৱন আঁচনিত সংঘটিত অনিয়ম



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ৬ এপ্ৰিল ঃ** প্ৰধানমন্ত্ৰী মোদীৰ জলজীৱন আঁচনিৰ নিৰ্ধাৰিত লক্ষ্য হ'ল ২০২৪ৰ ভিতৰত দেশৰ গ্ৰামাঞ্চলৰ প্ৰতিটো পৰিয়ালৰ ঘৰে ঘৰে পাইপযোগে বিশুদ্ধ আৰু পৰ্যাপ্ত পৰিমাণৰ খোৱাপানী যোগান ধৰা। প্ৰধানমন্ত্ৰীৰ সময় নিৰ্ধাৰিত এই লক্ষ্য প্ৰাপ্তিৰ সময় সীমালৈ মাজত আঢ়ৈ বছৰৰো অধিক সময় বাকী আছে যদিও আঁচনিৰ ব্যাপকতাৰ তুলনাত এয়া বেছি সময় নহয়। সেয়ে এতিয়া ৰাজ্য চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগ, গ্ৰামোন্নয়ন বিভাগকে ধৰি কে'বাটাও বিভাগৰ ব্যস্ততা সাংঘাতিক ধৰণে বৃদ্ধি পাইছে। যোৰহাট জিলাতো জলজীৱন আঁচনিৰ অধীনত ৯০ খন গাঁও পঞ্চায়তত ঘৰে ঘৰে পাইপেৰে খোৱা পানী যোগান ধৰাৰ কাম যুদ্ধকালীন গতিত অব্যাহত আছে। কিন্তু ২০২১ৰ অক্টোবৰৰ পৰা যোৰহাটত কাম আৰম্ভ হোৱা এই জলজীৱন আঁচনি ৰূপায়ণত প্ৰথমৰে পৰা ব্যাপক অনিয়ম আৰু নিম্ন মানৰ কাম হোৱাৰ অভিযোগ উত্থাপিত হয়। ফলত জিলাৰ সৰ্বত্ৰে কেন্দ্ৰীয় চৰকাৰৰ এই অভিলাষী আঁচনিখন সঠিক ৰূপায়ণক লৈ ৰাইজ সন্দিহান হৈ পৰে। বিশেষকৈ পানীৰ পাইপ পোতাৰ দৰে প্ৰাথমিক কামতে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়া-অভিযন্তাৰ চৰম অদক্ষতাৰ সুযোগ লৈ ঠিকাদাৰে আশ্ৰয় ল'লে ব্যাপক অনিয়মৰ। নিয়ম অনুসৰি, পাইপসমূহ মাটিৰ তিনি ফুট তলত সংস্থাপন কৰিব লাগে যদিও মাত্ৰ এক-ডেৰ ফুটতে পাইপ পুতি দায়িত্ব সামৰিলে। ইতিমধ্যে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ এই ছয় পৃষ্ঠাত চাওক

## নগাঁৱৰ গোমোঠা গাঁৱত দুৰ্ঘটনাত পৰ্যটক, শিশুসহ আহত সাত

**বিশেষ সংবাদদাতা**
**নগাঁও, ৬ এপ্ৰিল ঃ** নগাঁও চহৰৰ পাৰ্শ্ববৰ্তী গোমোঠা গাঁৱত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথত আজি বিয়লি প্ৰায় ২.১৫ বজাত সংঘটিত এক দুৰ্ঘটনাত শিশুসহ মুঠ সাতগৰাকী লোক আহত হয়। তথ্য মতে, কাজিৰঙা অভিমুখী এখন দ্ৰুতবেগী ফৰচুনাৰ গাড়ীয়ে একে দিশতে গৈ থকা যাত্ৰীবাহী টেম্প' এখনক মহটিয়াই নিয়াত এই দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাটোত আহতসকলৰ ভিতৰৰ নূপুৰ কলিতা, ছয় পৃষ্ঠাত চাওক

## জামুগুৰিহাটত পাঁচ শতাধিকৰ অংশগ্ৰহণ

## বিহুক সজীৱ কৰি তুলিব কৰ্মশালাই ঃ বিধায়ক পদ্ম



**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ৬ এপ্ৰিল ঃ** জীয়াভৰলী বহুমুখী কন্যকা বহুমুখী কৃষিপামৰ উদ্যোগত আৰু ভৰলী পৰীয়া বিহুৱা দলৰ সহযোগত জামুগুৰিহাটত অনুষ্ঠিত বিহু কৰ্মশালাৰ আজি সামৰণি পৰে। জামুগুৰিহাটৰ পৰিদৰ্শন ভৱনৰ খেলপথাৰত অনুষ্ঠিত ১০দিনীয়া এই বিহু কৰ্মশালাত বৃহত্তৰ জামুগুৰিৰ পাঁচ শতাধিক শিশু, কিশোৰ, কিশোৰী, যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। ঢোল বাদন আৰু বিহু নাচৰ এই কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰে বৰ বিহুৱা নিৰঞ্জন গোস্বামী, বিহু সম্ৰাজ্ঞী নিলাক্ষী বৰগোহাই প্ৰমুখ্যে কৰি কে'বাগৰাকী শিল্পীয়ে। আজি বিয়লি কৰ্মশালাৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই কয়, 'অসমীয়া বাপতি সাহোন বিহুক এনে ধৰণৰ কৰ্মশালাই সজীৱ কৰি তুলিব। এই কৰ্মশালাৰ ছয় পৃষ্ঠাত চাওক

## ওদালগুৰিত হত্যাৰ অপৰাধত এজনক যাৱজ্জীৱন কাৰাদণ্ড

**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ৬ এপ্ৰিল ঃ** ওদালগুৰি জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতে আজি হত্যাৰ অভিযোগত পৱিত্ৰ পাছোৱান নামৰ এজন হত্যাকাৰীক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। উল্লেখ্য যে ২০১৯ৰ দুই এপ্ৰিলত ওদালগুৰি জিলাৰ খৈৰাবাৰী আৰক্ষী থানাৰ অন্তৰ্গত দক্ষিণ জালুকবাৰী গাঁওত এক হত্যাকাণ্ডৰ ঘটনা সংঘটিত হৈছিল। ঘটনা সংঘটিত হোৱাৰ পাছদিনা গাঁওখনৰ যুৱক হিতেশ পাছোৱানে স্থানীয় খৈৰাবাৰী আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। এজাহাৰত উল্লেখ কৰা অনুসৰি দুই এপ্ৰিলৰ নিশা প্ৰায় ১০ বজাত হত্যাকাৰী পৱিত্ৰই তেওঁৰ নিজৰে ককায়েক ৰাজু পাছোৱান (২৭) ক শুই থকা অৱস্থাত কাঠৰ টুকুৰাৰে মূৰত আঘাত কৰি হত্যা কৰিছিল। ঘটনা সন্দৰ্ভত খৈৰাবাৰী আৰক্ষী থানাত ভাৰতীয় দণ্ডবিধিৰ ৩০২ নম্বৰ ধাৰাৰ অধীনত ১০/২০১৯ ছয় পৃষ্ঠাত চাওক

## বিভিন্ন বিভাগৰ কাম-কাজত স্থৱিৰতা ঃ দুৰ্ভোগ ভুগিব লগা হৈছে সৰ্বসাধাৰণ ৰাইজে

## নগাঁৱৰ উপায়ুক্তৰ কাৰ্যালয়ত অৰাজকতা

**বিশেষ সংবাদদাতা**
**৬ এপ্ৰিল ঃ** নগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ত চৰকাৰী কাম সম্পাদনৰ বাবে অহা সৰ্বসাধাৰণ ৰাইজে নগুৰ-নাগতি অৱস্থাৰ সন্মুখীন হ'ব লগা হয়। উপায়ুক্ত কাৰ্যালয়ত এতিয়া একাংশ বিষয়া-কৰ্মচাৰীয়ে চৰম অৰাজকতা চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। উপায়ুক্তৰ কাৰ্যালয়ৰ প্ৰতিজন অতিৰিক্ত উপায়ুক্ত,অন্য বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত উৎকোচ দিয়া আৰু উৎকোচ লোৱা দুয়োটাই অপৰাধ বুলি লিখা থকা একোখনকৈ কাগজ আঁৰি থোৱা হৈছে যদিও সেই উৎকোচ বিৰোধী চৰকাৰী শ্ল'গান প্ৰহসনতহে পৰিণত হৈছে প্ৰায় প্ৰতিজন বিষয়াৰ কাৰ্যালয়ত। ইপিনে, চৰকাৰী কামত কোনো বিষয়াৰ ওচৰলৈ সৰ্বসাধাৰণ লোক যাব নোৱাৰা এটি পৰিৱেশে গা কৰি উঠিছে নগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ত। এই কাৰ্যালয়টোত একাংশ ঘোচখোৰ কৰ্মচাৰীৰ দৌৰাত্ম্য অব্যাহত আছে। এওঁলোকক ভেদ কৰি সৰ্বসাধাৰণ ৰাইজে লগ কৰিব নোৱাৰে সংশ্লিষ্ট বিষয়াসকলক। অৱশ্যে এওঁলোকক সন্তুষ্ট কৰিব পাৰিলেই সহজতে সিজে জটিল কামো। নগাঁও উপায়ুক্ত কাৰ্যালয়ত জিলা উন্নয়ন বিষয়াৰূপে আছে উদয়াদিত্য গগৈ । ইয়াৰ বাহিৰে অতিৰিক্ত উপায়ুক্ত হিচাপে আছে প্ৰশান্ত বৰুৱা, মনোৰঞ্জন পায়েং, শান্ত্বনা বৰা, দেবাহুতি বৰা, দেৱজানী চৌধুৰী আৰু বিজেতা বৰা। তদুপৰি অসম প্ৰশাসনিক সেৱাৰ বিষয়া ছয় পৃষ্ঠাত চাওক

## ভ্ৰাম্যমাণ নাট্যজগতৰ প্ৰবীণ অভিনেতা হীৰেণ মেধিৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ৬ এপ্ৰিল ঃ** ভ্ৰাম্যমাণ নাট্যজগতৰ প্ৰবীণ অভিনেতা হীৰেণ মেধিৰ আজি মৃত্যু হয়। বজালীৰ শুকিলাৰপাৰ নিবাসী অভিনেতাজনৰ যোৱা ২৫ মাৰ্চত উচ্চ ৰক্তচাপজনিত কাৰণত মগজুৰ ষ্ট্ৰ'ক হোৱাত বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল। মৃত্যুৰে স'তে যুঁজি অৱশেষত চিকিৎসালয়ৰ আইচিইউতেই আজি ৭৩ বছৰীয়া অভিনেতাজনে শেষ নিশ্বাস, ত্যাগ কৰে। ১৯৬৯তে টিহুৰ যাত্ৰাপাৰ্টি ভাস্কৰজ্যোতি থিয়েটাৰত অভিনয় জীৱনৰ পাতনি মেলা মেধিয়ে ১৯৭০ত সদা লহকৰৰ নটৰাজ শিল্পী নিকেতনত অভিনয় কৰিছিল। পৰৱৰ্তী সময়ত ক্ৰমে নটৰাজ থিয়েটাৰ, ৰূপাঞ্জলি থিয়েটাৰ, অসম ষ্টাৰ থিয়েটাৰ, ৰূপকোঁৱৰ থিয়েটাৰ, ভাগ্যদেৱী থিয়েটাৰ, শংকৰদেৱ থিযেটাৰ, হেঙুল থিয়েটাৰ, কহিনুৰ থিয়েটাৰ আদি আগশাৰীৰ নাট্যদলত বলিষ্ঠ অভিনয়ৰে জীৱনৰ ৪০ বছৰৰো অধিক কাল ভ্ৰাম্যমাণ নাট্যজগততেই পাৰ কৰিছিল। পাহাৰৰ ছয় পৃষ্ঠাত চাওক

## মৰিগাঁৱত মহামাৰী পথাৰত ব্ৰহ্মপুত্ৰৰ প্ৰৱল খহনীয়া

### মৰিগাঁও জলসম্পদৰ কোটিটকীয়া মথাউৰিলৈ প্ৰত্যাহ্বান



**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও ৬ এপ্ৰিল ঃ** লুইতত পানী বৃদ্ধি পোৱাৰ লগে লগে মৰিগাঁও জিলাৰ লাহৰীঘাটত খহনীয়াৰ তাণ্ডৱ আৰম্ভ হৈছে। লাহৰীঘাটৰ মহামাৰী পথাৰত যোৱা দুদিন ধৰি খহনীয়াই তাণ্ডৱলীলা আৰম্ভ কৰাত নৈপৰীয়া লোকসকলৰ মাজত হাহাকাৰ লাগিছে। উল্লেখ্য যে যোৱা বৰ্ষত এই অঞ্চলটোত ব্ৰহ্মপুত্ৰ নদীয়ে গতি সলনি কৰিছিল আৰু বন্ধ হৈছিল খহনীয়া। যাৰ বাবে অঞ্চলটোৰ নৈপৰীয়া লোকসকলে নিজৰ ঘৰ-ভেটিৰ লগতে কৃষি পথাৰ ৰক্ষা পৰিব বুলি আশাৰ ৰেঙণি দেখিছিল। কিন্তু এইবেলি বাৰিষাৰ ছয় পৃষ্ঠাত চাওক

## হোজাইৰ ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ত জগদীশ মুখী

## শীঘ্ৰে সাগৰবস্তিত বিশ্ববিদ্যালয়ৰ নিৰ্মাণকাৰ্য আৰম্ভ কৰাৰ নিৰ্দেশ



**অগ্ৰদূত বাৰ্তা**
**হোজাই, ৬ এপ্ৰিল ঃ** হোজাইৰ ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ত প্ৰথমবাৰৰ বাবে আজি অসমৰ ৰাজ্যপাল জগদীশ মুখী উপস্থিত হয়। অসমৰ ৰাজ্যপাল তথা ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ আচাৰ্য অধ্যাপক মুখী দিনৰ প্ৰায় এক বজাত হোজাই ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ চৌহদত উপস্থিত হয়। ৰাজ্যপালগৰাকীয়ে চৌহদত উপস্থিত হোৱাৰ পাছত বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা আদৰণি জনোৱা হয়। ইয়াৰ পাছত বিশ্ববিদ্যালয়ৰ এনচিচি আৰু অসম আৰক্ষীৰ নৱম বেটেলিয়ানে তেওঁক সামৰিক অভিবাদন জনায়। অভিবাদন গ্ৰহণ কৰি ৰাজ্যপাল মুখীয়ে বিশ্ববিদ্যালয়ৰ নৱনিৰ্মিত 'ঋদ্ধি ভৱন' উদ্বোধন কৰি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, পঞ্জীয়ক, প্ৰশাসনিক পঞ্জীয়ক আৰু প্ৰশাসনিক বিষয়াসকলৰ লগত এখন সভাত অংশগ্ৰহণ কৰে। সভাত বিশ্ববিদ্যালয়খনৰ বাবে প্ৰস্তাৱিত সাগৰ বস্তিৰ ভূমিত শীঘ্ৰে নিৰ্মাণকাৰ্য আৰম্ভ কৰাৰ নিৰ্দেশ দিয়ে। উল্লেখ্য যে উক্ত প্ৰস্তাৱিত ভূমিত বিশ্ববিদ্যালয়খনৰ বাবে চলিত বিত্তীয় বৰ্ষত পঞ্চাশ কোটি টকা আৱণ্টন ছয় পৃষ্ঠাত চাওক

## বৰপেটাত মহিলাই আটক কৰিলে ধন লুট কৰা বহিঃৰাজ্যৰ তিনি প্ৰৱঞ্চকক

**বিশেষ সংবাদদাতা**
**বৰপেটা, ৬ এপ্ৰিল ঃ** এ টি এমৰ পৰা ধন উলিওৱাৰ সময়ত কৌশলেৰে গ্ৰাহকৰ ডেবিট কাৰ্ড সলনি কৰি ধন লুট কাৰ্যত জড়িত প্ৰৱঞ্চকৰ দল এটাক কালি বৰপেটা চহৰত এগৰাকী মহিলাই স্থানীয় ৰাইজৰ সহযোগত আটক কৰি আৰক্ষীক গতাই দিয়ে। বৰপেটাৰ পাঁচআলি চ'কত ভুক্তভোগী দীপা শইকীয়া তালুকদাৰ নামৰ মহিলাগৰাকীয়ে স্থানীয় ৰাইজৰ সহযোগত বহিঃৰাজ্যৰ তিনিজনীয়া প্ৰৱঞ্চকৰ দলটোক কৰায়ত্ত কৰে। ধৃত প্ৰৱঞ্চককেইজন ক্ৰমে দিল্লীৰ চুলতানপুৰীৰ মুকেশ, গোবিন্দ সিং আৰু হাৰিয়ানাৰ চান্নী। তথ্য মতে, বৰপেটা চহৰত দীৰ্ঘদিন ধৰি এ টি এমৰ পৰা ধন লুটৰ জৰিয়তে আতংকৰ সৃষ্টি কৰি আহিছিল। আনকি দীপা তালুকদাৰৰ পৰা যোৱা চাৰি এপ্ৰিলত ডেবিট কাৰ্ড সলনিৰ জৰিয়তে প্ৰৱঞ্চকৰ দলটোৱে বৰপেটাৰ পাঁচআলিৰ চ'কৰ ভাৰতীয় ষ্টেট বেংকৰ এ টি এমৰ পৰা প্ৰৱঞ্চনাৰে উলিয়াই নিছিল ৩০ হেজাৰ টকা। যাৰ বাবে বৰপেটা উন্নয়ন খণ্ডৰ কৰ্মচাৰী দীপা তালুকদাৰে প্ৰৱঞ্চকৰ দলটোৰ সন্ধানত আছিল। ইয়াৰ মাজতে কালি কৌশলেৰে প্ৰৱঞ্চকৰ দলটোক আটক কৰিবলৈ সক্ষম হয়। ধৃত দলটোৰ পৰা ৩০ খন ডেবিট কাৰ্ড, ম'বাইল, নগদ ধন আদি জব্দ কৰা হয়।

দৈনিক অগ্ৰদূত
গুৱাহাটী বৃহস্পতিবাৰ ২৩ চ'ত ১৪২৮ভাস্কৰাব্দ ৭ এপ্ৰিল ২০২২

# গোলকীয় উষ্ণতা

কেন্দ্ৰৰ বতৰ বিজ্ঞান বিভাগৰ শেহতীয়া প্ৰতিবেদনত দেশত যোৱা মাৰ্চত ১২১ বছৰীয়া গৰমৰ অভিলেখ ভংগৰ তথ্য প্ৰকাশ পাইছে। মাৰ্চত স্বাভাৱিক সৰ্বোচ্চ তাপমাত্ৰাতকৈ গড়ে ১.৮৬ ডিগ্ৰী চেলছিয়াছ অধিক আছিল তাপমাত্ৰা। বতৰ বিজ্ঞান বিভাগৰ প্ৰতিবেদন অনুসৰি এই তাপমাত্ৰা (মাৰ্চত) স্বাভাৱিকতকৈ ১.৩৭ ডিগ্ৰী চেলছিয়াছ বেছি। আনহাতে, তাপমাত্ৰাই সৰ্বোচ্চ সীমা অতিক্ৰম কৰাৰ উপৰি দেশত বৰষুণৰ পৰিমাণ অতি কম হোৱা বুলি তথ্য লাভ কৰা হৈছে। সাধাৰণতে মাৰ্চত সমগ্ৰ দেশত গড়ে ৩০.৪ মিলিমিটাৰ বৰষুণ হয়। ইয়াৰ বিপৰীতে এইবাৰ মাৰ্চত মাত্ৰ ৮.৯ মিলিমিটাৰ বৰষুণ হৈছে। বতৰ বিজ্ঞান বিভাগৰ প্ৰতিবেদনত দেশত এহাতে তাপমাত্ৰাৰ সৰ্বাধিক বৃদ্ধি আৰু আনহাতে বৰষুণৰ মাত্ৰা অতি কম হোৱাৰ তথ্যই দেখুৱায় প্ৰকৃততে জলবায়ু পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ কিদৰে ভাৰততো পৰিবলৈ ধৰিছে। যোৱা মাৰ্চত এন্টাৰ্কটিকাৰ (দক্ষিণ মেৰু) বতৰ বিজ্ঞান বিভাগে মেৰু অঞ্চলৰ তাপমাত্ৰাই অভিলেখ ভংগ কৰাৰ তথ্য লাভ কৰা বুলি প্ৰকাশ কৰিছে। সমগ্ৰ দক্ষিণ মেৰু অঞ্চলত তাপমাত্ৰা স্বাভাৱিকতকৈ ৪.৮ ডিগ্ৰী চেলছিয়াছ বেছি আছিল। এয়া সাধাৰণ পৰিৱৰ্তন বুলি ক'ব নোৱাৰি। এয়া গোলকীয় তাপমাত্ৰা বৃদ্ধিৰ পৰিণাম। ইতিমধ্যে মেৰু অঞ্চলত ব্যাপক হাৰত বৰফ গলাৰ তথ্য প্ৰকাশ পাই আহিছে। তাপমাত্ৰাৰ এনে বৃদ্ধিয়ে এন্টাৰ্কটিকাৰ উপৰি হিমালয়ৰ বৰফ তথা হিমবাহসমূহ গলাই পেলাব, যাৰ ফলত সমুদ্ৰৰ জলপৃষ্ঠৰ উচ্চতা বৃদ্ধি হোৱাটো নিশ্চিত হৈ পৰিব। উল্লেখ্য যে ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিৱৰ্তনৰ আন্তঃৰাষ্ট্ৰীয় কমিটী (আই পি চি চি)য়ে গোলকীয় তাপমাত্ৰা অথবা উষ্ণতা ১.৫ ডিগ্ৰী চেলছিয়াছত সীমিত বা নিয়ন্ত্ৰিত কৰি ৰখাত ব্যৰ্থ হ'লে জলবায়ু পৰিৱৰ্তনে ভয়ংকৰ ৰূপ লোৱাৰ আগজাননী দিছে। ইয়াৰ ফলত পৃথিৱীত জলবায়ুৰ মহাপ্ৰলয় সৃষ্টি হ'ব বুলি কৈছে আই পি চি চিয়ে। উল্লেখ্য যে ঔদ্যোগিক বিপ্লৱৰ সময়ৰে পৰা গোলকীয় তাপমাত্ৰা ১.৫ ডিগ্ৰী চেলছিয়াছ বৃদ্ধি পাইছে; কিন্তু ইয়াক নিয়ন্ত্ৰণ বা সীমিত কৰি ৰখাত ব্যৰ্থ হ'লে জলবায়ু পৰিৱৰ্তনে মহাপ্ৰলয় সৃষ্টি কৰিব। ৰাষ্ট্ৰসংঘৰ মতে অহা ২০৩০ৰ ভিতৰত বিশ্বৰ মুঠ কাৰ্বন নিৰ্গমন ৪৩ শতাংশ হ্ৰাস কৰাটো জৰুৰী। কাৰ্বন নিৰ্গমন বন্ধ বা হ্ৰাস কৰিব নোৱাৰিলে জলবায়ুৰ মহাপ্ৰলয় সৃষ্টি হ'ব। উত্তপ্ত বতাহ, বনজুই, সমুদ্ৰৰ জলপৃষ্ঠৰ উচ্চতা বৃদ্ধি, হিমবাহসমূহ শুকাই যোৱা, খৰাং পৰিস্থিতি, ঘূৰ্ণীবতাহ, ধুমুহা আদি বিশ্বজুৰি দেখিবলৈ পোৱা যাব। বিশেষকৈ খৰাং আৰু সমুদ্ৰৰ জলপৃষ্ঠৰ উচ্চতা বৃদ্ধিয়ে ভাৰতৰ দৰে উন্নয়নশীল দেশবোৰত, আফ্ৰিকাৰ দৰিদ্ৰ দেশবোৰত পৰিস্থিতি অধিক ভয়াৱহ কৰি তুলিব। কৃষি উৎপাদন বন্ধ বা হ্ৰাসৰ ফলত খাদ্যাভাৱে দেখা দিব। সমুদ্ৰৰ জলপৃষ্ঠৰ উচ্চতা বৃদ্ধিয়ে বহু দেশৰ বৃহৎ বৃহৎ অঞ্চল পানীত বুৰাই পেলাব। লাখ লাখ লোকে নিৰাপদ আশ্ৰয়স্থল বিচাৰি প্ৰব্ৰজন আৰম্ভ কৰিব। বিশ্বজুৰি ভয়ংকৰ আৰ্থিক সংকটে দেখা দিব। লাখ লাখ প্ৰজাতিৰ প্ৰাণী তথা উদ্ভিদ বিলুপ্তিৰ মুখত পৰিব। জৈৱ পৰিৱেশ তথা জৈৱ-বৈচিত্ৰ্য ধ্বংসৰ মুখত পৰিব। খাদ্য সংকট, কৃষি উৎপাদন হ্ৰাস আৰু নানান ৰোগ-ব্যাধিয়ে দেখা দিব সমগ্ৰ বিশ্বত। ইতিমধ্যে জলবায়ু পৰিৱৰ্তনৰ ফলত তাপমাত্ৰা অত্যধিক বৃদ্ধিৰ উপৰি খৰাং আৰু অপ্ৰত্যাশিত ধুমুহা-বৰষুণ আদি বিশ্বৰ বিভিন্ন অঞ্চলত দেখা দিব।

গোলকীয় তাপমাত্ৰা বৃদ্ধি নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে জলবায়ু পৰিৱৰ্তনে ভয়ংকৰ ৰূপ লোৱাটো নিশ্চিত। গোলকীয় তাপমাত্ৰা বা উষ্ণতা বৃদ্ধি হ্ৰাস বা ৰোধ কৰিবলৈ হ'লে কাৰ্বন নিৰ্গমন ৰোধ কৰিবই লাগিব। জলবায়ু পৰিৱৰ্তনৰ আন্তঃৰাষ্ট্ৰীয় সন্মিলনে কাৰ্বন নিৰ্গমন হ্ৰাস বা কৰ্তনৰ বাবে নিৰ্দিষ্ট সময়সীমা ঘোষণা কৰিছে। এই ক্ষেত্ৰত নেট জিৰ' কাৰ্বন নিৰ্গমনৰ প্ৰস্তাৱ অত্যন্ত গুৰুত্বপূৰ্ণ। পেৰিছত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় জলবায়ু পৰিৱৰ্তন সন্মিলনত স্বাক্ষৰিত নেট জিৰ' কাৰ্বন চুক্তি অনুসৰি অহা ২০৫০ৰ ভিতৰত গ্ৰীণ হাউছ গেছ নিৰ্গমন ১.৫ ডিগ্ৰী চেলছিয়াছৰ ভিতৰত সীমিত কৰি ৰাখিব লাগিব। অৰ্থাৎ গোলকীয় উষ্ণতা দুই ডিগ্ৰী চেলছিয়াছৰ তলত ৰাখিব লাগিব। ইয়াৰ বাবে প্ৰয়োজন হ'ব কয়লা, পেট্ৰ'ল, ডিজেল আদি পৰম্পৰাগত ইন্ধনৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষিদ্ধ হোৱাটো। ভাৰতে অহা ২০৩০ৰ ভিতৰত সকলো যান-বাহন বৈদ্যুতিক বা বিদ্যুৎচালিত কৰা হ'ব বুলি ঘোষণা কৰিছে; কিন্তু কয়লাৰ ব্যৱহাৰ বন্ধ কৰাৰ ক্ষেত্ৰত ভাৰতে অধিক সময় বিচাৰিছে। ভাৰতে ২০৭০ৰ ভিতৰত নেট জিৰ' নিৰ্গমনৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। ভাৰতৰ কয়লা নিৰ্ভৰ উদ্যোগসমূহ বন্ধ কৰা আৰু সেই উদ্যোগসমূহৰ পৰিৱৰ্তে কাৰ্বনশূন্য প্ৰদূষণমুক্ত প্ৰযুক্তিৰ ব্যৱহাৰৰ যোগেদি নতুন উদ্যোগ স্থাপন বৰ্তমান সময়ত সম্ভৱ নহয়। ভাৰতৰ এনে অসমৰ্থতাৰ সন্দৰ্ভত বহুতে প্ৰশ্ন উত্থাপন কৰিছে। বিশেষজ্ঞসকলে ভাৰতে জিৰ' কাৰ্বন নিৰ্গমনৰ সময়সীমা ২০৭০ৰ পৰিৱৰ্তে ২০৬০ কৰিব পাৰে বা কৰিব লাগে। চীনেও ২০৬০ৰ কথা কৈছে। জিৰ' কাৰ্বনৰ প্ৰতিশ্ৰুতিৰ ক্ষেত্ৰত ভাৰতে এইদৰে পলম কৰাৰ ফল ক্ষতিকাৰক হোৱাৰ আশংকাই বেছি; কিন্তু ২০৩০ৰ ভিতৰত পেট্ৰ'ল-ডিজেল চালিত যান-বাহনৰ পৰিৱৰ্তে সকলো যান-বাহন বৈদ্যুতিক কৰাটোও হ'ব ভাৰতৰ বাবে ডাঙৰ প্ৰত্যাহ্বান।

## খোলা মঞ্চ

## ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ?



**এজন** ভাল শিক্ষক হ'বলৈ হ'লে তেওঁ প্ৰথমে ভাল এজন ছাত্ৰ হ'ব লাগিব। সমান্তৰালভাৱে সৎ নিষ্ঠাবান নেতা এগৰাকী আশা কৰিবলৈ হ'লে তেওঁৰ সামাজিক দায়বদ্ধতাই জনগণৰ হৃদয় জয় কৰিব পৰা হ'ব লাগিব। এতিয়া বিশ্বায়নত সৎ নেতাৰ অভাৱ ঘটিছে বুলি ক'ব পাৰি; কাৰণ বিৰোধী দলবিলাকৰ খবৰ কাকত বা বৈদ্যুতিন মাধ্যমবিলাকত দেখিবলৈ পোৱা কথোপকথনসমূহত যুক্তিবোৰ সচেতন মহলে লক্ষ্য কৰে। কোনোবাই পৰিধান কৰা গাৰ কাপোৰ আবেগেৰে ফালি পেলায়। কিন্তু তেওঁলোকে সমাজৰ কাম কৰিবলৈ আহি আবেগিক হয় নিজৰ ক্ষমতাৰ লোভত। নাগৰিকৰ হৃদয়ত সোমাই যাব পৰা কথা আমি শুনিবলৈ নাপাওঁ। ৰাজনীতি হ'ল সৎ পথেৰে আগবাঢ়ি নিজৰ মুনাফা অৰ্জন কৰা বিষয়। কিন্তু আজিৰ ৰাজনীতিত পাৰিবাৰিক সুখৰ ৰাজনীতি হৈ পৰিছে। মানুহৰ আবেগ অনুভূতিক পিছ পেলাই টকাৰ পাছত দৌৰি ফুৰা দলপতিয়ে সৎ হ'ব নোৱাৰে।

**স্বৰ্ণলতা পাঠক**, লেখিকা

কংগ্ৰেছৰ ১৫ বছৰীয়া শাসন কালত প্ৰয়াত মুখ্যমন্ত্ৰীয়ে নিজৰ পুত্ৰক ৰাজনীতিত জ্ঞান কৰি আগবঢ়াই দিয়াহেঁতেন কংগ্ৰেছ দল এনেদৰে জহি-খহি নগ'লহেঁতেন। গতিকে জ্ঞানৰ অভাৱে বহু নেতা-পালিনেতাক পিছ পেলাই থৈ গৈছে। বাজপেয়ীৰ চিন্তা-চৰ্চাৰ জ্ঞানৰ মিল থকা ৰাজনীতিক তাকৰ হৈ পৰিছে। বক্ৰপথেৰে আগবাঢ়ি যোৱাৰ শিক্ষা যিখন ৰাজ্যত অধিক হ'ব সেইখন ৰাজ্যত সৎ নেতাৰ অভাৱ হ'বই।

নিৰ্বাচন আহিলে ডিঙিৰ সিৰ ফুলাই ভাষণ দিয়া নেতাৰ অভাৱ নাই। বৰ্তমান সমাজত দক্ষ নেতাকো ধনবলেৰে পিছ পেলাই থোৱা সৰ্বজনবিদিত। গতিকে ৰজাৰ বাবেহে প্ৰজা। কিন্তু প্ৰজাৰ বাবে ৰজা কেতিয়াও হ'ব নোৱাৰে। এতিয়া সময় সলনি হ'ল অনুভৱ আৰু জ্ঞানক অৱহেলা কৰা নীতি বাৰুকৈয়ে বাঢ়িছে।

আমি যোগ্যজনক সৎ ব্যৱহাৰ কৰিব নোৱাৰাৰ ফলত সৎ নেতাৰো অভাৱ ঘটিছে। আমাৰ বহুমূলীয়া ভোটটো দিবলৈ সুযোগ্যজনক আগুৱাই দিয়াৰ মানসিকতা নহ'লে আমি কেতিয়াও সৎ নেতা বিচাৰি নাপাওঁ। এয়া পূবত সূৰ্য উঠাৰ দৰে সত্য।

ফোন ঃ ৯৭০৬৬৭৫৫৯২

বৰ্ত্তমান যিসকল লোকক আৰ্য বুলি জনা যায় তেওঁলোক ভাৰতত প্ৰৱেশ কৰাৰ সমসাময়িক কালতে বড়োসকলেও উত্তৰ-পূৰ্ব ভাৰতত প্ৰৱেশ কৰে

# বড়ো ভাষাৰ প্ৰসাৰ আৰু বিস্তাৰ



## অৱলোকন



**ড° দীননাথ বসুমতাৰী**

ইতিহাসবিদসকলৰ মতে বড়ো হ'ল এনে এটা জাতি যাক ইতিহাসৰ বিভিন্ন সময়ত বিভিন্ন নামেৰে জানি আহিছে। অসমৰ ইতিহাস বড়োৰ ইতিহাসেৰেহে আৰম্ভ হৈছে। ৰামায়ণ, মহাভাৰত, বেদ, পুৰাণ আদিত কিৰাত ৰূপে, তাৰ পিছত চীন দেশৰ মাজেৰে আহি বোড দেশত থাকিবলৈ লোৱাৰ পৰা বড়ো, আকৌ তাৰ পিছত নেপাল শিলিগুৰীৰ মাজেৰে ভাৰতত প্ৰৱেশ কৰাৰ পিছত মেচ আৰু উজনিলৈ আহি কছাৰী হয় ইত্যাদি ইত্যাদি। নেপাল, উত্তৰ-বংগত বৰ্ত্তমানো তেওঁলোকক মেচ আৰু অসমত মূলতঃ কছাৰী বুলিহে উল্লেখ কৰি অহা হৈছে। এটা সময়লৈকে অবিভক্ত গোৱালপাৰা জিলাৰ বড়োসকলকো মেচ বুলিয়ে জনা গৈছিল। একালৰ ব্ৰহ্ম ধৰ্মৰ প্ৰচাৰক গুৰুদেৱ কালিচৰণ ব্ৰহ্মকো মেচ-গান্ধি বুলিয়ে জনা গৈছিল। আনহাতে বৰপেটা জিলাৰ পৰা আৰম্ভ কৰি (পূৰ্বৰ অবিভক্ত গোৱালপাৰা জিলাক বাদ দি) আন সকলো জিলাৰ বড়োসকলক বড়ো-কছাৰী, ডিমাচা-কছাৰী, দেউৰী-কছাৰী, চুতীয়া-কছাৰী, লালুং-কছাৰী (বৰ্ত্তমান তিৱা), ঠেঙাল-কছাৰী, সোণৱাল-কছাৰী, বৰ্মণ-কছাৰী, শৰণীয়া-কছাৰী, মৰাণ-কছাৰী ইত্যাদি নামেৰে জানি আহিছে। বৰ্ত্তমানো বহুতে বড়োসকলক কছাৰী বুলিহে সম্বোধন কৰিব বিচাৰে। বহুতে আকৌ সৰ্বানন্দ ৰাজগুৰুৰ কথা পাহৰি কিম্বা অজ্ঞতাবশতঃ এইচ্ বি হগ্‌চন চাহাবে উল্লেখ কৰা মতে ১৮৪৬টোহে উল্লেখ কৰি আহিছে অথচ ৰাজগুৰুদেৱে তেওঁৰ 'ইতিহাসে সোঁৱৰা ছশটা বছৰ' গ্ৰন্থত ১২২৮ত টাই (পৰৱৰ্তীকালত আহোম নামেৰে জ্ঞাত) সকলে বাৰ্মা তথা থাইলেণ্ডৰ পৰা পাটকাই পৰ্বত অতিক্ৰম কৰি আহি অসম (তেতিয়াৰ কামৰূপ) ত প্ৰৱেশ কৰিয়ে এই দেশত বদৌচা আৰু থাখুমথা ৰজাক শাসন কৰি থকা অৱস্থাত লগ পোৱাৰ কথা উল্লেখ কৰি এইদেশৰ লোকসকল যে সেই সময়ত বদো বা বডো→বড়ো আছিল তাক স্পষ্টকৈ উল্লেখ কৰিছে আৰু তেতিয়াৰ পৰা বড়ো শব্দৰো প্ৰচলন আছিল। টাই বা আহোমসকলৰ আগমনৰ আগলৈ যে এইখন দেশত বড়োসকলেই একমাত্ৰ অধিবাসী আছিল ই তাকেই প্ৰমাণ কৰে।

শুনিবলৈ টান অথবা বিশ্বাস কৰিবলৈ কঠিন, অবিশ্বাস্য যেন লাগিলেও এইটো সঁচা যে, পশ্চিমে বিদেশী ৰাষ্ট্ৰ নেপাল, মূলতঃ ঝাপা জিলা, বিহাৰৰ কিছু অংশ, উত্তৰ-বংগৰ কোচবিহাৰৰ পৰা শিলিগুৰি, দাৰ্জিলিং সামৰি এক বৃহৎ অঞ্চল আৰু বৰ্ত্তমান ত্ৰিপুৰা ৰাজ্যত প্ৰচলিত বৰক, উত্তৰ কাছাৰত প্ৰচলিত ডিমাচা, বিদেশী ৰাষ্ট্ৰ বাংলাদেশত চাকমা অথবা বৰক নামেৰে প্ৰচলিত ভাষাসমূহৰ লগত আজিৰ বড়ো ভাষাৰ যিটো মিল তথা সাদৃশ্য বৰ্তমানো দেখিবলৈ পোৱা যায় সেইবোৰলৈ লক্ষ্য কৰিলে এইবোৰ যে এটা সময়ত এটা মূল ভাষাৰ পৰাই সময়ৰ সোঁতত আৰু বিভিন্ন কাৰণত বিভাজিত হৈ গ্ৰহণ কৰা একোটা আঞ্চলিক ৰূপহে মাথো তাক সহজে অনুমান কৰিব পাৰি। অসমীয়া, বঙলা, হিন্দী আৰু উৰিয়া ভাষাক যেনেকৈ সংস্কৃত মূলৰ পৰা উৎপন্ন হোৱা বিভিন্ন ৰূপৰ ভাষা বুলি কোৱা হয় ঠিক সেই একেদৰেই ডিমাচা, ত্ৰিপুৰা, চুতীয়া, দেউৰী, তিৱা, ঠেঙাল আদি ভাষাও এটা সময়ত আজিৰ বড়ো ভাষাই আছিল বুলি সেই ভাষাবোৰৰ মাজত থকা সাদৃশ্যবোৰলৈ চাই সহজে অনুমান কৰিব পৰা যায়। অৱশ্যে তেতিয়াৰ দিনত বড়ো ভাষা আজিৰ ৰূপত আছিল নে নাছিল সেয়া সঠিককৈ কোৱা সম্ভৱ নহয়। নিশ্চয় নাছিল। সময়ৰ লগে লগে এটা ভাষাই ৰূপ সলায়। সুপণ্ডিত, গৱেষক, ইতিহাস তথা ভাষাবিদ ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে এই ভাষাৰ ওপৰত ভিত্তি কৰিয়ে এটা সময়ত অকল খাচিয়া-জয়ন্তীয়া পাহাৰৰ বাদে সমগ্ৰ উত্তৰ-পূৰ্ব ভাৰত আৰু আজিৰ বাংলাদেশৰ এটা বৃহৎ অঞ্চল সামৰি এই সুবিশাল অঞ্চলত বড়োসকলে বসবাস কৰি আহিছিল, শাসন চলাই আহিছিল য'ত আন কোনো জাতিৰ লোক এজনো নাছিল বুলি এনেদৰে মন্তব্য কৰিছিল-

"Judging from the wide range of extension of their language the Bodos appear first to have settled over the entire Brahmaputra valley and extended west into North Bengal (in Koch Bihar, Rangpur and Dinajpur districts), they may have pushed into North Bihar also, and the Indo-Mongoloids who penetrated into North Bihar might equally have been either Bodos or 'Himalayan' tribes allied to the Newars. They skirted the southern bend of the Brahmaputra and occupied the Garo Hills, where as Garos, they form a *bloc* of Bodo speech. South of the Garo Hills they spread in northern Maimansing, where the semi-Bengalized Hajong tribe is of Bodo origin. From Nowgong district in Assam their area of occupation extended to Cachar district (particularly in the North Cachar Hills) and into Sylhet, and from Cachar and Sylhet they extend further to the south, to Tripura State, where there is still a Bodo-speaking *bloc* in the shape of the Tipra tribe which founded the state; and from Tripura they spread into Comilla and possibly also Noakhali districts; and thus they occupied the mouths of the Ganges by the eastern sea. With the exception of the isolated Khasi and Jaintia Hills the whole of Assam (barring the eastern parts inhabited by the Nagas and the south-eastern parts inhabited by the Kuki-Chins) and North and East Bengal was the country of the great Bodo people. লগতে তেওঁ ১৯৩১ত চলোৱা লোকপিয়লত পোৱা তথ্যও এনেদৰে উল্লেখ কৰি গৈছে- According to the Census of 1931, the Bodo speakers in India numbered 9,11,000 persons- close upon a million, of whome 2,30,000 were garos, 2,91,000 Kacharis and 1,98,000 were Mrungs or Tipras and the rest Rabha, Meches, Koches etc" (Kirata Jana-krti, pp. 27-28, 1951)

উপৰোক্ত লোকপিয়লত মেচসকলক কছাৰীৰ অন্তৰ্ভুক্ত কৰি দেখুৱা হোৱা নাই, ফলত কছাৰী বা বড়োসকলৰ জনসংখ্যাৰ সঠিক প্ৰতিফলন ঘটা নাই। এনেকি মেচসকলৰ জনসংখ্যা কিমান আছিল তাকো উল্লেখ কৰা হোৱা নাই। ফলত সমগ্ৰ উত্তৰ-বংগ, নেপাল আৰু অবিভক্ত গোৱালপাৰা জিলাৰ মেচ তথা বড়োসকলৰ জনসংখ্যাৰ হিচাপ উপৰোক্ত লোকপিয়লত প্ৰতিফলিত হোৱাৰ পৰা বাদ পৰি থাকিল, যদিও কছাৰী আৰু মেচ উভয়ে বড়ো। কছাৰী আৰু মেচ উভয়কে এক বড়োৰ নামত দেখুৱা হ'লে বড়ো তথা কছাৰীৰ জনসংখ্যা আৰু অধিক হ'লহেঁতেন। সেই সময়ত উত্তৰ-বংগ আৰু তদানিন্তন অবিভক্ত গোৱালপাৰা জিলাৰ বড়োসকলে বড়ো ভাষাকে ব্যৱহাৰ কৰি থাকিলেও তেওঁলোকক বাদ দি অকল মধ্য আৰু উজনিৰ বড়োসকলকহে কছাৰী বুজোৱা হৈছিল। এইখিনিতে আন এটা অতি তাৎপৰ্যপূৰ্ণ কথাটো হ'ল, এই লোকপিয়লত ডিমাচা, দেউৰী, চুতীয়া, তিৱা, ঠেঙাল, মৰাণ, মটক আদিক সুকীয়াকৈ দেখুৱা হোৱা নাই, কছাৰীৰ ভিতৰতে সামৰি লোৱা হৈছিল। খুউব সম্ভৱ সেই সময়লৈকেও বিভিন্ন ভাগত বিভক্ত উপৰোক্ত জনগোষ্ঠীৰ লোকসকলৰ ভাষা মূল বড়ো ভাষাৰ পৰা বৰ বেছি দূৰলৈ আঁতৰি যোৱা নাছিল বা একেটাই আছিল। আজি বহু শ বছৰ পিছতো ত্ৰিপুৰী অথবা তিপ্ৰা আৰু ডিমাচাসকলৰ স্থানীয় ভাষাৰ লগত বড়ো ভাষাৰ বহু ওচৰ সম্বন্ধ তথা সাদৃশ্য, মিল দেখা যায়।

ত্ৰিপুৰী অথবা তিপ্ৰা আৰু বড়ো ভাষাৰ মাজত লক্ষ্য কৰিলে দেখা যায় মূলতঃ বড়ো ভাষাৰ গ, জ, দ আদি ব্যঞ্জন বৰ্ণৰ উচ্চাৰণ ত্ৰিপুৰী অথবা তিপ্ৰা ভাষাত ক্ৰমে ক, ছ, ত ৰূপত উচ্চাৰিত হোৱা দেখা যায়। যেনে বড়োৰ গামি (গাওঁ) ত্ৰিপুৰী ভাষাত কামি, সেইদৰে গয়→কোৱায়, গিছিব→কিছিব, গুমৈ→কুমৈ ইত্যাদি। সেই একেদৰে বাজৈ→বাছৈ, জৌমৈ→ সুমৈ,দৈ→ তৈ,দৈপ্ৰা→ তিপ্ৰা, অখ্ৰাং/নখ্ৰাং→ নখা→ নখাছাও, হাযজেং→ হাসিং→ হাজিং, থালিৰ/থাইলিৰ→থাইলিক→থাইলিক, খাংখ্ৰায→ খাংখ্ৰায→ খাংখ্ৰায, বিফাং/বংফাং→ ফাং→ বংফাং, ফিথাই/থাই→থাই→বথাই, হাখৰ→ হাকৰ→ হাখৰ, মায়ৰং→মায়সা→মায়ৰং, আফা/ বিফা→ ফা→ আফা, থৈ/বিথৈ→থৈ→বিথৈ, মুং→মুং→মুং ইত্যাদি ৰূপত পৰিলক্ষিত হয়। এয়া মাথো কেইটামান উদাহৰণহে দাঙি ধৰা হৈছে। অধিক জানিবলৈ হ'লে এই লেখকৰে 'কিছু কথা কিছু বিতৰ্ক' গ্ৰন্থখন চাব পাৰে।

বড়োসকল কেতিয়াৰ পৰা এই অসমত আছে সেই লৈ আজিও গৱেষণাৰ অন্ত পৰা নাই। যদিও তেওঁলোকক এই অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ আদিম অধিবাসী তথা ভূমিপুত্ৰ বুলি কোৱা হয়, তথাপি তেওঁলোক কেতিয়া, কৰপৰা আহি এই দেশত বসবাস কৰিবলৈ লয় অথবা তেওঁলোকৰ যদি ইয়াতেই উৎপত্তি হৈ থাকে তেনেহ'লে কেতিয়া হৈছিল তাক লৈও কোনেও আজিলৈ সঠিক সিদ্ধান্ত আগবঢ়াব পৰা নাই। ইতিহাসবিদ ৰাজমোহন নাথে নিজৰ The Background of Assamese Culture নামৰ গ্ৰন্থত এনেদৰে উল্লেখ কৰিছে— The first batch of the Bodos who migrated to Assam came from a place situated at the confluence of two rivers - Dila-Ubra (big water) and Changriba (small water), due to that area being disturbed and converted into a desert by an earthquake. This was very likely a part of the present Gobi desert lying at the confluence of the modern Khasgar-daria and Yarkand-daria. তেনেকৈ এওঁলোকৰ প্ৰব্ৰজনকালৰ কথা ক'বলৈ গৈ তেওঁ এনেদৰে উল্লেখ কৰিছে- When the Austricts were gradually weakend, either due to their conflicts with the Negroids or due to their giving way to pleasure and ease, a fresh invasion of their country started from the north along the whole northern front from across the Himalayas. The invaders were a race of people who inhabited the country north of the Himalayas and west of China.This country was known as the *Bod* or the home-land, synonymous with Sanskrit Varsha (as in Bharat-Varsha the home land of Bharat -India). তেওঁ এনেদৰেও ক'ব খোজে যে, According to this authority, the present Assam area was being ruled over by Ghotoka- a Kirata chief when Narakasura invaded the country in about 2200

**অসমীয়া, বঙলা, হিন্দী আৰু উৰিয়া ভাষাক যেনেকৈ সংস্কৃত মূলৰ পৰা উৎপন্ন হোৱা বিভিন্ন ৰূপৰ ভাষা বুলি কোৱা হয় ঠিক সেই একেদৰেই ডিমাচা, ত্ৰিপুৰা, চুতীয়া, দেউৰী, তিৱা, ঠেঙাল আদি ভাষাও এটা সময়ত আজিৰ বড়ো ভাষাই আছিল বুলি সেই ভাষাবোৰৰ মাজত থকা সাদৃশ্যবোৰলৈ চাই সহজে অনুমান কৰিব পৰা যায়**

BC. অৰ্থাৎ খ্ৰীষ্টপূৰ্ব ২২০০ত নৰকাসুৰে যেতিয়া অসম আক্ৰমণ কৰে সেই সময়ত ঘতক নামেৰে এজন কিৰাত প্ৰধানে দেশখন শাসন কৰি আছিল। সেয়ে হ'লে বহুতে দাবী কৰামতে নৰকাসুৰ আৰ্যবংশীয় বুলি কোৱাত যুক্তি বিচাৰি পোৱা নাযায়। আনহাতে ৰমিলা থাপাৰ, ডি.ডি.কৌশাম্বী, ইৰফান হাবিব, আৰ.এছ. ৰায়চৌধুৰী আদি প্ৰখ্যাত ইতিহাসবিদ সকলে সেই একেটা সময়তে অৰ্থাৎ খ্ৰীষ্ট পূৰ্ব দুহেজাৰত মধ্য এচিয়াৰ পৰা আৰ্য সংস্কৃতিৰ বৈদিক লোকসকল ভাৰতবৰ্ষত প্ৰৱেশ কৰে। কথাষাৰ মানি ল'লে আমি এই সিদ্ধান্তত উপনিত হ'ব পাৰো যে, বৰ্ত্তমান যিসকল লোকক আৰ্য বুলি জনা যায়, তেওঁলোক ভাৰতত প্ৰৱেশ কৰাৰ সমসাময়িক কালতে বড়োসকলেও উত্তৰ-পূৰ্ব ভাৰতত প্ৰৱেশ কৰে।

ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে উল্লেখ কৰামতে সমগ্ৰ উত্তৰ-পূৰ্ব ভাৰতত বড়োসকলে প্ৰাকৃতিক কাৰণতে সচৰাচৰ বানপানী, ভূমিকম্প আদি কাৰণত সিঁচৰিত, প্ৰসাৰিত আৰু বিস্তৃত হৈ পৰিলেও সি যিমান বিস্তৃত আছিল তাতকৈ অধিক হাৰত বিস্তৃত, সিঁচৰিত হৈ পৰিছিল মূলতঃ সুদূৰ বাৰ্ম বৰ্ত্তমান থাইলেণ্ডৰ পৰা সুউচ্চ পাটকাই পৰ্বত অতিক্ৰম কৰি অসমত অনুপ্ৰৱেশ কৰা টাই (পৰৱৰ্তীকালত আহোম) সকলৰ লগত ভূমিৰ অধিকাৰক লৈ সুদীৰ্ঘ ৪৫০ বছৰ ধৰি হোৱা সংঘৰ্ষৰ ফলত। কোৱা হয় অসমৰ ইতিহাস হেনো বড়োৰ ইতিহাস, মাটিৰ সীমানাক লৈ বড়ো আহোমৰ যুদ্ধৰ ইতিহাস। সেই সময়ত যুদ্ধ কৰিবলৈও এই দুটা জনগোষ্ঠীৰ বাদে আন কোনো মানুহেই নাছিল। বড়ো আৰু আহোমক ইংলণ্ডৰ এংগ্লো-চেক্সন আৰু নৰ্মানসকলৰ লগত তুলনা কৰা হয়। এই যুদ্ধত বড়োসকল ছিন্ন-ভিন্ন হৈ চাৰিওদিশত সিঁচৰিত হ'বলগীয়া হ'লেও একেবাৰে নিশেষ হৈ নগ'ল, কিন্তু আহোমসকল এটা সময়ত অসমীয়াৰ বুকুত হেৰাই গ'ল। বহুত আহোমে নিজৰ মাতৃভাষাকো হেৰুৱাই পেলালে।

টাই বা আহোমসকলে অসমত (সেই সময়ৰ কামৰূপ) ১২২৮ত প্ৰৱেশ কৰে আৰু কুড়িটা বছৰ পাৰ হওতে নৌহওতে আৰম্ভ হয় মাটিৰ অধিকাৰক লৈ বড়ো আৰু আহোমৰ মাজত সংগ্ৰাম। ইয়াৰ পূৰ্বে মাটিক লৈ বড়োসকলৰ মাজত কোনো বিবাদৰ প্ৰশ্নই উঠা নাছিল, কাৰণ কৃষিজীৱী সৰ্বসাধাৰণ বড়ো ৰাইজৰ বাবে কোনোদিনে কৃষিমাটিৰ অভাৱ নাছিল। পিছলৈ মূলতঃ প্ৰবল বানপানী আৰু গৰাখহনীয়াৰ কবলত পৰি ভূমিহীন, গৃহহীন হোৱাৰ উপৰি বিভিন্ন ৰাজনৈতিক কাৰণত তিষ্ঠি থাকিব নোৱাৰি কৃষিজীৱী বড়োসকলে কৃষিৰ ভূমি বিচাৰি উত্তৰে অৰুণাচল, পূৱে নগা পাহাৰ আৰু পূব-দক্ষিণে কাৰ্বি আংলংলৈকে বিস্তৃত হৈ পৰে।

কৃষিৰ উপযোগী মাটি বিচাৰি বড়োসকল অৰুণাচললৈ অৰুণাচল এক্সপ্ৰেছ ৰেলত উঠি দিনৰ পিছত দিন, প্ৰবল শীতকো নেওচি, কঁপি কঁপি হাতেবোৱা সামান্য এডোখৰ কাপোৰ বুকুত লৈ নিশাটো পাৰ কৰাৰ জীয়া কাহিনী আজিও সেইসকল বড়ো ৰাইজৰ মুখত শুনিবলৈ পোৱা যায়। অতিসম্প্ৰতি বড়োসকল অসমৰ বাদে উত্তৰ-বংগ, নেপাল, বিহাৰৰ কিছু অংশ, ভূটান, বাংলাদেশৰ মৈমনসিংহ, চিলেট, ৰংপুৰ, ত্ৰিপুৰা আদি অঞ্চললৈ বিস্তৃত হৈ আছে। তেওঁলোকৰ ভাষাই ঠাই আৰু অঞ্চল বিশেষে বিভিন্ন ৰূপ গ্ৰহণ কৰিলেও মূলতঃ একেটা বড়ো ভাষাৰে পৰা উৎপন্ন। এইক্ষেত্ৰত ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে অতি তাৎপৰ্যপূৰ্ণ এষাৰ কথা কৈছিল— "যদি কিবা প্ৰকাৰে আজিৰ পৰা ১০০০ বছৰ পূৰ্বে বড়ো ভাষাই লিখিত ৰূপ পাব পাৰিলেহেঁতেন তেনেহ'লে উত্তৰ পূৰ ভাৰতত ইমানবোৰ সৰু সৰু ভাষাৰ উৎপত্তি নহলেহেঁতেন আৰু বড়ো ভাষাই এই সমগ্ৰ অঞ্চলৰ ৰাজ্যিক ভাষা হ'লেহেঁতেন।' সেয়া বাস্তৱত হৈ নুঠিল। অৱশ্যে ৰাজ্যিক ভাষা হ'ব নোৱাৰিলেও ই যোৱা ১৯৮৫ৰ ১৬ নবেম্বৰত চৰকাৰে জাৰি কৰা জাননীমৰ্মে বড়ো অধ্যুষিত অঞ্চলত আৰু ২০২১ৰ ৩০ জানুৱাৰীৰ জাননীমৰ্মে সমগ্ৰ অসমতে দ্বিতীয় ৰাজ্যিক ভাষা হিচাবে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। বৰ্তমান বড়ো ভাষাই বিশ্ববিদ্যালয় স্তৰৰ স্নাতকোত্তৰ শ্ৰেণীলৈ উন্নীত হোৱাৰ উপৰি ভাৰত সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত হোৱাৰ লগতে সাহিত্য একাডেমিৰো স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে।

অসমৰ তিনিখন ৰাজ্যিক বিশ্ববিদ্যালয় ক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয়, বড়োলেণ্ড বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপৰি শিলচৰত অৱস্থিত কেন্দ্ৰীয় আসাম বিশ্ববিদ্যালয়তো বড়ো ভাষাই ইতিমধ্যে স্থান লাভ কৰিছে। বড়ো লেখক সংস্থা তথা বড়ো ৰাইটাৰ্ছ একাডেমি আৰু বড়ো সমাজৰ দীৰ্ঘ প্ৰচেষ্টা, আশাসুধীয়াকৈ নেৰা-নেপেৰাকৈ লাগি থকাৰ ফলত তিনি লাখ জনসংখ্যাৰ উত্তৰ-বংগৰ মেচ বড়োসকলেও বড়োক এটা বিষয় হিচাবে লৈ ইতিমধ্যে পঞ্চম শ্ৰেণীলৈ পঢ়িবলৈ লৈছে, যদিও বৰ্ত্তমানো ই বেংগল চৰকাৰৰ অনুমোদন লাভ কৰা নাই। তাৰ বাবে উত্তৰ-বংগৰ মেচ বড়ো ৰাইজে চৰকাৰৰ ওচৰত প্ৰয়োজনীয় যোগাযোগ তথা আবেদন জনাই আহিছে।

অকল সেয়াই নহয়, ইতিমধ্যে একালত সিঁচৰিত হৈ পৰি ভিন্নভাষী হৈ পৰা অসমৰো দুই এটা সৰু সৰু বড়োমূলৰ জনগোষ্ঠীৰ লোকসকলে নিজৰ পূৰ্বপুৰুষৰ বড়ো ভাষাৰে শিক্ষাগ্ৰহণৰ কথা চিন্তা চৰ্চা, পোষকতা তথা বিবেচনা কৰিবলৈ লৈছে।

ফোন ঃ ৯৪৩৫০২১৮৭৭

# মৃত্যুৰে পৃথিৱীৰ শেষ সত্য

## বিনা স্বাৰ্থত কাৰোবাক সহায় কৰিবলৈ এটা উদাৰ মনৰ অধিকাৰী হোৱাজন প্ৰকৃত অৰ্থত এজন সুখী মানুহ

## অৱলোকন



**চাইৱা ইছলাম বড়া**

**জীৱন** এনেকুৱা এখন ৰংগমঞ্চ য'ত আমি নিজেই নাজানো পিছ মুহূৰ্ততে কেনেকুৱা পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব। সততেই আমি কোনোবা এজন ব্যক্তিৰ মৃত্যুত গভীৰ সমবেদনা জ্ঞাপন কৰি শোকবাৰ্তা প্ৰেৰণেৰে তেওঁৰ আত্মাৰ সদ্‌গতি কামনা কৰো। জীৱিত কালতকৈ মৃত্যুৰ পাছতহে যেন এজন ব্যক্তিৰ অন্তৰ্নিহিত গুণবোৰ আমাৰ সন্মুখত স্পষ্ট ৰূপত ধৰা দিয়ে; কিন্তু আমাৰ সমাজত এনে কিছু মুষ্টিমেয় লোক আছে যিসকলে ওৰেটো জীৱন আনৰ বাবেই নিজৰ বহুমূলীয়া সময় খৰচ কৰি যৎপৰোনাস্তি সহায়ৰ হাত আগবঢ়াই যায়। এইসকল লোকৰ উদাৰ আৰু পৱিত্ৰ মনটোক কোনোদিনে ধনৰ বিনিময়ত ক্ৰয় কৰিব নোৱাৰি। এওঁলোকে কোনোদিনে ধন প্ৰাচুৰ্যৰ পাছত হাবাথুৰি খাই নুফুৰি, নিজৰ গতিপথত সদায়েই এটা সাধাৰণ জীৱন যাপন কৰি মানুহৰ সহায়ক হৈ ৰয়। অৱশ্যে আজিৰ ব্যস্ততাবহুল সময়ত তেওঁলোকৰ বিষয়ে ভাবিবলৈ কাৰো আহৰি নাথাকিলেও সেই সকল লোকে কিন্তু নিঃস্বাৰ্থভাৱে আমৃত্যু নিজকে আনৰ বাবে উছৰ্গা কৰি যায়। প্ৰতিজন মানুহৰে স্বভাৱগত বৈশিষ্ট্য সুকীয়া। আমাৰ সমাজত আজিও এচাম মানুহ আছে তেওঁলোকে আনক সহায় কৰাতেই জীৱনৰ পৰম তৃপ্তি নিহিত হৈ থাকে। বিনা স্বাৰ্থত কাৰোবাক সহায় কৰিবলৈ এটা উদাৰ মনৰ অধিকাৰী হোৱাজন প্ৰকৃত অৰ্থত এজন সুখী মানুহ। তেনে লোকৰ অন্তৰাত্মাত কোনো ধৰণৰ কপটতা নাথাকে, আনৰ প্ৰতি সুহৃদয়তাৰে মন ভৰি থাকে। আজিৰ দিনত ধনৰ দুখীয়াতকৈ গৰিষ্ঠ সংখ্যক লোক মনৰহে দুখীয়া। সকলো ব্যক্তিৰে জীৱন কালত সান্নিধ্য লাভ কৰা বিশেষ কিছুমান লোকৰ স'তে মানৱীয় সম্পৰ্ক গঢ়ি উঠে। দিন বাগৰাৰ লগে লগে সেইসকল লোক পৰিয়ালৰ সদস্যৰ দৰে আপোন হৈ পৰে। এই নিঃস্বাৰ্থ সম্পৰ্কবোৰৰ কোনো নাম নাথাকে। ঠিক সেইদৰে সময়ৰ গতিত এদিন শিৱসাগৰ প্ৰেছ ক্লাবৰ জ্যেষ্ঠ সহায়ক ধ্ৰুৱজ্যোতি মজুমদাৰৰ স'তে পৰিচয় হোৱাৰ সৌভাগ্য হৈছিল। দেখাত চুটি-চাপৰ এজন মৰমিয়াল লোক, সকলোৰে মাজত ভোলা নামেৰে পৰিচিত। ভোলাৰ মুখত অনবৰতে লাগি থকা মিচিকিয়া হাঁহিটোৰ আঁৰত লুকাই থকা এখন মানৱদৰদী হৃদয়ৰ উমান মই প্ৰথম দৃষ্টিতে হৃদয়ংগম কৰিছিলো। সেই দিন ধৰি ভোলা মোৰ বাবে এজন বিশ্বাসী ভ্ৰাতৃ হৈ পৰিছিল। বহুজন শুভাকাংক্ষীৰ মুখেৰে পিছলৈ জানিব পাৰিলো ভোলাৰ জীৱনত সান্নিধ্য লাভ কৰা প্ৰতিজন ব্যক্তিয়ে তেওঁৰ অন্তৰৰ নিচেই আপোনজন হৈ পৰে। সেই বিশ্বাসৰ ভিত্তিতে বহুজনে দায়িত্ব অৰ্পণ কৰা বহুতো গধুৰ কামৰ বোজা অনায়াসে ভোলাই সমাপন কৰি আহিছে। আজিৰ দিনত বিনা স্বাৰ্থত আনক সহায়ৰ হাত আগবঢ়োৱা মানুহৰ সংখ্যা তেনেই সীমিত। শিৱসাগৰ নগৰৰ সোঁমাজতে অৱস্থিত প্ৰেছ ক্লাবৰ স'তে সংলগ্ন ঘৰটোত ভোলাই তেওঁৰ মাতৃতুল্য এগৰাকী বাইদেউৰ স'তে জীৱন নিৰ্বাহ কৰিছিল। সেই সুবিধাৰ্থে শিৱসাগৰ প্ৰেছ ক্লাবটোত ভোলাৰ ঠিকনাত বহুজনৰ প্ৰয়োজনীয় নথি-পত্ৰৰ লগতে বিশিষ্ট লেখকসকলৰ গ্ৰন্থৰ আদান-প্ৰদানৰ অসহায় ঠিকনা হৈ পৰিছিল। এই ক্ষেত্ৰত আগভাগ লৈ বিনাদ্বিধাই হাঁহিমুখীয়া ভোলাই সকলোকে সন্তুষ্ট কৰিছিল। মানুহ যে মানুহৰ বাবে এই কথা ভোলাৰ অসাধাৰণ কৰ্মই, প্ৰতিভাই প্ৰমাণ কৰি গ'ল। নিয়তিৰ কি পৰিহাস চলিত বৰ্ষৰ ২২ মাৰ্চত এটা মাত্ৰ সাধাৰণ দুৰ্ঘটনাতে ডিব্ৰুগড়



মেডিকেলত ভোলাই শেষ নিশ্বাস ত্যাগ কৰে। আকস্মিক খবৰটো বিয়পি পৰাৰ লগে লগে সাংবাদিক সহিতে শিৱসাগৰৰ ৰাইজ ভোলাৰ বাসগৃহলৈ ঢাপলি মেলিছিল। অন্তিম বিদায়ৰ মুহূৰ্তত লোকে লোকাৰণ্য হৈ পৰিছিল প্ৰেছ ক্লাবৰ সন্মুখ ভাগ অৰ্থাৎ ভোলাৰ ঘৰৰ চোতাল। সেমেকা চকুৰে সমবেত হোৱা বৃহৎ সংখ্যক লোকৰ উপস্থিতিয়ে প্ৰমাণ কৰি দিছিল সহজ-সৰল ভোলাৰ প্ৰতি ৰাইজৰ আদৰ চেনেহৰ গভীৰতা কিমান গাঢ় আছিল। আজিৰ দিনত মানুহৰ অন্তৰত স্থান পোৱা আটাইতকৈ কঠিন কাম। তেনেস্থলত এজন অতি সাধাৰণ ব্যক্তিৰ মাজত নিহিত হৈ থকা অসাধাৰণ প্ৰতিভাৰ মানৱদৰদী মনটোক ঘনিষ্ঠসকলে আৱিষ্কাৰ কৰাত অলপো ত্ৰুটি কৰা নাছিল।

শিৱসাগৰ প্ৰেছ ক্লাবত সঘনাই অনুষ্ঠিত হোৱা বৌদ্ধিক মহলৰ চিন্তা-চৰ্চাৰ অনুষ্ঠানবোৰত ভোলাৰ অপৰিসীম সহায়-সহযোগ আছিল। জীৱিত কালত ভোলাৰ কৰ্মৰাজিয়ে প্ৰমাণ কৰি গ'ল যে মানুহৰ অন্তৰত স্থান দখল কৰিবলৈ ধনৰ ধনী নহয় মনৰ ধনী হোৱাৰহে আৱশ্যক। প্ৰেছ ক্লাবত অনুষ্ঠিত হোৱা সভা-সমিতিবোৰত উপস্থিত থাকি লক্ষ্য কৰিছিলো অতি নিয়াৰিকৈ আৰম্ভণিৰ পৰা শেষলৈ অতিথিগণক পৰিচৰ্যা কৰাত ভোলাই অলপো কৃপণালি কৰা নাছিল। তেওঁৰ জনপ্ৰিয়তাৰ হয়তো এয়াও এক বিশেষত্ব আছিল। মোৰ বোধেৰে শিৱসাগৰ প্ৰেছ ক্লাবৰ স'তে যোগসূত্ৰ থকা প্ৰতিজন লোকেই তেওঁৰ মিঠা হাঁহিটোৰ স'তে পৰিচিত হৈ বয়সৰ সীমাৰেখা ভেদি বন্ধুত্বৰ ডোলেৰে বান্ধ খাই পৰিছিল। একেদৰেই শিৱসাগৰৰ বিয়া সকাম ৰাজহুৱা অনুষ্ঠান আদিতো পাৰ্যমানে সহযোগিতা আগবঢ়োৱা আমাৰ সততেই পৰিলক্ষিত হৈছিল। স্বভাৱগতভাৱেই তেওঁৰ এটা বিশেষ বৈশিষ্ট্য আছিল যে পকেটত লৈ ফুৰা টেঙা-মিঠা মৰ্টনবোৰ হাতৰ টিপতেই আমাক দি এক অনন্য শান্তি লভিছিল। আমিও অপেক্ষা কৰিছিলো ভোলাই দিয়া মৰ্টনৰ সোৱাদ ল'বলৈ। তেতেলিৰে তৈয়াৰ কৰা সেই বিশেষ মৰ্টনবিধৰ সুস্বাদু সোৱাদ ভোলাৰ অনুপস্থিতিত আমাৰ বাবে এতিয়া আৰু সেৰেকা হৈ পৰিল। এয়াই হয়তো মানুহৰ প্ৰতি অন্তৰৰ নিভাঁজ কোণত নিহিত হৈ থকা নিস্বাৰ্থ মৰমৰ বান্ধোন।

ভোলাৰ মৃত্যুৱে আমাক সকলোকে কাহানিও মচিব নোৱাৰা আঘাত দি গ'ল, অভিভাৱক স্বৰূপ ভোলাৰ অবিহনে শিৱসাগৰ প্ৰেছ ক্লাব যেন আজি নিজম-নিস্তব্ধ হৈ পৰিল। মৰমৰ ভোলা আজি এখন নিৰ্জীৱ ফটো ফ্ৰেমত আৱদ্ধ হৈ ৰ'ল। এয়াই নিষ্ঠুৰ বাস্তৱ, সময়ে কাকোৱেই অপেক্ষা নকৰে। প্ৰিয় লোকসকলৰ স্মৃতি মাথোঁ সোঁৱৰণীৰ দাপোণত আৱদ্ধ হৈ ৰয়। মৃত্যুৰ কাষত আমি সকলো অসহায়, এই মৃত্যু অপৰাজেয়। সকলোকে কন্দুৱাই নিজে হাঁহি হাঁহি আজি বিদায় ল'লে বাহ্যিক দৃষ্টিত এজন তেনেই সাধাৰণ লোকে। এজন মৰমিয়াল ভ্ৰাতৃক অকালতে হেৰুৱাই আমি সকলো অতিশয় মৰ্মাহত। একাঁজলি অশ্ৰু অঞ্জলিৰে বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰিলো। ভোলাৰ অস্তিত্ব শিৱসাগৰৰ প্ৰেছ ক্লাৱত সদায়েই থাকিব, এই মৃত্যু অপৰাজেয়। হীৰুদাৰ ভাষাৰেই কৈ যাওঁ----- 'মৃত্যুও এক শিল্প জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য।'

ফোন ঃ ৯১০১৫১৭৮৪৭

দৈনিক অগ্ৰদূত
৭ এপ্ৰিল বৃহস্পতিবাৰ, ২০২২ পৃষ্ঠা ৫

# ভজা মাংসৰ সোৱাদ

তহঁতক বাধা দিয়া সত্ত্বেও তহঁতে মোৰ হকাবধা নামানি এই মাংস খালি। ইমান দিনে মই তহঁতক আঁতৰাই ৰাখিছিলো, কিন্তু তহঁতে মোৰ বাধা নামানি মাংস মুখত দিলি। আজি জোৰ কৰি মোৰ বাধা নামানি তহঁতে মোৰ মাংস খালি। মোৰ দোষ নাই, মই তহঁতক বাৰে বাৰে বাধা দিছিলো তথাপিও তহঁতে খালি। তহঁত হলি হিন্দু মানুহ। পঠাৰ মাংসৰ বাদে অইন মাংস তহঁতৰ ধৰ্মই খাবলৈ বাধা দিছে। মই বাৰে বাৰে তহঁতক মোৰ মাংস খাবলৈ বাধা দিছিলো, কিয়নো আমাৰ খ্ৰীষ্টধৰ্মৰ মানুহৰ বাবে গো-মাংস অতি প্ৰিয়। তহঁতে খোৱা এই মাংস গো মাংস আছিল বাবে মই তহঁতক বাধা দিছিলো। তহঁতে কেতিয়াও ভাবি নাচালি মই কিয় তহঁতক এই মাংস খাবলৈ নিদিছিলো। তহঁতৰ ধৰ্মইতো গো-মাংস খাবলৈ অনুমতি নিদিয়ে। কথাখিনি কৈ বন্ধুজনে চুপ হৈ ৰ'ল



**সকলো** হোষ্টেলৰ বাসিন্দাসকলৰ ভিতৰত নানান ব্যতিক্ৰমী ঘটনা ঘটে। পিছৰ জীৱনত সেই ঘটনাসমূহ ৰোমন্থন কৰি বৰ আনন্দ পোৱা যায়। সৰু সৰু ঘটনাসমূহ মনত পৰিলে আকৌ সেই দিনবোৰলৈ উভতি যাবলৈ মন যায়। আমিও হোষ্টেলৰ বাসিন্দা হিচাপে নানান খুহুটীয়া ঘটনাৰ সাক্ষী আছিলো হোষ্টেলৰ বাসিন্দা হিচাপে আমাৰ ৰুমমেট তিনিজনে। মই একশৰণ ধৰ্ম মানি চলা মহাপুৰুষীয়া অসমীয়া ল'ৰা। দ্বিতীয়জন শিলচৰৰ শাক্তধৰ্মী ব্ৰাহ্মণ বঙালী আৰু তৃতীয়জন হ'ল নগালেণ্ডৰ নগা খ্ৰীষ্টধৰ্মী যুৱক। যেন আমাৰ ৰুমটো সম্পূৰ্ণৰূপে কজ মোপলিট্যাণ। আমাৰ মাজত ভাল বন্ধুত্ব আছিল। সাধাৰণতে পুৱাৰ ব্ৰেক ফাষ্ট আৰু ৰাতিৰ আহাৰ আমি প্ৰায়ে একেলগে খাইছিলো। ইজনে সিজনক সহায় কৰা বা পঢ়া-শুনাও আমি আলোচনা কৰি একেলগে পঢ়িছিলো। নগালেণ্ডৰ যুৱকজন ধনী ঘৰৰ ল'ৰা আৰু তেওঁৰ খোৱাত বৰ চখ আছিল। বজাৰলৈ গ'লেই এখোপামান খোৱা বস্তু কিনি আনিছিল। তাৰ ৰুমতে আমাকো খাবলৈ দিছিল।

কিছুদিনৰ পাছত এদিন আবেলি আমি ক্লাছৰ পৰা ৰুমলৈ আহি পোৱাৰ সময়ত হোষ্টেলৰ ওচৰতে থকা ডাক ঘৰৰ পিয়নজনে নগা বন্ধুজনক বিচাৰি আহিল। আমি বৰ উৎসুকতাৰে লক্ষ্য কৰিলো যে ডাকঘৰৰ পিয়নজনে এটা পাৰ্চেল বন্ধুজনলৈ দি গৈছে। আমি তাক বিহুৰ পাৰ্চেল বুলি সোধোতে সিঘৰৰ পৰা কিবা লাগতিয়াল বস্তু বুলি কওতে আমি বৰ মন নকৰিলো। দুদিনমান পাছত দেখিলো যে কলেজৰ ক্লাছ কৰি অহাৰ পাছত আবেলিৰ চাহ খাবলৈ বন্ধুজনে আমাৰ লগত একেলগে নগৈ কিছু পাছতহে যায়। এদিন কিবা কাৰণত মই ডাইনিং হলৰ পৰা সোনকালে ঘূৰি আহি দেখিলো যে নগা বন্ধুজনে সন্তৰ্পণে পিয়নে দি যোৱা টোপোলাৰ পৰা কিবা উলিয়াইছে আৰু খাবলৈ আৰম্ভ কৰিছে। মই নেদেখা ভাও ধৰি ঘূৰি আহিলো আৰু নিশা বন্ধুৰ অনুপস্থিতিত শিলচৰৰ বাঙালী বন্ধুজনক কথাতো ক'লো। আমি বৰ আচৰিত হ'লো; কিয়নো কিবা খোৱা বস্তু হ'লে আমি আটায়ে একেলগে বহি খাইছিলো অথচ সি আমাক লুকুৱাই ঘৰৰ পৰা অহা বস্তু খাইছে। অলপ বেয়া লাগিছিল যদিও অলপ দিনৰ ভিতৰত পাহৰি থাকিলো। কিন্তু কিছুদিনৰ পাছত আকৌ ডাকঘৰৰ পিয়ন, আকৌ নগা বন্ধুজনলৈ পাৰ্চেল।

আমি নগা বন্ধুজনক জোৰ কৰিলো যে পাৰ্চেল আমাৰ সন্মুখত খুলিব লাগিব। নগা বন্ধুজন কোনোমতে টোপোলা খুলিবলৈ সন্মত নহ'ল। কিছু সময় পাছত তেওঁ টোপোলাটো খুলিলে আৰু আমাৰ ৰুমটোত সুন্দৰ গোন্ধ এটা ভাহি আহিল। আমি চকুহাল বহল কৰি দেখিলো বন্ধুজনে পেকেটৰ পৰা বৰ সুন্দৰ ভজা মাংসৰ টুকুৰা লৈ খাব ধৰিছে। বাঙালী বন্ধু আৰু মই হোষ্টেলত সপ্তাহত দুদিন পাঠাৰ মাংস খাইছিলো যদিও ভজা মাংস কেতিয়াও খোৱা নাছিলো। সেই সময়ত অৱশ্যে কুকুৰাৰ মাংস নাইবা গাহৰিৰ মাংস খোৱা কথাতো সপোনতো ভবা অসম্ভৱ। হোষ্টেলৰ আঞ্জাৰ পানীৰ পৰা তুলি অনাৰ দৰে পঠাৰ মাংস কেইটুকুৰা খাই একো সোৱাদেই পোৱা নাছিলো সেয়ে সুগন্ধিৰে স'তে পঠাৰ ভজা মাংস খাবলৈ বৰ লোভ লাগিছিল। আৰু বন্ধুজনক দিবলৈ জোৰ কৰি ধৰাত তেওঁ একে আখৰে 'নিদিওঁ', 'নহ'ব বুলি উত্তৰ দিলে। আমি যিমানেই তেওঁক জোৰ কৰো সি সিমানেই উগ্ৰ হৈ নেতিবাচক উত্তৰ দিয়ে। আমি দুজনে আহত হৈ তাক এটা শিক্ষা দিবলৈ পৰিকল্পনা কৰিলো। আমাৰ দুইজনৰ আলোচনাৰ মৰ্মে কেইদিনমান পাছত হোষ্টেলৰ কাষতে থকা ডাকঘৰৰ পিয়নজনক লগ ধৰিলো। তেওঁক ক'লো যে আমাৰ নগা বন্ধুজন ঘৰলৈ গৈছে। কিন্তু কিবা এটা পাৰ্চেল অহাৰ কথা আছিল আৰু আমাক ৰাখি থবলৈ কৈছে। পিয়নজনক ক'লো, 'আপুনি হোষ্টেললৈ যাব নালাগে, আমি আপোনাৰ ওচৰত খবৰ লৈ থাকিম আৰু পাৰ্চেলটো আহিলে আপুনি ৰাখি থ'ব, আমি আহি লৈ যাম।' পিয়নজনে আগতেও নগা বন্ধুজনৰ লগত আমাক দেখিছে গতিকে একো নাভাবি হ'ব বুলি ক'লে। আমি বৰ আনন্দ পালো আৰু পাৰ্চেল হাত কৰি ভিতৰত থকা ভজা মাংসখিনি কেনেকৈ চুৰ কৰি খাম তাৰ আশাতে বন্দী হ'লো। ভজা মাংসৰ আশাত আমি পাৰ্চেলৰ খবৰ ল'বলৈ প্ৰায় দৈনিক এবাৰ ডাকঘৰত সোমাই অহা হ'লো। এনেদৰে কিছুদিন আহ-যাহ কৰাৰ পাছত আমাৰ আকাংক্ষাৰ মুহূৰ্ত আহি পৰিল। পিয়নজনে আগুৱাই দিয়া পাৰ্চেলটো লৈ আমি আত্মহাৰা হৈ একপ্ৰকাৰ দৌৰি ৰুমলৈ আহিলো। পাৰ্চেলৰ আকাৰ আৰু অৱয়ব দেখি আমাৰ ধাৰণাৰ সত্য প্ৰমাণিত হ'ল। টোপোলাৰ ভিতৰত প্ৰায় আধা কেজিমান বাঁহৰ গাজৰ সুৱাসেৰে ভজা মাংস। আমি আৰু ৰ'ব নোৱাৰিলো। পাৰ্চেল খুলি গ্ৰোগ্ৰাসে খাবলৈ আৰম্ভ কৰিলো। অলপ পাছতেই নগা ৰুমমেট আহি পালে। সি পৰিস্থিতি দেখি বুজি পাইছিল যে তাৰ পাৰ্চেলৰ বস্তু আমি খাইছো। সি চক্ খোৱাৰ দৰে চিঞৰি উঠিছিল। 'নাখাবি, নাখাবি' বুলি। আমি তাক ভ্ৰূকুটি কৰি ক'লো তইতো আমাক ভজা মাংসৰ ভাগ নিদিয়, সেই বাবে তোৰ পাৰ্চেল খুলি আমি তোৰ ভজা মাংস খাইছো। সি যিমানেই ইচ্, আছ্ নাখাবি বুলি কৈ আছিল আমি তাক জোকাবলৈ আৰু তাৰ পিনে চাওঁ, আৰু ভজা মাংসৰ টুকুৰা মুখত দিওঁ। এটা সময়ত সি মূৰে-



**ডাঃ যোগেশ দাস**

কপালে হাত দি বহি পৰিল। আমিও বৰ তৃপ্তিৰে মাংস খাই প্ৰায় শেষ কৰিলো। কিন্তু টকাৰ পাছতহে আমাৰ মূৰত স্বৰগ ভাঙি পৰা যেন হ'ল। সি লাহে লাহে ক'বলৈ আৰম্ভ কৰিলে, 'তহঁতক বাধা দিয়া সত্ত্বেও তহঁতে মোৰ হকাবধা নামানি এই মাংস খালি। ইমান দিনে মই তহঁতক আঁতৰাই ৰাখিছিলো, কিন্তু তহঁতে মোৰ বাধা নামানি মাংস মুখত দিলি। আজি জোৰ কৰি মোৰ বাধা নামানি তহঁতে মোৰ মাংস খালি। মোৰ দোষ নাই, মই তহঁতক বাৰে বাৰে বাধা দিছিলো তথাপিও তহঁতে খালি। তহঁত হলি হিন্দু মানুহ। পঠাৰ মাংসৰ বাদে অইন মাংস তহঁতৰ ধৰ্মই খাবলৈ বাধা দিছে। মই বাৰে বাৰে তহঁতক মোৰ মাংস খাবলৈ বাধা দিছিলো, কিয়নো আমাৰ খ্ৰীষ্টধৰ্মৰ মানুহৰ বাবে গো-মাংস অতি প্ৰিয়। তহঁতে খোৱা এই মাংস গো মাংস আছিল বাবে মই তহঁতক বাধা দিছিলো। তহঁতে কেতিয়াও ভাবি নাচালি মই কিয় তহঁতক এই মাংস খাবলৈ নিদিছিলো। তহঁতৰ ধৰ্মইতো গো-মাংস খাবলৈ অনুমতি নিদিয়ে। কথাখিনি কৈ বন্ধুজনে চুপ হৈ ৰ'ল।

আমি তাৰ কথা শুনি শিলপৰা কপৌটিৰ দৰে হ'লো। চকুৰে ধোঁৱা- কোঁৱা দেখিলো। বমি কৰি মাংস উলিয়াই পেলাম যেন লাগিল। এটা অশান্ত মনে শান্তি বিচাৰিছিল। বাঙালী বন্ধু আৰু মই গো-মাংস ভক্ষণৰ দায়ৰ হিচাপে আমি দুয়োজনে ২৬ ঘণ্টা পানীৰ বাহিৰে অইন খাদ্য গ্ৰহণ নকৰি গো-মাংস ভক্ষণৰ প্ৰায়শ্চিত্ত কৰিছিলো।

*লিখক গুৱাহাটী মেডিকেল কলেজৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ আৰু চৰ্মৰোগ ৰোগৰ মুৰব্বী অধ্যাপক।*

# জলবায়ুৰ দ্ৰুত পৰিৱৰ্তন ৰোধ কৰিবলৈ কাৰ্বন আৱদ্ধ কৰাৰ প্ৰয়োজন

**ড° ৰাস্না ৰাজখোৱা**

**বৰ্তমান** পৃথিৱীৰ সবাতোকৈ গুৰুতৰ প্ৰাকৃতিক সমস্যা হৈছে সঘন জলবায়ুৰ পৰিবৰ্তন। ক'ৰবাত যদি বানপানী হৈ সকলো উটি ভাহি গৈছে, অইন ক'ৰবাত একেৰাহে মাহৰ পিছত মাহ খৰাং হৈছে। অলপতে দক্ষিণ আফ্ৰিকাৰ এটা বিশেষ অঞ্চলক 'ডে জিৰ' (প্ৰয়োজনীয় নিত্যকৰ্ম কৰিবলৈও পানীৰ অভাৱ) ঘোষণা কৰাৰ পৰা কথমপি ৰক্ষা পৰিছে। দিনক দিনে বাঢ়ি অহা গোলকীয় উষ্ণতাক লৈ সকলো চিন্তিত। জলবায়ু বিজ্ঞানীসকলে ঘোষণা কৰিছে জলবায়ুৰ পৰিবৰ্তন ৰুধিবলৈ কল-কাৰখানা, উদ্যোগৰ পৰা নিৰ্গত কাৰ্বনক চিমনীত আৱদ্ধ কৰিব পাৰিব লাগিব।

২০১৫ত পেৰিচত স্বাক্ষৰিত হোৱা চুক্তিত সকলো দেশে তেওঁলোকৰ দেশৰ কাৰ্বন নিৰ্গমন হ্ৰাসৰ প্ৰতিশ্ৰুতি দিছিল। ভবা হৈছিল, এই চুক্তিখনেই জলবায়ু পৰিবৰ্তনৰ ক্ষেত্ৰত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব; কিন্তু বহুত দেশে তেওঁলোকৰ লক্ষ্যৰ ওচৰত পৰাজয় স্বীকাৰ কৰিলে। ইয়াৰ বিপৰীতে আমেৰিকাই ঘোষণা কৰিছে যে চুক্তিখনৰ পৰা তেওঁলোকৰ দেশৰ নাম তেওঁলোকে উঠাই লৈছে। যি নহওক, বিশ্বব্যাপী কাৰ্বন নিৰ্গমনৰ পৰিমাণ অবিৰত বৃদ্ধি হৈ আছে।

আমাৰ গ্ৰহটোক সুৰক্ষিত কৰিবলৈ কেৱল মাত্ৰ এটা পথেই আছে, সেইটো হ'ল যিকোনো উপায় অৱলম্বন কৰি কাৰ্বন নিৰ্গমন হ্ৰাস কৰা।

সাধাৰণভাৱে ভবা হয় যে, বতাহ আৰু সৌৰ শক্তি আৰু জলশক্তি ব্যৱহাৰ কাৰ্বন নিৰ্গমন হ্ৰাস কৰা প্ৰচেষ্টাৰ একোটা অংশ। কিন্তু গভীৰভাৱে অনুসন্ধান আৰু পৰ্যবেক্ষণ কৰি জনা গৈছে যে, কাৰ্বন আৱদ্ধ (Capture), প্ৰয়োগ (Utilization), আৰু সংৰক্ষণ (চি চি ইউ এছ) কৰিবলৈ একোটা প্ৰযুক্তি শ্ৰেণীৰ প্ৰয়োজন যিয়ে চিমনীৰ পৰা বা আনকি বায়ুৰ পৰাও কাৰ্বন-ডাই-অক্সাইড টানি আনিব আৰু ইয়াক ব্যৱহাৰযোগ্য পদাৰ্থলৈ ৰূপান্তৰিত কৰিব বা মাটিৰ তলত সংৰক্ষণ কৰিব পাৰিলেহে কাৰ্বন নিৰ্গমন হ্ৰাস কৰাত সফল হ'ব পৰা যাব।

অত্যন্ত খৰচী আৰু প্ৰমাণহীন বুলি বহুতে যদিও এই চি চি ইউ এৰ প্ৰক্ৰিয়াৰ বহুতেই বিৰোধিতা কৰিছে, শেহতীয়াকৈ ভবা হৈছে ইয়েই বহু দূৰ পৰ্যন্ত অত্যন্ত ক্ৰিয়াশীল হ'ব। ২০১৬ত 'ছাইন্স' আলোচনীত প্ৰকাশিত এটা প্ৰৱন্ধৰ মতে কাৰ্বন আৱদ্ধ কৰিবলৈ ব্যৱহাৰ কৰা অত্যন্ত ক্ৰিয়াশীল ৰাসায়নিক যৌগৰ দাম কমোৱা হ'ব। ২০১৬ত এক টন কাৰ্বন আৱদ্ধ কৰিবলৈ প্ৰয়োজন হোৱা ৰাসায়নিক যৌগৰ দাম এশ চিলিং আছিল, কিন্তু ২০২৫লৈ তাৰ দাম হ'ব ২০ চিলিং। কাৰ্বন নিৰ্গমন হ্ৰাস কৰিবলৈ নতুন ৰণকৌশল উদ্ভাৱন কৰি প্ৰয়োগ কৰাৰ কথাও ভবা হৈছে। এই সকলোবোৰৰ ভিতৰত আৱদ্ধ কাৰ্বনক সাৰলৈ ৰূপান্তৰিত কৰাটোৱে ভৱিষ্যতলৈ সংৰক্ষণ কৰাটো বেছি অনুপ্ৰাণিত কৰিব।

চি চি ইউ এছৰ অবিহনে পেৰিচ চুক্তিত চুক্তিবদ্ধ গোলকীয় উষ্ণতাৰ? ডিগ্ৰী ছেলচিয়াছ (৩.৬ ফাৰেনহাইট) উচ্চসীমাত সীমাৱদ্ধ কৰাটো নিশ্চয় সম্ভৱ নহয়। আৰ্ন্তজাতিক শক্তি এজেন্সীৰ মতে বহুতো দেশে তেওঁলোকৰ উদ্দেশ্যত সফলতা লাভ নকৰিলে। শক্তি এজেন্সীটোৱে গণনা কৰা মতে পৃথিৱীখনক উষ্মীভৱনৰ পৰা ৰক্ষা কৰিবৰলৈ ২০৫০লৈ কাৰ্বন আৱদ্ধকৰণ আৰু সংৰক্ষণৰ দ্বাৰা ১৩ শতাংশ কাৰ্বন হ্ৰাস কৰিব লাগিব।

এই ক্ষেত্ৰত, চি চি ইউ এছৰ তিনিটা মুখ্য পথে আমাক নেতৃত্ব দিব। সেয়া হ'ল-- জৈৱ ইন্ধনযুক্ত বৈদ্যুতিক উদ্যোগৰ দ্বাৰা অন্য শক্তি উদ্যোগবোৰৰ পৰা কাৰ্বন-ডাই-অক্সাইডৰ আৱৰণ গুচাই ৰিক্ত কৰাৰ পৰা পুনঃ সংযোজন কৰালৈকে কৰিব পাৰি। উদ্যোগত আৱদ্ধ কৰা নিৰ্গমনৰ কাৰ্বনক পুনঃ ব্যৱহাৰযোগ্য শক্তি হিচাপে ব্যৱহাৰ কৰিব নোৱাৰি। কাৰ্বনৰ পৰিমাণ কমাবলৈ প্ৰত্যক্ষভাৱে বায়ুৰ পৰাও কাৰ্বন আতঁৰাব লাগিব। বৈদ্যুতিক শক্তি, বিজুলী উৎপাদন গৃহৰ পৰা কাৰ্বন নিৰ্গমন চি চি ইউ এছৰ প্ৰযুক্তি ব্যৱহাৰ কৰি কাৰ্বন আৱদ্ধ কৰি ভৱিষ্যতে বেছি আকৰ্ষণীয় চক্ৰীয় কাৰ্বন অৰ্থনীতি গঠন কৰিব পাৰি য'ত আৱদ্ধ কাৰ্বনক বিক্ৰী কৰিব পাৰি আৰু অন্য ব্যৱহাৰৰ কাৰণে পুনঃ চক্ৰীকৰণ কৰিব পাৰি। উদাহৰণস্বৰূপে, কেঁচা সামগ্ৰীৰ সাকাৰ ৰূপ দিয়াত বা প্লাষ্টিক নিৰ্মাণত চি চি ইউ এছ প্ৰযুক্তিয়ে বিভিন্ন দেশৰ বৃহৎ উদ্যোগবিলাক কাৰ্বনমুক্ত কৰিবলৈ সহায় কৰিব। ইয়াৰ ভিতৰত চিমেন্ট, ধাতুৰ সংশোধন আৰু ৰাসায়নিক পদাৰ্থ বনোৱা উদ্যোগবোৰৰ পৰা নিৰ্গত কাৰ্বন, যিবোৰ আমেৰিকাই নিৰ্গমন কৰা কাৰ্বনৰ এক-চতুৰ্থাংশ, তদুপৰি বায়ুমণ্ডলৰ পৰা প্ৰত্যক্ষ কাৰ্বন অপসাৰণ প্ৰযুক্তিয়ে— যিয়ে চিমনীৰ পৰা কাৰ্বন-ডাই-অক্সাইড আৱদ্ধ কৰাতকৈ বায়ুমণ্ডলৰ পৰা আৱদ্ধ কৰি অন্য পদাৰ্থলৈ ৰূপান্তৰ কৰিব, উদ্যোগৰ পৰা নিৰ্গমন হোৱা কাৰ্বন-ডাই-অক্সাইড গেছক সন্তুলিত কৰিব পাৰি কিন্তু অন্য কিছুমান বিশুদ্ধ প্ৰযুক্তিত নিসংকোচে ব্যৱহাৰ কৰিব নোৱাৰি, যেনে— কৃষিত।



কাৰ্বন আৱদ্ধকৰণৰ প্ৰাথমিক ধাৰণাটোৱেই যথেষ্ট বিৰোধৰ মুখামুখি হৈছে। সঞ্চয়বাদ আহে জলবায়ু পৰিবৰ্তনৰ বিৰোধিতাৰ পৰা, যিয়ে ভাৱে ইয়াৰ পৰা অৰ্থৰ অপচয় হৈছে আৰু আহে জলবায়ু ক্ৰিয়াৰ ভাবুক সমৰ্থকৰ পৰা যিয়ে জৈৱ ইন্ধন নিৰন্তৰভাৱে ব্যৱহাৰ কৰাত বিশ্বাসী। দুয়োটা দলেই শেহতীয়া উন্নতি আৰু কাৰ্বন অপসাৰণত সীমাৱদ্ধ ব্যয়ৰ দ্বাৰা বিশ্বই হেৰুৱাব পাৰে অৰ্থনীতি সবল কৰাৰ পথ।

বিদ্যুৎখণ্ড আৰু বিভিন্ন উদ্যোগৰ পৰা নিৰ্গমন হোৱা কাৰ্বন হ্ৰাসকৰণৰ বাবে চি চি ইউ এছয়ে বিভিন্ন পৰ্যায়ৰ পদ সৃষ্টি কৰিব পাৰিব আৰু অতীততে কেৱল নষ্ট হোৱা পদাৰ্থৰে কাৰ্বনক লৈ বৃহৎ অৰ্থনীতি গঢ়িব পৰা যাব।

চি চি ইউ এছৰ সফলতাৰ বাবে, গণতান্ত্ৰিক চৰকাৰে উদ্যোগবোৰক প্ৰাথমিক গৱেষণা আৰু উন্নতিৰ বাবে প্ৰদান কৰা সাহাৰ্য বন্ধ কৰিব লাগিব আৰু যিয়ে এই প্ৰযুক্তি গ্ৰহণ কৰিছে তেওঁলোকক প্ৰেৰণাদায়ক বৃত্তীয় সাহায্য যেনে- কৰ ৰেহাই দিয়া ইত্যাদি কামবোৰ কৰিব লাগিব। ট্ৰাম্প চৰকাৰে প্ৰস্তাৱিত ৭৬ শতাংশ অৰ্থ কমাই, চি চি ইউ এচৰ শক্তি বিভাগৰ গৱেষণা আৰু উন্নয়নৰ শক্তি কমাবলৈ বাৰে বাৰে যত্ন কৰিছে; কিন্তু এই সাহায্য সুৰক্ষিত হোৱা উচিত।

**চি চি ইউ এছৰ সফলতাৰ বাবে, গণতান্ত্ৰিক চৰকাৰে উদ্যোগবোৰক প্ৰাথমিক গৱেষণা আৰু উন্নতিৰ বাবে প্ৰদান কৰা সাহাৰ্য বন্ধ কৰিব লাগিব আৰু যিয়ে এই প্ৰযুক্তি গ্ৰহণ কৰিছে তেওঁলোকক প্ৰেৰণাদায়ক বৃত্তীয় সাহায্য যেনে- কৰ ৰেহাই দিয়া ইত্যাদি কামবোৰ কৰিব লাগিব। ট্ৰাম্প চৰকাৰে প্ৰস্তাৱিত ৭৬ শতাংশ অৰ্থ কমাই, চি চি ইউ এচৰ শক্তি বিভাগৰ গৱেষণা আৰু উন্নয়নৰ শক্তি কমাবলৈ বাৰে বাৰে যত্ন কৰিছে; কিন্তু এই সাহায্য সুৰক্ষিত হোৱা উচিত**

২০১৮ৰ ফেব্ৰুৱাৰীত গৃহীত হোৱা বিলখনৰ চৰ্ত অনুসৰি নিসন্দেহে এই সাহায্য সুৰক্ষিত হোৱাৰ আশা আছে। বিলখন ছিনেটত বিৰোধী দলবোৰৰ দ্বাৰা সৰ্বোত্তম বিল বুলি গৃহীত হ'ল। তাত উল্লেখ কৰা প্ৰেৰণাদায়ক কৰ চি চি ইউ এছক অৰ্থনৈতিকভাৱে সবল বনোৱাত এক প্ৰয়োজনীয় খোজ বুলি অভিহিত কৰিব পাৰি। একেখিনি বিৰোধী ছিনেট সভাৰ সদস্যৰ দলে চি চি ইউ এছ প্ৰযুক্তি পৰিবৰ্দ্ধন কৰাত সমৰ্থন কৰে যদিও তেওঁলোকে কয় যে চুক্তিখনত গৱেষণা আৰু উন্নয়নৰ বাবে প্ৰত্যক্ষ বিত্তীয় সাহায্য প্ৰদান কৰাৰ কথা উল্লেখ কৰিব লাগে। উন্নয়ন আৰু প্ৰয়োগৰ সফলতাৰ মাপকাঠীৰ জোখ-মাখ কৰি পুৰস্কাৰ দিয়াৰ আঁচনি গ্ৰহণৰ পোষকতা কৰে। কাৰ্বন নিৰ্গমনক বিশুদ্ধ শক্তিলৈ পৰিবৰ্তন কৰাটো অনিবাৰ্য; কিন্তু সমাধানৰ বহল বিস্তাৰ অবিহনে গভীৰ কাৰ্বন অপসাৰণ কৰি সেই পৰিৱৰ্তনৰ সামৰ্থ্য পাবলৈ ব্যৰ্থ হ'ব, যিটো চি চি ইউ এছয়ে কৰাটো অত্যন্ত জৰুৰী।

*ফোন ঃ ৯৮৫৪৪৯২৩২৬*

**ডিব্ৰুগড়ৰ নাগৰিকসকলৰ মাজত যি সচেতনতা দেখিবলৈ পোৱা গৈছিল, সেয়া লক্ষ্যণীয়। ডিব্ৰুগড় নাগৰিক সংঘৰ লেখীয়া সংগঠনৰ প্ৰয়োজনীয়তা অসমৰ প্ৰতিখন নগৰ আৰু চহৰতে প্ৰয়োজন। ড০ ভূপেন হাজৰিকাই অসম আন্দোলনৰ সময়ত সেয়েহে কে'বাস্থানতো সংসদীয় ৰাজনীতিত নাগৰিকৰ 'প্ৰেছাৰ গ্ৰুপ'ৰ প্ৰয়োজনীয়তা উল্লেখ কৰিছিল। এখন ৰাজ্যৰ সমাজ-সংস্কৃতি-সাহিত্যৰ উন্নতিকল্পে 'প্ৰেছাৰ গ্ৰুপে' যিমানখিনি কাম কৰিব পাৰে, একোজন বিধায়ক বা সাংসদেও সিমানখিনি কৰাটো সম্ভৱ নহয়।**

## ডিব্ৰু নৈ আৰু দুয়োফালৰ গড়ৰ সমাহাৰেই

# ডিব্ৰুগড়! ডিব্ৰুগড়!



**বিশ্বজিৎ বৰুৱা**

**অসমৰ** বুকুত চিটীবাছৰ চলাচল প্ৰথমবাৰৰ বাবে ডিব্ৰুগড়তেই আৰম্ভ হৈছিল। উত্তৰ-পূৰ্বাঞ্চলৰ বৃহৎ অঞ্চল সামৰি উন্নত স্বাস্থ্য, শিক্ষা আৰু চিকিৎসাৰ এখনেই মাত্ৰ অনুষ্ঠান আছিল, সেয়া হৈছে ডাঃ বেৰী হোৱাইটৰ মেডিকেল স্কুল। স্বাধীনতা প্ৰাপ্তিৰ মুহূৰ্তলৈকে অসমত জটিল ৰোগৰ চিকিৎসাৰ বাবে কোনো অনুষ্ঠান নাছিল। শদিয়াৰ পৰা ধুবুৰীলৈকে, টাৱাঙৰ পৰা শিলচৰলৈকে— জটিল ৰোগৰ চিকিৎসাৰ বাবে ৰোগীক লৈ যাবলগীয়া হৈছিল কলিকতা, ঢাকা অথবা চিলেটলৈ। অসমৰ প্ৰথমখন চিকিৎসা মহাবিদ্যালয় ডিব্ৰুগড়ত নে চিলেটত হ'ব, সেই লৈ যে কিমান যুঁজ-বাগৰ দিবলগীয়া হৈছিল, সেয়া পূৰ্বানুৱৰ্তী সংখ্যাত লিখিছোৱেই। আজি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ অভিজ্ঞ চিকিৎসক আৰু তেওঁলোকৰ অভিজ্ঞতাকে মূলধন কৰি গুৱাহাটী আৰু শিলচৰত দুখনকৈ চিকিৎসা মহাবিদ্যালয় হ'ল। এতিয়া জিলাই জিলাই চিকিৎসা মহাবিদ্যালয় খুলিবলৈও চৰকাৰে হাবিয়াস কৰিছে; কিন্তু আজিও জটিল ৰোগৰ চিকিৎসাৰ বাবে ৰোগী কলিকতা, মুম্বাই অথবা চেন্নাইলৈ কিয় গৈ থাকিবলগীয়া হৈছে, সেয়া চিন্তনীয় বিষয়। অসম চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়খনি তাহানিতে যক্ষ্মাৰোগ, কেন্সাৰ ৰোগ আদিৰ বাবে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰে নহয়, বৰঞ্চ বংগ-উৰিষ্যাৰ বহু অঞ্চলৰ বাবে ৰেফাৰ্ড চেন্টাৰ আছিল।

আন্তৰ্জাতিক জাৰ্ণেলসমূহতো ডিব্ৰুগড়ক আজিও মেডিকেল টাউন হিচাপেই উল্লেখ কৰা হয়; কিন্তু নাগৰিকৰ দীৰ্ঘদিনীয়া দাবী— এই চিকিৎসা মহাবিদ্যালয়ক কেন্দ্ৰীয় বিশ্ববিদ্যালয় অথবা চণ্ডীগড়ৰ পি জি আইৰ আৰ্হিত প'ষ্ট গ্ৰেজুৱেট ইনষ্টিটিউটলৈ কিয় উন্নীত কৰিব পৰা নাই, সেয়া লক্ষ্যণীয় কথা। ১৯৯০তে এখন পত্ৰযোগে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে অসম চিকিৎসা মহাবিদ্যালয়ক কেন্দ্ৰীয় বিশ্ববিদ্যালয় পৰ্যায়লৈ উন্নীত কৰাৰ আগ্ৰহ প্ৰকাশ কৰিছিল; কিন্তু অসম চৰকাৰে এই পৰ্যন্ত এখন মাষ্টাৰ প্লেন প্ৰস্তুত কৰি প্ৰেৰণ কৰিব পৰা নাই বুলি জানিব পাৰিলো। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ ইউ১২০১২/১৪/৯০ এম ই পত্ৰখন আমাৰ হাতত দি একাংশ নাগৰিকে অভিযোগ কৰিছে যে কেন্দ্ৰীয় চৰকাৰৰ আগ্ৰহৰ বিপৰীতে আমি কিয় নীৰৱ হৈ ৰৈছো, সেয়া আশ্চৰ্যজনক। পত্ৰখনত উল্লেখ আছে ঃ As regards upgradation of Assam Medical College into a Post Graduate Institution or a University, the matter must be taken up with Assam government who may put up necessary proposals to the govt. of India. ডিব্ৰুগড়ৰ নাগৰিকে বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ টেবুললৈ লৈ যাবলৈ অসম চৰকাৰক বাৰম্বাৰ স্মাৰকপত্ৰ প্ৰদান কৰি আহিছে বুলিও জানিব পাৰিলো; কিন্তু বিষয়টো সেই তেতিয়াৰ পৰাই একে স্থানতে স্থবিৰ হৈ ৰৈছে বুলি অভিযোগ লাভ কৰিলো। ডিব্ৰুগড়ত এতিয়াও পুৰণিকলীয়া যন্ত্ৰপাতিৰে পুৰণি অসম চিকিৎসা মহাবিদ্যালয়খনৰ বাদে অন্য ছুপাৰ স্পেছিয়েলিটি হাস্পতাল নাই। গুৱাহাটীত চৰকাৰী পৰ্যায়ত স্থাপিত চিকিৎসালয়ৰ উপৰি অসংখ্য ব্যক্তিগত ভিত্তিত স্থাপিত চিকিৎসালয়ৰ পৰা ৰোগী উপকৃত হৈ আহিছে; কিন্তু বায়ু-পানীৰে স্বাস্থ্যকৰ স্থান হিচাপে পৰিগণিত ডিব্ৰুগড়ত তথা কাষৰীয়া নগালেণ্ড-অৰুণাচলৰ জনগণেও ঢুকি পোৱাকৈ এখন উন্নত চিকিৎসালয় আজিও নথকাটো চিন্তাৰ কথা। উল্লেখ্য যে গুৱাহাটীৰ এখন উন্নত মানৰ চিকিৎসালয় সেৱা লাভ কৰিবলৈ প্ৰায় পাঁচশ কিলোমিটাৰ শ্বিলঙৰ উন্নত মানৰ চিকিৎসালয় গৈ পাবলৈ প্ৰায় ছশ কিলোমিটাৰ অতিক্ৰম কৰিব লাগে। আজিৰ যুগত স্বাস্থ্যসেৱা জনগণে সহজতে হাতেৰে ঢুকি পোৱাতে লাভ কৰাৰ আশা কৰাটো নিশ্চয় দুৰাশা নহয়।

**ঐতিহ্যমণ্ডিত ডিব্ৰুগড় চহৰৰ অতীত আৰু বৰ্তমানৰ কিছু ছৰ্ট শ্বট স্নেপ**



পুনৰ ঘূৰি যাওঁ অতীতৰ সুৱাস বিচাৰি। অসমৰ বুকুত প্ৰথম চিটীবাছৰ চলাচল ডিব্ৰুগড়ত আৰম্ভ হোৱাৰ পাছত ডিব্ৰুগড়ৰ কেইজনমান নাগৰিকৰ আহ্বানত চিটীবাছ মালিক সন্থাই এক প্ৰস্তাৱ গ্ৰহণ কৰিছিল। সেই মৰ্মে ডিব্ৰুগড়ৰ বুকুত চলি থকা সমূহ চিটীবাছৰ ৰং গাখীৰ বগা কৰি নীলা ৰঙৰ পাতি আঁকি দিছিল। চিকিৎসা কৰ্মীসকলে যিদৰে বগা আৰু নীলা ৰঙৰ সাজ পৰিধান কৰে, সেইদৰে ডিব্ৰুগড় নগৰৰ বুকুত চলাচল কৰা চিটীবাছসমূহো সজাই তোলা হৈছিল বগা আৰু নীলা ৰঙৰ ব্যৱহাৰেৰে। ইয়াৰ উদ্দেশ্য আছিল— সকলোৱে মনত জাগ্ৰত কৰি ৰখা যে ডিব্ৰুগড় এখন সফল মেডিকেল টাউন। বাহিৰৰ পৰা অহা মানুহৰ মনতো এই ধাৰণা আহে যে বিশাল ধৰিত্ৰীৰ এচুকৰ এই সৰু ধুনীয়া নগৰখন এখন সফল মেডিকেল টাউন। সকলোৱে মনত উপলব্ধি হয় আৰু নাগৰিকৰ মনতো এই দায়িত্ববোধ আহি পৰে যে বেলি ডুব নোযোৱা বিশাল ব্ৰিটিছ সাম্ৰাজ্যত ডিব্ৰুগড় নগৰেও এক সুকীয়া স্থান দখল কৰি আছে যি নাগৰিকক প্ৰতি মুহূৰ্ততে সোঁৱৰাই দিব পাৰে কৰ্তব্যবোধ। ৮০ৰ দশক পৰ্যন্ত ডিব্ৰুগড়ৰ বাট-পথত বগা ৰঙৰ নীলা পাৰি দিয়া চিটীবাছ দেখিবলৈ পোৱা গৈছিল। আজিৰ তাৰিখত অৱশ্যে ডিবৰুৰ বুকুত চিটীবাছ নাই, তাৰ স্থান দখল কৰিলে তিনিচুকীয়া বিক্ৰম গাড়ীয়ে। কৈ থওঁ ঃ ডিব্ৰুগড়ত প্ৰথম চিটীবাছ সেৱা আৰম্ভ কৰিছিল তিলক দুৱৰাই।

ডিব্ৰুগড়ৰ নাগৰিকসকলৰ মাজত যি সচেতনতা দেখিবলৈ পোৱা গৈছিল, সেয়া লক্ষ্যণীয়। ডিব্ৰুগড় নাগৰিক সংঘৰ লেখীয়া সংগঠনৰ প্ৰয়োজনীয়তা অসমৰ প্ৰতিখন নগৰ আৰু চহৰতে প্ৰয়োজন। ড° ভূপেন হাজৰিকাই অসম আন্দোলনৰ সময়ত সেয়েহে কে'বাস্থানতো সংসদীয় ৰাজনীতিত নাগৰিকৰ 'প্ৰেছাৰ গ্ৰুপ'ৰ প্ৰয়োজনীয়তা উল্লেখ কৰিছিল। এখন ৰাজ্যৰ সমাজ-সংস্কৃতি-সাহিত্যৰ উন্নতিকল্পে 'প্ৰেছাৰ গ্ৰুপে' যিমানখিনি কাম কৰিব পাৰে, একোজন বিধায়ক বা সাংসদেও সিমানখিনি কৰাটো সম্ভৱ নহয়। শাসনাধিষ্ঠিত চৰকাৰৰ কোনো এটা কাম কৰিবলৈ বা নকৰিবলৈ বাধ্য কৰাব পাৰে প্ৰেছাৰ গ্ৰুপেহে; কিন্তু ড° হাজৰিকাৰ হেজাৰটা উপদেশৰ কিমানটা অসমীয়া মানুহে মানিলে সেয়া আজি চিন্তা কৰিবলগীয়া কথা।

ঐতিহ্যমণ্ডিত ডিব্ৰুগড় চহৰখনলৈ কে'বাবাৰো সংকট আহিছিল। অশীতিপৰ এজন চাহ খেতিয়কে মোক কৈছিল তেওঁৰ চকুৰ সন্মুখতে হেজাৰ হেজাৰ বিঘা মাটিৰ চাহ খেতি কিদৰে ব্ৰহ্মপুত্ৰই কৰাল ৰূপ ধৰি গ্ৰাস কৰি নিছিল। কিদৰে নয়নাভিৰাম দৃশ্যৰ বৃহৎ বৃহৎ বঙলাবোৰ চকুৰ পচাৰতে ভৰা ব্ৰহ্মপুত্ৰৰ বুকুত অদৃশ্য হৈ গৈছিল। তেওঁ উদাস দৃষ্টিৰে বৰ্ণনা কৰি যোৱা পৰিৱেশ শুনি ময়ো যেন ঘূৰি যাওঁ ৫০ৰ দশকৰ সময়ছোৱালৈ। চোফাৰৰ বগা সাজ পিন্ধা ড্ৰাইভাৰজনে সদায় আবেলি তেওঁক লৈ গৈছিল সেই স্থানলৈ। পল্টন বজাৰ পাঁচ আলিয়েদি উত্তৰলৈ যোৱা পথেৰে গড়কাপ্টানী বিভাগৰ সুদৃশ্য বঙলাবোৰৰ কাষেদি পাৰ হৈ যোৱা পকী পথটো গুচি গৈছে মাইজাল-মথলা-গ্ৰীণউড্ হৈ মহাযুদ্ধই বিখ্যাত কৰা নাডুৱা পৰ্যন্ত। কি যে সুন্দৰ নয়নাভিৰাম দৃশ্যৰাজি। ভৰা লুইতৰ বুকুত উদিত অথবা অস্তমিত সূৰ্যৰ খেলা যদি কোনোবাই দেখিছে তেন্তে তেৱেঁই হয়তো পৃথিৱীৰ এজন সৌভাগ্যশালী ব্যক্তি। পল্টন বজাৰেদি পাক মাৰি গাখীৰ বগা, আনকি গাখীৰ বগা ছিটক'ভাৰ আৰু ধূলি অকণো যেন লাগি নথকা বগা পট্টিৰ চকাৰ এম্বেছাডৰ গাড়ীখন পাঁচ আলিয়েদি পাক মাৰি সদায় আবেলি গুচি যায় মাইজান-মথলাৰ দিশে। নাই, বেলি ডুবাৰ কোনো হিয়া-মন জুৰোৱা দৃশ্য চাবলৈ নাযায়— গাড়ীখনৰ পিছ ছিটৰ একেই গাখীৰ বগা সাজ পিন্ধি যোৱা ধনাঢ্য ব্যক্তিজন। তেওঁ প্ৰতিদিনে আবেলি চাবলৈ যায় ব্ৰহ্মপুত্ৰই সৃষ্টি কৰা ধ্বংসলীলা। এখন সুন্দৰ চহৰ কেনেদৰে এচাম এচামকৈ প্ৰকৃতিয়ে শেষ কৰি নিব পাৰে ঃ প্ৰকৃতিৰ কি সংহাৰী ৰূপ, সেই দৃশ্য প্ৰত্যক্ষ কৰিবলৈ যায় তেওঁ। কেতিয়াবা চালকক গাড়ী ৰাখিবলৈ কয়। এটি ওখ শিলত বহি তন্ময় হৈ চায়— ব্ৰহ্মপুত্ৰৰ সংহাৰী ৰূপ। এটা ঘৰ বা এখন বাৰী— যদি আগদিনা দেখি আহিছিল, পিছদিনা আৰু আগবাঢ়িব নোৱাৰে। চিন-ছাবেই নাই সেই বাৰী বা ঘৰৰ। (আগলৈ)

*ফোন ঃ ৯৪৩৫০২৮০০৮*

## এনডিএৰ চৰকাৰ থকালৈকে বিহাৰৰ মুখ্যমন্ত্ৰী হৈ থাকিব নীতিশ ঃ জে ডি (ইউ)ৰ ঘোষণা



**নিউজ ব্যুৰ', পাটনা, ৬ এপ্ৰিল ঃ** বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে আঞ্চলিক ৰাজনীতি ত্যাগ কৰি ৰাষ্ট্ৰীয় ৰাজনীতিত ব্যস্ত হ'ব বুলি এক বাতৰি শেহতীয়াভাৱে যথেষ্ট চৰ্চিত হৈছে। নীতিশৰ স্থানত বিহাৰৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী কোন হ'ব বুলিও সামাজিক মাধ্যমত প্ৰশ্ন উত্থাপিত হৈছে। এনে পৰিস্থিতিতে বিহাৰ বিজেপিৰ সভাপতি ডাঃ সঞ্জয় জয়ছোৱালে মন্তব্য কৰি কয় যে বৰ্তমানে নীতিশ বিহাৰৰ মুখ্যমন্ত্ৰী যদিও ২০২৫ৰ পাছত তেওঁ মুখ্যমন্ত্ৰী হৈ থাকিব নে নাই সেয়া তেওঁৰ জ্ঞাত নহয়। নীতিশ বিহাৰৰ মুখ্যমন্ত্ৰী হৈ থাকিব নে নাই এই প্ৰসংগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে নীতিশৰ দল জে ডি (ইউ)-এ। জে ডি (ইউ)ৰ নেতা তথা বিহাৰৰ মন্ত্ৰী বিজেন্দ্ৰ প্ৰসাদ যাদৱে আজি কয় যে নীতিশক লৈ দলে কোনো ধৰণৰ বুজাবুজিত উপনীত হ'ব নোৱাৰে। মন্ত্ৰীজনে কয় যে যেতিয়ালৈকে বিহাৰত এন ডি এৰ চৰকাৰ থাকিব, তেতিয়ালৈকে নীতিশ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হৈ থাকিব।

## হিজাব বিতৰ্কত প্ৰতিবাদী মুস্কানক প্ৰশংসা আল-কায়দাৰ



নিউজ ব্যুৰ', বাংগালুৰু, ৬ এপ্ৰিল ঃ কৰ্ণাটকৰ এখন কলেজত এদল উন্মত্ত হিন্দুত্ববাদী যুৱকৰ 'জয় শ্ৰীৰাম' ধ্বনিৰ সন্মুখত 'আল্লাহু আকবৰ' শ্ল'গান দি সংবাদ শিৰোনাম দখল কৰিছিল বোৰ্খা পৰিহিতা এগৰাকী ছাত্ৰীয়ে। সামাজিক মাধ্যমৰ জৰিয়তে ভাইৰেল হোৱা মুস্কান খান নামৰ উক্ত ছাত্ৰীগৰাকীয়ে শিক্ষানুষ্ঠানলৈ হিজাব পৰিধান কৰি অহাৰ সপক্ষে প্ৰতিবাদ জনাইছিল। এই মুস্কানকে ভূয়সী প্ৰশংসা কৰিলে কুখ্যাত সন্ত্ৰাসবাদী সংগঠন আল-কায়দাৰ মুৰব্বী আয়মান আল-জৱাহৰিগিৰিয়ে। এক ভিডিঅ'ত মুস্কানৰ সন্দৰ্ভত মন্তব্য কৰি জৱাহৰিগিৰিয়ে ছাত্ৰীগৰাকীৰ সাহসক প্ৰশংসা কৰি কবিতা পাঠো কৰে। অ'ছামা বিন লাডেনৰ মৃত্যুৰ পাছৰে পৰা আল-কায়দাৰ মুৰব্বীৰ দায়িত্ব বহন কৰি আহিছে জৱাহৰিগিৰিয়ে। একাধিকবাৰ জৱাহৰিগিৰিৰ মৃত্যুৰ বাতৰি প্ৰচাৰিত হৈছিল যদিও এইবাৰ পুনৰ ভিডিঅ'ত মুস্কানক প্ৰশংসা কৰি আল-কায়দাৰ মুৰব্বীয়ে তেওঁ জীৱিত থকাৰ প্ৰমাণ দিলে।

## বুছা গণহত্যা প্ৰসংগত নিৰপেক্ষ তদন্তৰ দাবী ভাৰতৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ৬ এপ্ৰিল ঃ** ইউক্ৰেইনৰ বুছা চহৰত ৰাছিয়াৰ সেনাবাহিনীয়ে সংঘটিত কৰা নাৰকীয় হত্যাকাণ্ডৰ প্ৰসংগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে ভাৰতে। বুছা গণহত্যাক তীব্ৰ গৰিহণা দি ভাৰতে এই বিষয়ত স্বাধীন নিৰপেক্ষ তদন্তৰ আহ্বান জনালে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ বৈঠকত ভাৰতৰ ৰাষ্ট্ৰদূত টি এছ তিৰুমূৰ্তিয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এইদৰে কয়, 'সম্প্ৰতি ইউক্ৰেইনৰ বুছা চহৰত যথেষ্টসংখ্যক লোকৰ মৃত্যু হোৱাৰ খবৰ লাভ কৰা হৈছে আৰু ই উদ্বেগজনক। আমি এই হত্যাকাণ্ডক গৰিহণা জনাইছো আৰু ঘটনাৰ সুস্থ তদন্তৰ দাবীক সমৰ্থন কৰো।' ইউক্ৰেইন-ৰাছিয়াৰ যুদ্ধত ভাৰতে নিজৰ পূৰ্বৰ স্থিতি বাহাল ৰখা বুলি জানিবলৈ দি তিৰুমূৰ্তিয়ে কয় যে উভয় দেশৰ মাজত যুদ্ধ অবিলম্বে সমাপ্ত হোৱা উচিত। উল্লেখ্য যে ৰাছিয়াই দখল কৰা বুছা চহৰত অলপতে এক বৃহৎ গণসমাধিৰ সন্ধান লাভ কৰা হৈছিল আৰু ৰুছ সেনাই ইউক্ৰেইনৰ নাগৰিকক গণহত্যা কৰি এইদৰে সমাধিস্থ কৰাৰ অভিযোগ উত্থাপিত হৈছে। ব্ৰিটেইন, আমেৰিকা, ফ্ৰান্স, জাৰ্মানী আৰু নাটোৰ সদস্য দেশসমূহে বুছা গণহত্যাকাণ্ডক তীব্ৰ নিন্দা কৰিছে।



## পুনৰ দেশত বৃদ্ধি কৰ'নাৰ সংক্ৰমণ, মৃত্যু ৭১ জনলৈ বৃদ্ধি



**নিউজ ব্যুৰ', নতুন দিল্লী, ৬ এপ্ৰিল ঃ** দেশত পুনৰ ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ক'ভিড আক্ৰান্ত হ'ল ১,০৮৬ জন লোক। মঙলবাৰে দেশত ক'ভিডৰ সংক্ৰমণ ৮০০ৰ তললৈ নামিছিল। বৰ্তমানে ভাৰতত ১১,৮৭১ জন সক্ৰিয় ক'ভিড ৰোগী আছে। ইফালে, বিগত ২৪ ঘণ্টাত কৰ'না ভাইৰাছত আক্ৰান্ত ৰোগীৰ মৃত্যুৰ সংখ্যাও ৭১ জনলৈ বৃদ্ধি পালে। যোৱা মঙলবাৰে ৫৮ জন ক'ভিড ৰোগীৰ দেশত মৃত্যু হৈছিল।

## পুলৱামাত সেনাৰে সংঘৰ্ষত দুই 'ম'ষ্ট ৱাণ্টেড' সন্ত্ৰাসবাদীৰ মৃত্যু



**নিউজ ব্যুৰ' শ্ৰীনগৰ, ৬ এপ্ৰিল ঃ** পুনৰ সেনা আৰু সন্ত্ৰাসবাদীৰ সংঘৰ্ষত উত্তপ্ত হৈ উঠিল জম্মু-কাশ্মীৰৰ পুলৱামা। যোৱা নিশা পুলৱামাত সেনাৰ স'তে হোৱা সন্ত্ৰাসবাদীৰ গুলীয়াগুলিৰ ঘটনাত প্ৰাণ হেৰুৱালে লস্কৰ-ই-তৈবাৰ দুজন ম'ষ্ট ৱাণ্টেড সন্ত্ৰাসবাদীয়ে। মৃত দুই সন্ত্ৰাসবাদীৰ নাম ছাফাত মুজাফ্ফৰ ছ'ফি আৰু ওমৰ তেলী। কাশ্মীৰ আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি একাধিক সন্ত্ৰাস আক্ৰমণৰ ঘটনাত জড়িত ছাফাত আৰু ওমৰ আৰক্ষীৰ ম'ষ্ট ৱাণ্টেড সন্ত্ৰাসবাদীৰ তালিকাত আছিল। লস্কৰৰ লগতে আনছাৰ গাজৱাত উল হিন্দ নামৰ সন্ত্ৰাসবাদী সংগঠনৰ স'তেও মৃত দুই সন্ত্ৰাসবাদী জড়িত আছিল।

**এবছৰত চীনত ৮৭ জন, ৰাছিয়াত ৩৪ জন অৰ্বুদপতি হ্ৰাস ঃ সৰ্বাধিক ৭৩৫ জন অৰ্বুদপতি আমেৰিকাৰ**

## ফ'ৰ্বছৰ অৰ্বুদপতিৰ তালিকাত শীৰ্ষ ১০ত পুনৰ আম্বানী

**নিউজ ব্যুৰ' নতুন দিল্লী, ৬ এপ্ৰিল ঃ** বিশ্বৰ সবাতোকৈ ধনী ব্যক্তিৰ তালিকাত পুনৰ দশম স্থান লাভ কৰিলে ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ মুৰব্বী মুকেশ আম্বানীয়ে। আনহাতে, একাদশ স্থানত আছে আদানী গ্ৰুপৰ স্বত্বাধিকাৰী গৌতম আদানী। ফ'ৰ্বছৰ বাৰ্ষিক অৰ্বুদপতিৰ তালিকাৰ শীৰ্ষ স্থানত আছে টেছলা আৰু স্পেচএক্সৰ মুখ্য কাৰ্যবাহী বিষয়া এলন মাস্ক। যোৱা বছৰত এই তালিকাত শীৰ্ষ স্থানত আছিল এমেজনৰ প্ৰতিষ্ঠাপক জেফ বেজ'ছ। বিশ্বৰ সবাতোকৈ ধনী ব্যক্তিৰ ৩৬ সংখ্যক বাৰ্ষিক তালিকাখনত বিশ্বৰ বিভিন্ন দেশৰ ২,৬৬৮ জন অৰ্বুদপতিৰ নাম অন্তৰ্ভুক্ত হৈছে। বাণিজ্য বিষয়ক আলোচনী ফ'ৰ্বছৰ মতে, যুদ্ধ, মহামাৰী আৰু মন্থৰ বজাৰৰ প্ৰভাৱত বিশ্বৰ অতি ধনাঢ্য লোকৰ উপাৰ্জন প্ৰভাৱিত হৈছে। অৱশ্যে যোৱা বছৰৰ তুলনাত এই বছৰত



১,০০০ জন অৰ্বুদপতিৰ সংখ্যা বাঢ়িল। অৰ্বুদপতিসকলৰ মাজত ২৩৬ জন নতুন অৰ্বুদপতি। তালিকাখনত অন্তৰ্ভুক্ত সৰ্বাধিকসংখ্যক অৰ্বুদপতি হৈছে আমেৰিকাৰ। তালিকাত ৭৩৫ জন মাৰ্কিন অৰ্বুদপতিয়ে স্থান লাভ কৰিলে। ইফালে, ৰাছিয়া আৰু চীনত অৰ্বুদপতিৰ সংখ্যা হ্ৰাস পালে। ফ'ৰ্বছৰ দাবী অনুসৰি, ভ্লাডিমীৰ পুটিনৰ ইউক্ৰেইন আগ্ৰাসনৰ পাছত বিভিন্ন নিষেধাজ্ঞাৰ পৰিণতিত ৰাছিয়াত বিগত বৰ্ষৰ তুলনাত চলিত বৰ্ষত ৩৪ জন অৰ্বুদপতি হ্ৰাস পালে। চীনতো ৮৭ জন অৰ্বুদপতি হ্ৰাস পাইছে।

## এইবাৰ হিমাচল প্ৰদেশত শক্তি প্ৰদৰ্শন আপৰ



**নিউজ ব্যুৰ', ছিমলা, ৬ এপ্ৰিল ঃ** পঞ্জাৱ জয়ৰ পাছত আজি হিমাচল প্ৰদেশত শক্তি প্ৰদৰ্শন কৰিলে অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আম আদমী পাৰ্টি (আপ)য়ে। হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী জয়ৰাম ঠাকুৰৰ গৃহজিলা ভিক্টোৰিয়াপুলত আজি আপে ৰোডশ্ব' অনুষ্ঠিত কৰে। আপৰ মুৰব্বী কেজৰিৱালৰ লগতে পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানেও এই ৰোডশ্ব'ত অংশ লয়। আপৰ ৰোডশ্ব'ত যথেষ্টসংখ্যক সমৰ্থকে অংশ লৈছিল। অনুষ্ঠানত অংশ লৈ কেজৰিৱালে কয় যে হিমাচল প্ৰদেশলৈ আহি তেওঁ যথেষ্ট আনন্দ অনুভৱ কৰিছে। আপৰ মুৰব্বীয়ে লগতে কয় যে তেওঁ ৰাজনীতি কৰিব নাজানে, কেৱল দেশভক্তিহে জানে। 'আমি ৰাজনীতি নাজানো, দেশভক্তিহে জানো। প্ৰথমে দিল্লীত পৰিৱৰ্তন আনিলো আৰু এতিয়া পঞ্জাৱত আৰম্ভ হৈছে। এইবাৰ আমি হিমাচল প্ৰদেশত পৰিৱৰ্তন আনিম। আমাক এক সুযোগ দিয়ক। আপোনালোকে আন দলবোৰক ইমান বছৰে দেখা পালে। এবাৰ আমাকো সুযোগ দি চাওক। আপোনালোকে পাৰ্থক্য দেখা পাব।' কেজৰিৱালে ৰোডশ্ব'ত অংশ লৈ হিমাচল প্ৰদেশবাসীক আজি এইদৰে প্ৰতিশ্ৰুতি দিয়ে।

## ঋণ গ্ৰহণত ইমৰান চৰকাৰৰ অভিলেখ, তিনি বছৰত ৪২.৮ ট্ৰিলিয়ন টকালৈ বৃদ্ধি পাকিস্তানৰ বৈদেশিক ঋণ



**নিউজ ব্যুৰ', ইছলামাবাদ, ৬ এপ্ৰিল ঃ** 'নয়া পাকিস্তান' গঠনৰ প্ৰতিশ্ৰুতিৰে পাকিস্তানৰ ক্ষমতা দখল কৰা ইমৰান খানে ইতিমধ্যে ক্ষমতা হেৰুৱালে। পাকিস্তানত চৰকাৰ গঠনৰ পূৰ্বে তেহৰিক-ই-ইনছাফ দলৰ মুৰব্বী ইমৰানে কৈছিল যে তেওঁ বিদেশৰ পৰা ঋণ গ্ৰহণ নকৰে। কিন্তু বাস্তৱত বিগত চাৰে তিনি বছৰৰ শাসন কালত ইমৰান চৰকাৰে বিদেশৰ পৰা ঋণ গ্ৰহণৰ ক্ষেত্ৰত সৰ্বকালৰ নতুন অভিলেখ ৰচিলে। ইমৰানে তেওঁৰ কাৰ্যকালত বৰ্তমানলৈকে ১৮ ট্ৰিলিয়ন পাকিস্তানী টকাৰ বৈদেশিক ঋণ গ্ৰহণ কৰি দেশখনক দেউলীয়া কৰিলে। বিগত ৭৫ বছৰৰ ইতিহাসত পাকিস্তানৰ আন কোনো চৰকাৰে ইমান বৃহৎ পৰিমাণৰ ঋণ গ্ৰহণ কৰা নাছিল। এই তথ্য প্ৰকাশ কৰিলে পাকিস্তানৰ কেন্দ্ৰীয় বেংক হিচাপে পৰিচিত ষ্টেট বেংক অৱ পাকিস্তানী। ইমৰানে বৃহৎ পৰিমাণৰ ঋণ গ্ৰহণ কৰাৰ ফলত পাকিস্তানৰ মুঠ বৈদেশিক ঋণৰ পৰিমাণ ২০২২ৰ ফেব্ৰুৱাৰীত ৪২.৮ ট্ৰিলিয়ন পাকিস্তানী টকালৈ বৃদ্ধি পালে। ইমৰানে পাকিস্তানৰ ক্ষমতা দখল কৰাৰ পূৰ্বে ১০ বছৰত পি এম এল এন আৰু পি পি পি দলৰ চৰকাৰে ১৮ ট্ৰিলিয়ন পাকিস্তানী টকাৰ ঋণ গ্ৰহণ কৰিছিল।

## দেশজুৰি নৱৰাত্ৰিত মাংসৰ বিপণী বন্ধৰ দাবী বিজেপি সাংসদৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৬ এপ্ৰিল ঃ** কেৱল দিল্লীতে নহয়, নৱৰাত্ৰি উপলক্ষে সমগ্ৰ দেশতে মাংসৰ বিপণী বন্ধ ৰখাৰ দাবী উত্থাপন কৰিলে বিজেপিৰ সাংসদ পাৰভেছ ছাহেব সিং ভাৰ্মাই। উল্লেখ্য যে বিজেপি পৰিচালিত দক্ষিণ দিল্লী পৌৰ নিগমে নৱৰাত্ৰি উপলক্ষে অহা ১১ এপ্ৰিললৈকে সকলো মাংসৰ বিপণী বন্ধ ৰাখিবলৈ এক নিৰ্দেশনা জাৰি কৰিছিল। বিজেপিৰ সাংসদ ভাৰ্মাই পৌৰ নিগমৰ এই নিৰ্দেশনাক আদৰণি জনাই এক বিবৃতিত কয়, ' দিল্লী পৌৰ নিগমৰ সিদ্ধান্তক স্বাগতম জনাইছো। নৱৰাত্ৰিৰ সময়ত সমগ্ৰ দেশতে মাংসৰ বিপণী বন্ধ ৰখা উচিত।' বিজেপি সাংসদৰ এই মন্তব্যক লৈ সামাজিক মাধ্যমত দেশজুৰি ব্যাপক প্ৰতিক্ৰিয়া অব্যাহত আছে।

## প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ওমৰৰ প্ৰশ্ন, ৰমজানত অমুছলমানে উপবাস কৰিব নে?



**নিউজ ব্যুৰ' শ্ৰীনগৰ, ৬ এপ্ৰিল ঃ** নৱৰাত্ৰি উপলক্ষে দুই এপ্ৰিলৰ পৰা ১১ এপ্ৰিললৈকে দিল্লীৰ একাধিক অঞ্চলত মাংসৰ বিপণী বন্ধ ৰখাৰ নিৰ্দেশ দিলে পৌৰ নিগমে। এই সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে জে কে এন চিৰ নেতা ওমৰ আব্দুল্লাই। এক নিৰ্দেশনাত পৌৰ নিগমে এইদৰে কয়, 'নৱৰাত্ৰিৰ সময়ত মানুহে মন্দিৰলৈ গৈ নিজৰ লগতে পৰিয়ালৰ বাবে ভগৱানৰ আশীৰ্বাদ গ্ৰহণ কৰে। এই সময়ত দিল্লীৰ ৯৯ শতাংশ মানুহে পিঁয়াজ-নহৰু খোৱাৰ পৰাও আঁতৰি থাকে। ফলত এই দিনকেইটাত প্ৰকাশ্যে বা মন্দিৰৰ ওচৰত মাংস বিক্ৰী হোৱাৰ দৃশ্য দিল্লীবাসীয়ে প্ৰত্যক্ষ কৰিব নিবিচাৰে। সেয়েহে দুই-১১ এপ্ৰিললৈকে মাংসৰ বিপণী বন্ধ ৰখাৰ নিৰ্দেশ দিয়া হৈছে।' পৌৰ নিগমৰ এই সিদ্ধান্তৰ বিৰোধিতা কৰি আব্দুল্লাই টুইটাৰত কয়, 'ৰমজানত আমি সূৰ্যোদয়ৰ পৰা সূৰ্যাস্তলৈকে কোনো খাদ্য গ্ৰহণ নকৰো। মোৰ মতে তেন্তে প্ৰতিজন অমুছলমানক ৰমজানত খাদ্য গ্ৰহণৰ পৰা বিৰত ৰখা প্ৰয়োজন হ'ব। বিশেষকৈ মুছলমানপ্ৰধান অঞ্চলত। যদি সংখ্যাগৰিষ্ঠতা দিল্লীৰ ক্ষেত্ৰত প্ৰযোজ্য হয়, তেন্তে সেয়া জম্মু-কাশ্মীৰৰ ক্ষেত্ৰতো প্ৰযোজ্য।'

## ৰাছিয়াৰ পৰা অস্ত্ৰ আমদানি হ্ৰাস কৰক ভাৰতে, সকীয়নি আমেৰিকাৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৬ এপ্ৰিল ঃ** ৰাছিয়াৰ পৰা ভাৰতে অস্ত্ৰৰ আমদানি হ্ৰাস কৰক। ইউক্ৰেইন যুদ্ধৰ মাজতে নতুন দিল্লীক এইদৰে দৰে কঠোৰ বাৰ্তা দিলে আমেৰিকাই। মাৰ্কিন প্ৰতিৰক্ষা সচিব লয়েড অস্তিনে স্পষ্টভাৱে কয় যে ৰাছিয়াৰ পৰা ভাৰতে অস্ত্ৰ ক্ৰয় হ্ৰাস কৰাটো আমেৰিকাই বিচাৰিছে। ইউক্ৰেইন-ৰাছিয়া যুদ্ধৰ পৰিপ্ৰেক্ষিতত সম্প্ৰতি ভাৰত আৰু আমেৰিকাৰ মাজত এক সংঘাতে দেখা দিছে। ৱাশ্বিংটনৰ দাবী অনুসৰি ৰাছিয়াৰ সংগ ত্যাগ কৰি ভাৰতে ইউক্ৰেইন যুদ্ধৰ বিৰোধিতা কৰক। ৰাছিয়াৰ পৰা ভাৰতে খাৰুৱা তেলৰ আমদানি বৃদ্ধি কৰাৰ বাবে লোৱা সিদ্ধান্তৰো তীব্ৰ বিৰোধিতা কৰিছে জ' বাইডেনৰ প্ৰশাসনে। আমেৰিকাৰ কথা নামানিলে ভৱিষ্যতে ভাৰতে সমস্যাৰ সন্মুখীন হ'ব পাৰে বুলিও ৱাশ্বিংটনে সকীয়াই দিছে।

## সেনাপ্ৰধানক অপসাৰণ কৰিব বিচাৰিছিল ইমৰানে ঃ সাংসদৰ অভিযোগ



**নিউজ ব্যুৰ', ইছলামাবাদ, ৬ এপ্ৰিল ঃ** পাকিস্তানত ইমৰান খানৰ চৰকাৰ পতনৰ পাছত দেশখনৰ ৰাজনৈতিক পৰিস্থিতি অস্থিৰ হৈ আছে। বিৰোধীয়ে ইমৰানবিৰোধী গতিবিধি তীব্ৰ কৰি তোলাৰ সময়তে স্বয়ং ইমৰানৰ দল পাকিস্তান তেহৰিক-ই-ইনছাফৰ সাংসদ আমিৰ লিয়াকত হুছেইনে এক ভিডিঅ'ৰ জৰিয়তে চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিলে। আমিৰে দাবী কৰা অনুসৰি, ইমৰানে পাকিস্তানৰ সেনাৰ মুৰব্বী জেনেৰেল কমৰ জাভেদ বাজৱাক অপসাৰণ কৰিব বিচাৰিছিল। সাংসদজনে আমিৰক 'বিশ্বাসঘাতক' অভিহিত কৰি উক্ত ভিডিঅ'ত এইদৰে কয়, 'তুমি জেনেৰেল বাজৱাক অপসাৰণ কৰিবলৈ অপচেষ্টা চলাইছিলা। মই এই কথাৰ সাক্ষ্য দিলো। তুমি মোক মাতি আনি কৈছিলা যে জেনেৰেল বাজৱাক অপসাৰণ কৰিম। আৰু বহু কথা আছে, যিবোৰ মই ব্যক্ত কৰিলে বিপদ হ'ব। কিন্তু মই তোমাৰ দৰে টিভিৰ সন্মুখত এইবোৰ কথা সদৰী কৰিব নিবিচাৰো। তোমাৰ দৰে মই জালপত্ৰ প্ৰদৰ্শন নকৰো। উক্ত পত্ৰ অছদ চাহাবৰ দ্বাৰা লিখোৱা হৈছিল।'

## ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধ সমাপ্তিৰ আহ্বান পোপৰ



**নিউজ ব্যুৰ', ভেটিকান চিটী, ৬ এপ্ৰিল ঃ** ৰাছিয়াই বিগত ৪২ দিন ধৰি ইউক্ৰেইনত আক্ৰমণ অব্যাহত ৰাখিছে। শেহতীয়াভাৱে ইউক্ৰেইনৰ বুছা চহৰত নৰসংহাৰৰ তথ্য পোৰহলৈ আহিছে। ৰুছ সেনাই ইউক্ৰেইনৰ এইখন চহৰত বহু মহিলা, কিশোৰী, শিশুক বৰ্বৰ নিৰ্যাতন চলাই হত্যা কৰিছিল। বুছা চহৰত ৰুছ সেনাৰ এই নাৰকীয় কাণ্ডৰ তথ্য উন্মোচিত হোৱাৰ পাছত ৰাছিয়াক যুদ্ধ সমাপ্ত কৰিবলৈ আহ্বান জনালে খ্ৰীষ্টধৰ্মীয় গুৰু পোপ ফ্ৰান্সিছে। বুছাৰ পৰা অনা ইউক্ৰেইনৰ এডাল দণ্ডক চুম্বন কৰি পোপে যুদ্ধ সমাপ্ত কৰিবলৈ আহ্বান জনায়। খ্ৰীষ্টধৰ্মগুৰুজনে সকলোকে ইউক্ৰেইনবাসীৰ কল্যাণৰ বাবে প্ৰাৰ্থনা কৰিবলৈকো অনুৰোধ জনায়। উল্লেখ্য যে পোপে আৰম্ভণিৰে পৰা ৰুছ আগ্ৰাসনৰ তীব্ৰ বিৰোধিতা কৰি আহিছে।

## চীনত ক'ভিডৰ ব্যাপক সংক্ৰমণৰ আঁৰত কৰ'নাৰ নতুন প্ৰজাতি



**নিউজ ব্যুৰ', বেইজিং, ৬ এপ্ৰিল ঃ** চীনত শেহতীয়াভাৱে কৰ'নাৰ সংক্ৰমণ সৰ্বাধিক হৈছে। দেশখনৰ একাধিক চহৰত ক'ভিড সংক্ৰমণ প্ৰতিৰোধৰ বাবে তলাবন্ধ ঘোষণা কৰা হৈছে। ক'ভিডৰ এনে সংক্ৰমণ বৃদ্ধিৰ সময়তে বিজ্ঞানীসকলে চীনত কৰ'নাৰ নতুন প্ৰজাতিৰ উপস্থিতি ধৰা পেলালে। চীনত ক'ভিডত আক্ৰান্ত ৰোগীৰ শৰীৰত নতুন উপসৰ্গৰ সন্ধানো লাভ কৰা হৈছে। 'গ্ল'বেল টাইমছ'ৰ বাতৰি অনুসৰি সম্প্ৰতি চীনত ত্ৰাসৰ সৃষ্টি কৰা কৰ'না সংক্ৰমণৰ আঁৰত জড়িত হৈ আছে ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ ৰূপান্তৰিত উপ-প্ৰজাতি বিএ.১.১। প্ৰাৰম্ভিক অধ্যয়নত লাভ কৰা তথ্য অনুসৰি ক'ভিডৰ এই নতুন উপ-প্ৰজাতিৰ সংক্ৰমণৰ উপসৰ্গ যথেষ্ট পৃথক। বিএ.১.১ উপ-প্ৰজাতি তুলনামূলকভাৱে অধিক সংক্ৰামক হোৱা হেতুকে চীনত শেহতীয়াভাৱে ক'ভিডৰ সংক্ৰমণে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। অৱশ্যে এই প্ৰজাতিৰ মাৰণ ক্ষমতা এতিয়াও জানিব পৰা হোৱা নাই। চীনৰ ছুজৌ, ছাংহাই আৰু জিয়াংগছু প্ৰদেশত ক'ভিডৰ উপ-প্ৰজাতি বিএ.১.১ৰ সংক্ৰমণ ধৰা পৰিছে।

## ৬১০ কাশ্মীৰী পণ্ডিতক সম্পত্তি উভতালে চৰকাৰে ঃ ৰাজ্যসভাত তথ্য



**নিউজ ব্যুৰ', নতুন দিল্লী, ৬ এপ্ৰিল ঃ** কাশ্মীৰ উপত্যকাত নিৰ্যাতনৰ সন্মুখীন হৈ ৰাজ্য ত্যাগ কৰিবলৈ বাধ্য হোৱা কাশ্মীৰী পণ্ডিতসকলৰ ৬১০ জনক বৰ্তমানলৈকে চৰকাৰে তেওঁলোকৰ সম্পত্তি উভতাই দিলে। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে আজি ৰাজ্যসভাৰ প্ৰশ্নোত্তৰ কালত এই তথ্য প্ৰকাশ কৰি কয় যে কাশ্মীৰী পণ্ডিতসকলক তেওঁলোকৰ সম্পত্তিৰ অধিকাৰ প্ৰদানৰ বাবে চৰকাৰে প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। কেন্দ্ৰীয় মন্ত্ৰীজনে লগতে জনোৱা অনুসৰি, কাশ্মীৰী পণ্ডিতৰ সা-সম্পত্তিৰ সমস্যাৰ সমাধানৰ বাবে জম্মু-কাশ্মীৰ চৰকাৰে যোৱা বছৰতে এটা প'ৰ্টেল মুকলি কৰিছিল। এই প'ৰ্টেলৰ জৰিয়তে সম্পত্তিৰ অধিকাৰ বিচাৰি আবেদন জনোৱা ৬১০ জন কাশ্মীৰী পণ্ডিতক বৰ্তমানলৈকে সম্পত্তি ঘূৰাই দিয়া হৈছে।

## এশ কোটিৰ গুণ্ডাকৰ সংগ্ৰহৰ গোচৰত দেশমুখক জিম্মাত ল'লে চি বি আয়ে



**নিউজ ব্যুৰ', মুম্বাই, ৬ এপ্ৰিল ঃ** মহাৰাষ্ট্ৰৰ প্ৰাক্তন গৃহমন্ত্ৰী অনিল দেশমুখৰ বিৰুদ্ধে উত্থাপিত দুৰ্নীতিৰ গোচৰৰ তদন্তৰ দায়িত্ব কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আয়ে গ্ৰহণ কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি চি বি আয়ে মুম্বাইৰ আৰ্থাৰ ৰোড কাৰাগাৰত দেশমুখক জিম্মাত লয়। এতিয়াৰে পৰা চি বি আয়ে অভিযুক্ত দেশমুখক বিশেষ আদালতত দাখিল কৰিব। স্মৰ্তব্য যে মহাৰাষ্ট্ৰৰ প্ৰাক্তন গৃহমন্ত্ৰীজনক যোৱা বছৰৰ নৱেম্বৰত মুম্বাইৰ বিভিন্ন পানশালা আৰু ৰেস্তোৰাঁৰ পৰা এশ কোটি টকাৰ মাহেকীয়া গুণ্ডাকৰ সংগ্ৰহৰ অভিযোগত প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ গ্ৰেপ্তাৰ কৰিছিল। মুম্বাই আৰক্ষীৰ প্ৰাক্তন আয়ুক্ত পৰমবীৰ সিঙে দেশমুখৰ বিৰুদ্ধে গুণ্ডাকৰ সংগ্ৰহৰ এই গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল।

## প্ৰতিষ্ঠা দিৱসত বিজেপিক শুভেচ্ছা জ্ঞাপনৰে কটাক্ষ কংগ্ৰেছ সাংসদ থাৰুৰৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৬ এপ্ৰিল ঃ** বিজেপিৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱসত দলটোক শুভেচ্ছা জ্ঞাপন কৰিলে কংগ্ৰেছৰ সাংসদ শশী থাৰুৰে। বিৰোধী দলটোক কংগ্ৰেছ সাংসদজনে সংবিধানৰ প্ৰথম পৃষ্ঠাৰ এখন ফটো টুইটাৰত শ্বেয়াৰ কৰি কয় যে বিজেপিয়ে যি কাম কৰি আহিছে আৰু যি কামত বিশ্বাস কৰে সেয়া সংবিধানৰ অন্তৰ্ভুক্ত নহয়। টুইটত থাৰুৰে কয়, 'জন্মদিনৰ শুভেচ্ছা বিজেপি, আপোনাৰ আজি ৪২ বছৰ হ'ল। এয়া আপুনি দলৰ সংবিধান অনুসৰি কাম কৰাৰ সময় নহয় নে? এনে লাগে যেন আপোনাৰ সংবিধানৰ প্ৰথম পৃষ্ঠাত এইসমূহ কথা উল্লেখ কৰা হোৱা নাই, যিসমূহ কাম আপুনি কৰে বা বিশ্বাস কৰে।' থাৰুৰে বিজেপিৰ সংবিধানৰ প্ৰথম পৃষ্ঠাৰ যি ফটো টুইটাৰত শ্বেয়াৰ কৰিছিল, তাত লিখা আছিল যে বিজেপিৰ উদ্দেশ্য হৈছে ভাৰতক শক্তিশালী আৰু সমৃদ্ধিশালী কৰি তোলা।



# বঙাইগাঁৱত চাৰিলেনযুক্ত পথ নিৰ্মাণত অনিয়ম

## ■ সংশ্লিষ্ট পঞ্চায়তৰ আপত্তিবিহীন প্ৰমাণ পত্ৰ অবিহনে চলাইছিল ক্ৰেচাৰ মেচিন

**অগ্ৰদূত বাৰ্তা,**
**অভয়াপুৰী, ৬ এপ্ৰিল ঃ** বঙাইগাঁও জিলাৰ তুলুঙীয়াৰ পৰা যোগীঘোপালৈ চাৰিলেনযুক্ত পথ নিৰ্মাণৰ দায়িত্বৰত সংস্থাৰ চালানবিহীন শিলভৰ্তি ডাম্পাৰ বন বিভাগে জব্দ কৰাৰ পাছত বন বিভাগক জৰিমনা আদায় দি ডাম্পাৰ মোকোলাই নিবলৈ সক্ষম হয় । বঙাইগাঁও জিলাৰ তুলুঙীয়াৰ পৰা যোগীঘোপাৰ লজিষ্টিক হাবলৈ চাৰিলেনযুক্ত পথ নিৰ্মাণৰ দায়িত্ব লাভ কৰে ক্ৰমে আৰ এছ বি আই আৰু আৰ পি চি নামৰ দুটা নিৰ্মাণকাৰী সন্থাই। নিৰ্মাণকাৰী সংস্থাই পথৰ প্ৰয়োজনীয় শিল প্ৰস্তুত কৰাৰ বাবে যোগীঘোপা-তুলুঙীয়া পথৰ কাষতে চৌটাকী বৃক্ষৰোপণ স্থলীৰ সমীপতে উত্তৰ শালমাৰা পঞ্চায়তৰ চতুৰ্থ আৰু পঞ্চম খণ্ডত সংস্থাৰ দুটা ক্ৰেচাৰ মেচিন বহুৱায় । কিন্তু নিৰ্মাণকাৰী সংস্থাই পথ নিৰ্মাণৰ ক্ষেত্ৰত ব্যাপক অনিয়ম সংঘটিত কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে। নিৰ্মাণকাৰী সংস্থাই বন বিভাগক ৰাজহ ফাকি দি কেৱল ভূমি সৰবৰাহ কৰাই নহয় ৰাজহ ফাকি দি চালানবিহীনভাৱে ভূটানৰ ডাম্পাৰ ব্যৱহাৰ কৰি চিৰাং জিলাৰ পৰা বল্ডাৰ কঢ়িয়াই আনি চৌটাকীস্থিত ক্ৰেচাৰ মেচিনত ভাঙে। এনেদৰে চালানবিহীনভাবে বল্ডাৰ কঢ়িওৱা সন্দৰ্ভত সততে অভিযোগ উত্থাপন হোৱাৰ পাছতে অভয়াপুৰী আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ে অভিযান চলাই যোৱা ২৭ মাৰ্চত বি পি-চ-বিএ ০০৮৪ নম্বৰৰ আৰ এছ বি আই নিৰ্মাণকাৰী সংস্থাৰ বল্ডাৰ ভৰ্তি ডাম্পাৰ জব্দ কৰে। পাছত বন বিভাগৰ নিয়ম অনুসৰি প্ৰায় ৬৯ হোজাৰ টকা জৰিমনা দি বল্ডাৰ ভৰ্তি ডাম্পাৰ মোকোলাই নিয়ে যদিও অভিযোগ মতে, এতিয়াও অব্যাহত আছে চোৰাং শিলৰ সৰবৰাহ ।

উল্লখ্য যে ক্ৰেচাৰ মেচিন স্থাপনৰ বাবে সংশ্লিষ্ট পঞ্চায়তৰ এন অ' চিৰ প্ৰয়োজন । পঞ্চায়তে প্ৰদান কৰা এন অ' চিৰ ওপৰত ভিত্তি কৰিয়েই বন বিভাগে অনুজ্ঞাপত্ৰ প্ৰদান কৰে। উল্লেখ্য যে, সংশ্লিষ্ট উত্তৰ শালমাৰা পঞ্চায়তে বিগত বৰ্ষৰ নবেম্বৰৰ শেষৰ ফালেহে এন অ' চি প্ৰদান কৰিছিল । তেনে অৱস্থাত ইয়াৰ পূৰ্বে মাহৰ পাছত মাহ কেনেদৰে নিৰ্মাণকাৰী সন্থাৰ ক্ৰেচাৰ মেচিন চলাব পাৰিছিল তথা বন বিভাগৰ পৰা অনুজ্ঞাপত্ৰ লাভ কৰিছিল সেয়া এক নুবুজা সাঁথৰ হৈ পৰিছে বহুতৰ বাবে।



# বিহালীৰ ৰাংছালীত বিশ্বনাথ জিলা কবি সন্মিলনৰ অধিবেশনৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**বিহালী, ৬ এপ্ৰিল ঃ** সদৌ অসম কবি সন্মিলনৰ অন্তৰ্গত বিশ্বনাথ জিলা কবি সন্মিলনৰ দ্বিতীয় দ্বিবাৰ্ষিক অধিবেশনখন বেদেতী কবি চক্ৰৰ সহযোগত আৰু ৰাংছালী গাঁওবাসীৰ আতিথ্যত অহা ন এপ্ৰিলৰ পৰা দুদিনীয়াকৈ ৰাংছালী চাৰিআলি ৰংগমঞ্চত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুযায়ী প্ৰথমদিনা পুৱা আঠ বজাত বিশ্বনাথ জিলা কবি সন্মিলনৰ পতাকা উত্তোলন কৰিব সন্মিলনৰ সভানেত্ৰী সবিতা কোঁৱৰে। পুৱা ন বজাত স্মৃতিতৰ্পণ কৰিব ৰাংছালীৰ সমাজকৰ্মী, কবি শুকদেৱ বৰুৱাই। সাহিত্য প্ৰতিযোগিতা উদ্বোধন কৰিব লোকপ্ৰিয় উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী বিজ্ঞান দাসে। বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিহালী ভিত্তিত অনুষ্ঠিত হ'ব চিত্ৰাংকন, কবিতা আবৃত্তি, আকস্মিক বক্তৃতা প্ৰতিযোগিতা। ১০ এপ্ৰিলত পুৱা ৭-৩০ বজাত পৰিৱেশ নিকাকৰণ, ৯-৩০ বজাত প্ৰতিনিধিৰ নাম পঞ্জীয়ন, ১০ বজাত প্ৰতিনিধি আৰু বিষয়বাছনি সভাখন উদ্বোধন কৰিব সদৌ অসম কবি সন্মিলনৰ উপ-সভাপতি বংশী বৰাই। আনহাতে, দিনৰ ১১.৩০ বজাত কবি সন্মিলন। উদ্বোধন কৰিব সাহিত্য একাডেমী বঁটা প্ৰাপক জ্ঞান পূজাৰীয়ে। উক্ত সন্মিলন সঞ্চালন কৰিব বিশিষ্ট কবি ৰেণু চহৰীয়া শইকীয়াই। দিনৰ ১২.৪৫ বজাৰ পৰা মুকলি সভা, সম্বৰ্ধনা আৰু বঁটা বিতৰণী অনুষ্ঠান। উক্ত অনুষ্ঠান উদ্বোধন কৰিব কবি, প্ৰবীণ সাংবাদিক নগেন কোঁৱৰে। উক্ত সভাত সভাপতিত্ব কৰিব বিশ্বনাথ জিলা কবি সন্মিলনৰ সভানেত্ৰী সবিতা কোঁৱৰে। সভাখনত মুখ্য অতিথিৰূপে প্ৰাক্তন মন্ত্ৰী তথা বিহালী বিধানসভা সমষ্টিৰ বিধায়ক ৰঞ্জিত দত্ত, নিৰ্দিষ্ট বক্তাৰূপে বিশিষ্ট কবি ৰাণা হাজৰিকা উপস্থিত থাকিব। শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তান সভাপতি ইন্দ্ৰপ্ৰসাদ শইকীয়া, ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ দিগন্ত গোহাঁই, লখিমপুৰ জিলা কবি সন্মিলনৰ প্ৰাক্তন সভাপতি অতুল খাউণ্ড বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব লগা সভাখনত আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকিব কবি, সমালোচক, ৰুদ্ৰসিংহ মটক, বিহালী স্নাতক মহাবিদ্যালয়ৰ অধ্যক্ষ জীৱন চন্দ্ৰ নাথ, বিশিষ্ট লেখিকা বৰ্ণালী কটকী ওজা, বিশিষ্ট কবি তথা ছয়দুৱাৰ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° ভাস্কৰজ্যোতি গগৈ, মধ্য ছয়দুৱাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰবোধ কুমাৰ বৰুৱা, গৱেষক- লেখক ড° দুলেন বৰা আৰু কবি, সমালোচক, সাংবাদিক বিপুল কুমাৰ দিহিঙীয়া।

# আদিবাসী চাহ জনগোষ্ঠীৰ যুৱক-যুৱতীৰ কাৰিকৰী প্ৰশিক্ষণ কেন্দ্ৰ পুনৰ মুকলিৰ আহ্বান

**অগ্ৰদূত বাৰ্তা**
**নাহৰকটীয়া, ৬ এপ্ৰিল ঃ** বৃহত্তৰ নাহৰকটীয়া অঞ্চলৰ আদিবাসী চাহ জনগোষ্ঠী ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীসকলৰ কাৰিকৰী প্ৰশিক্ষাণাৰ্থে টি ৱেলফেয়াৰ ডিপাৰ্টমেণ্টৰ অধীনত ২০১৩তে নাহৰকটীয়াত স্থাপন হৈছিল এটি কাৰিকৰী প্ৰশিক্ষণ কেন্দ্ৰ (ইলেক্ট্ৰেচিয়ান, এম্ব্ৰয়ডাৰী, প্লাম্বাৰ ইত্যাদি)। এই প্ৰশিক্ষণ কেন্দ্ৰটো প্ৰথমতে কিছুদিন চলাৰ পাছত বৰ্তমান বহুদিন ধৰি বন্ধ হৈ আছে।আনকি গৰুৰ গোহালিলৈও পৰিৱৰ্তীত হৈছে। এই বিষয়ে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা) নাহৰকটীয়া আঞ্চলিক সমিতিৰ বিষয়ববীয়াসহ এটা দলে উক্ত অনুষ্ঠান পৰিদৰ্শন কৰে আৰু অনুষ্ঠান পুনৰ মুকলি কৰি ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীসকলক কাৰিকৰী প্ৰশিক্ষণ গ্ৰহণত উপকৃত কৰাৰ বাবে অনুৰোধ জনাইছে। এই উদ্দেশ্যে যোৱা চাৰি এপ্ৰিলত আছাৰ নাহৰকটীয়া আঞ্চলিক সমিতিৰ তৰফৰ পৰা নাহৰকটীয়া ৰাজহ চক্ৰ বিষয়াক এক পত্ৰৰ দ্বাৰা বিষয়টো অৱগত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে অনুৰোধ জনায়।

# ১৮ এপ্ৰিলত আৰম্ভ হ'ব আউনীআটী বিদ্যা নিকেতন

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ৬ এপ্ৰিল ঃ** মানকটাৰ কাছাবাৰীস্থিত আউনীআটী শাখা সত্ৰ চৌহদত আউনীআটী বিদ্যা নিকেতনখন আৰম্ভ কৰাৰ সন্দৰ্ভত যোৱা চাৰি এপ্ৰিলত আয়োজিত প্ৰথমখন কাৰ্যনিৰ্বাহক সভাই কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। বিশিষ্ট শিক্ষা সংগঠক তথা পৰিচালনা সমিতিৰ সভাপতি প্ৰণৱ কুমাৰ মাক্ৰাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক সুমন দত্তই। পৰিচালনা সমিতিৰ অন্যতম বিষয়ববীয়া ভুৱন মোহন গোস্বামী, হৃদয় চৌধুৰী, অশোক কুমাৰ দাস, যতীন কোঁৱৰ, সুপ্ৰভা ভট্টাচাৰ্য, ভৱেন সোণোৱাল, বিধু বৰকাকতি, পল্লৱ চক্ৰৱৰ্তী, গীতিমল্লিকা বৰুৱা, মোহন তামুলী, তৰণী হাজৰিকা আদিৰ উপস্থিতিত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি সন্দৰ্ভত, নামভৰ্তিৰ প্ৰপত্ৰ, ভৰ্তি মাচুল-মাহিলি মাচুল, বিদ্যালয়ৰ ইউনিফৰ্ম, বিদ্যালয়ৰ সময়, শিক্ষকৰ নতুন নিযুক্তি আৰু সত্ৰীয়া সংস্কৃতি তথা যোগদৰ্শনৰ শিক্ষক নিযুক্তি সন্দৰ্ভত, পাঠ্যক্ৰমৰ আৰ্হি সন্দৰ্ভত, বিদ্যালয়ৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ নোহোৱা পৰ্যন্ত প্ৰেক্ষাগৃহত পাঠদানৰ ব্যৱস্থা কাৰ্যকৰী সন্দৰ্ভত, বিদ্যালয়খন আৰম্ভ কৰিবলৈ এটা দিন ধাৰ্য কৰাৰ প্ৰয়োজন, বিদ্যালয়ৰ এটা বেংক একাউণ্ট, বিদ্যালয়ৰ সন্মুখত এখন হৰ্ডিঙৰ ব্যৱস্থা আদি সম্পৰ্কত আলোচনা কৰা হয়। এই সভাতেই বিদ্যা নিকেতনৰ বাবে প্ৰয়োজনীয় শিক্ষক তথা ধাই মাতৃৰ বাবে নিযুক্তিৰ যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# ভাওৰাগুৰীত বিজেপিৰ কচুগাঁও মণ্ডলৰ উদ্যোগত দলৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**
**দোতমা, ৬ এপ্ৰিল ঃ** আজি কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ ভাওৰাগুৰীস্থিত ভাওৰাগুৰী ভিচিডিচি প্ৰেক্ষাগৃহত ভাৰতীয় জনতা পাৰ্টিৰ কচুগাঁও মণ্ডলৰ উদ্যোগত ভাৰতীয় জনতা পাৰ্টিৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰে। কাৰ্যসূচী মতে, পুৱা পতাকা উত্তোলন কৰে মণ্ডল সভাপতি সিদ্ধাৰ্থ নাৰ্জাৰীয়ে, বন্দেমাতাৰ পূজা বন্তি প্ৰজ্বলন কৰি ভাৰ্চুৱেলযোগে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাষণত অংশগ্ৰহণ কৰাৰ অন্তত দলীয় কৰ্মকৰ্তাৰ স'তে মত-বিনিময় অনুষ্ঠান অনুষ্ঠিত কৰে। উক্ত কাৰ্যসূচীত মণ্ডল সম্পাদক দিৱস সৰকাৰ, মহিলা মৰ্চাৰ সভানেত্ৰী ৰিংকী সাহা, কিষাণ মৰ্চাৰ সাধাৰণ সম্পাদক নৱজ্যোতি ৰায়, ভাওৰাগুৰী ভিচিডিচিৰ অধ্যক্ষ পাৰ্থপাল প্ৰমুখ্যে আন আন বিষয়া কৰ্মকৰ্তা উপস্থিত থাকে। আনহাতে, গোসাঁইগাঁও সদৰ চহৰৰ সংলগ্ন দলগাঁৱতো বিজেপিৰ গুমা মণ্ডলৰ উদ্যোগত প্ৰতিষ্ঠা দিৱস পালন কৰে।

# তৰুণ চন্দ্ৰ বৰুৱাৰ গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**ছিপাঝাৰ, ৬ এপ্ৰিল ঃ** 'কিতাপ মানুহৰ বিশ্বস্ত সংগী। কিতাপ মূলতঃ জ্ঞানীৰ জ্ঞান সাধনাৰ ফচল। গ্ৰন্থ হৈছে ভগৱানৰ অন্য এক ৰূপ' এনেদৰে যোৱা তিনি এপ্ৰিলত হাজৰিকাৰপাৰা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত এক গ্ৰন্থ উন্মোচনী অনুষ্ঠানত ভাগ লৈ ছিপাঝাৰ জনতা মহাবিদ্যালয়ৰ অধ্যক্ষ হৰেন ডেকাই মন্তব্য কৰে। সাহিত্য সেৱী তৰুণ চন্দ্ৰ বৰুৱাৰ শেহতীয়া গ্ৰন্থ প্ৰবন্ধজ্যোতি উন্মোচন কৰি হাজৰিকাপাৰা সাহিত্য সভাৰ কাৰ্যাৱলীৰ শলাগ লয়। হাজৰিকাপাৰা সাহিত্য সভাৰ সভাপতি শিৱপ্ৰসাদ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত আৰু সম্পাদক কল্যাণ কুমাৰ গোস্বামীয়ে আঁতধৰা সভাখনত বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে দৰং জিলা সাহিত্য সভাৰ উপ-সভাপতি বৰদা শইকীয়া, সম্পাদক গৌতমানন্দ গোস্বামী, সাহিত্য সংগঠক কৰুণা শৰ্মা আদি ভালেমান বিশিষ্ট সাহিত্যিক উপস্থিত থাকে। সভাত সাগৰিকা গোস্বামীৰ গল্প পাঠ, দিব্যজ্যোতি ডেকা, মৃগাংক কলিতাই কবিতা আৰু সতীশ বৰুৱা, ঘনকান্ত মেধিয়ে প্ৰবন্ধ পাঠ কৰে।

# বিজয় চন্দ্ৰ গোস্বামীৰ সোঁৱৰণত স্মৃতিগ্ৰন্থ 'স্মৃতি সঁফুৰা' উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**বান্দৰদেৱা, ৬ এপ্ৰিল ঃ** অসম-অৰুণাচল সীমান্তৱৰ্তী বান্দৰদেৱা বৰবালি চমুৱা গাঁৱৰ বিশিষ্ট শিক্ষাবিদ-সমাজকৰ্মী তথা ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বিজয় চন্দ্ৰ গোস্বামীৰ প্ৰথম মৃত্যুবাৰ্ষিকীত তেওঁৰ পৰিয়ালে প্ৰকাশ কৰি উলিওৱা স্মৰণিকা 'স্মৃতিৰ সফুৰা' তেওঁৰ প্ৰথম মৃত্যুবাৰ্ষিকীত যোৱা চাৰি এপ্ৰিলত উন্মোচন কৰা হয়। ললিত চন্দ্ৰ নেওগে আঁত ধৰা সভাখনত সভাপতিত্ব কৰে খেৰাজখাট মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ হেমচন্দ্ৰ গোস্বামীয়ে। পিঠাগুৰি ব্ৰহ্ম সমাজৰ অনিল কটকীয়ে মংগলাচৰণৰে আৰম্ভ কৰা অনুষ্ঠানত গোস্বামীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বয়োজ্যেষ্ঠ ব্যক্তি সোমেশ্বৰ হাজৰিকাই। আয়তীৰ উৰুলিৰ মাজত ৰাজীৱ শইকীয়াৰ সম্পাদনাত পৰিয়ালবৰ্গই প্ৰকাশ কৰা গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ বীৰেন শৰ্মাই। উন্মোচনী সভাখনত অৱসৰপ্ৰাপ্ত শিক্ষক উপেন শৰ্মা, অঞ্জলি গোস্বামী শৰ্মা, জ্যোতি ৰঞ্জন গোস্বামী, দিব্য ৰঞ্জন গোস্বামী, কৰুণা শৰ্মা, উত্তম গোস্বামী, জীৱন নেওগ সহধৰ্মিণী বীণাপ্ৰভা গোস্বামী উপস্থিত থাকে।

# মূল্যবৃদ্ধিৰ প্ৰতিবাদত টেঙাখাতত আছুৰ বিক্ষোভ

**অগ্ৰদূত বাৰ্তা**
**টেঙাখাত, ৬ এপ্ৰিল ঃ** সদৌ অসম ছাত্ৰ সন্থা (আছু)ৰ আহ্বান ক্ৰমে টেঙাখাত আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আজি টেঙাখাতৰ গান্ধী ভৱনৰ সন্মুখত মূল্যবৃদ্ধিৰ প্ৰতিবাদত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। খাদ্য সামগ্ৰী, ঔষধ, ইন্ধনজাত সামগ্ৰী, নিৰ্মাণ সামগ্ৰীৰ পৰা আৰম্ভ কৰি নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত জনোৱা হয়।

# বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস

**অগ্ৰদূত বাৰ্তা**
**বৰহোলা, ৬ এপ্ৰিল ঃ** বৰহোলাৰ মাজমজিয়াত শিক্ষা বিস্তাৰৰ বাবে ১৯৫৪তে প্ৰতিষ্ঠা লাভ কৰা শিক্ষানুষ্ঠানখনিয়ে পৰৱৰ্তী পৰ্যায়ত উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হয়। ৬৮ বৰ্ষত ভৰি দিয়া বিদ্যালয়খনিয়ে গৌৰৱোজ্জ্বল বহুতো স্মৃতি বহন কৰি আহিছে। বৰ্তমান সময়ত বিদ্যালয়খনত বিভিন্ন পৰীক্ষা অনুষ্ঠিত হৈ থকাৰ মাজতে কালি বিদ্যালয়খনিয়ে দিনজোৰা কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱস পালন কৰে। পুৱা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি যোগেন শইকীয়াই পতাকা উত্তোলন কৰাৰ পাছতে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা মঞ্জুলা সন্দিকৈয়ে স্মৃতি তৰ্পণ কৰে। অন্তৰংগ আলাপ অনুষ্ঠান উদ্বোধন কৰে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ চক্ৰেন শইকীয়াই আৰু আঁতধৰে সহশিক্ষক দিগন্ত বৰাই। আদৰণি ভাষণ প্ৰদান কৰে বিদ্যালয়ৰ অধ্যক্ষ প্ৰশান্ত কুমাৰ মহন্তই। সভাত বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা যোৰহাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তিলো সোণোৱালে স্মৃতি বিজড়িত বক্তব্য প্ৰদান কৰে। বিদ্যালয়খনৰ উপাধ্যক্ষ বুধিন হাজৰিকা, বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ বৰহোলা মহাবিদ্যালয়ৰ অধ্যাপক ড° ৰাণা বৰা, প্ৰাক্তন ছাত্ৰী বৰহোলা মহাবিদ্যালয়ৰ অধ্যাপিকা ড° শিৱানী ফুকনে বিদ্যালয়খনৰ স'তে জড়িত স্মৃতি ৰোমন্থন কৰি বক্তব্য প্ৰদান কৰে। ইয়াৰ পাছতে বিদ্যালয়ৰ সহশিক্ষক ৰঞ্জিত সন্দিকৈৰ পৰিচালনা এক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে তিতাবৰ আঞ্চলিক পঞ্চায়তৰ উপ-সভাপতি হৰেন গগৈয়ে।

# সেৱা বাহিনী অধিনায়ক সন্মিলন

**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ৬ এপ্ৰিল ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ সেৱা বাহিনী অন্তৰ্গত আঞ্চলিক শাখাৰ সেৱা বাহিনী অধিনায়কসকলৰ এখন সন্মিলন অহা ন এপ্ৰিলত দিনৰ এক বজাত জিলা শাখাৰ নামঘৰত আয়োজন কৰিছে । সন্মিলনত আঞ্চলিক শাখাৰ সমুহ অধিনায়কক উপস্থিত থাকিবৰ বাবে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ সেৱা বাহিনী অধিনায়ক নিতুল গগৈয়ে আহ্বান জনাইছে ।

# শিক্ষাই হৈছে জীৱনৰ পোহৰ ঃ অক্ষয় মিশ্ৰ

**অগ্ৰদূত বাৰ্তা**
**কয়াকুছি, ৬ এপ্ৰিল ঃ** বৰপেটা জিলাৰ ৪৬ নম্বৰ সৰুক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত কয়াকুছিত ৰাইজিং কয়াকুছি ফাউণ্ডেছনৰ উদ্যোগত গঢ় লৈ উঠা ব্যক্তিগত খণ্ডৰ বিদ্যালয় ডন বস্ক' ইংলিচ মিডিয়াম পাব্লিক স্কুলৰ যোৱা দুই এপ্ৰিলত উদ্বোধন কৰা হয়। বিশিষ্ট শিক্ষাবিদ তথা সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰই উদ্বোধন কৰি ভাষণত কয় যে শিক্ষাই হৈছে জীৱনৰ পোহৰ। গতিকে শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু ৰাইজ এই চাৰিটা স্তম্ভৰ যোগে শিক্ষানুষ্ঠানক আগুৱাই নিব লাগে। সেয়ে জাতীয় জীৱনৰ যি শ্ৰদ্ধা আছে সেই শ্ৰদ্ধা বিকাশ প্ৰকাশৰ মাধ্যমেদি তেওঁলোকৰ ব্যক্তিত্ব বিকাশ আৰু কৃতিত্ব প্ৰকাশৰ সুযোগ পাব। গতিকে প্ৰমূল্যবোধ শিক্ষাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী নিশ্চিতভাৱে সমাজ জীৱনৰ গঢ় লৈ উঠিব বুলি আশা প্ৰকাশ কৰে। উক্ত অনুষ্ঠানৰ মুকলি সভা পৰিচালনা কৰে আমজাদ হুছেইনে। উক্ত সভাত বিশিষ্ট চিকিৎসক ডাঃ শ্বাহ আলম, কয়াকুছি শাখা সাহিত্য সভাৰ সভাপতি তালেবৰ ৰহমান, সম্পাদক হান্নান আলী আহমেদ, লৱাৰ আসাম একাডেমীৰ অধ্যক্ষ দেলুৱাৰ হুছেইন, অসম গণ পৰিষদৰ মুখপাত্ৰ ধৰ্মেশ্বৰ ৰয়, নকৈ গঢ়ি উঠা বিদ্যালয়খনৰ অধ্যক্ষ ৰিচাৰ্ড জন ফ্ৰাঞ্চিচ, ৰাইজৰ দলৰ বৰপেটা জিলাৰ মুখ্য আহ্বায়ক আব্দুল জলিল, বিদ্যালয় পৰিচালনা সমিতিৰ ট্ৰাষ্টি ডাঃ ৰিজুমণি বেগম আৰু তাইজুদ্দিন আহমেদ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# তুলসীবিলৰ টেংনাৰভিটাত অংগনৱাড়ী গৃহৰ আধাৰশিলা



**অগ্ৰদূত বাৰ্তা**
**দোতমা, ৬ এপ্ৰিল ঃ** আজি কোকৰাঝাৰ জিলাৰ তুলসীবিলৰ টেংনাৰভিটাত অংগনৱাড়ী কেন্দ্ৰৰ গৃহৰ আধাৰশিলা স্থাপন কৰে ২৯ নম্বৰ পশ্চিম কোকৰাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে। উক্ত অনুষ্ঠানত উপস্থিত থাকে গোসাঁইগাঁও আই চি ডি এছৰ চি ডি পিও, ছুপাৰভাইজাৰসকল, ক'ট্ৰাকছন কমিটিৰ সম্পাদক- সদস্য, গোসাঁইগাঁও উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া, অভিযন্তাসকল, গাঁওবুঢ়াৰ লগতে ৰাইজসকল। উক্ত অনুষ্ঠানত উপস্থিত থাকি বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে কয় যে অসম চৰকাৰৰ নিৰ্দেশ মৰ্মে মডেল অংগনবাদী গৃহৰ আধাৰশিলা স্থাপন কৰা হৈছে। আৰু এই অংগনৱাড়ী গৃহৰ জৰিয়তে শিশুসকলক পুষ্টিকৰ খাদ্য আৰু প্ৰাথমিক শিক্ষা প্ৰদান কৰি অসমখনক উন্নতিৰ ক্ষেত্ৰত আৰু এখোজ আগবঢ়াই লৈ যাব সদৰী কৰে। লগতে বিধায়কজনে সকলো ৰাইজকে উক্ত কামটোত সহায়-সহযোগিতা কৰিবলৈ আহ্বান জনায়।




*ইন্ধন-খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে আছুৰ বিক্ষোভ, ওদালগুৰিত বুধবাৰে*

# দলগাঁৱত ভূমি সংৰক্ষণ বিভাগৰ কাৰ্যালয় গৃহ নিৰ্মাণৰ আধাৰশিলা স্থাপন

**অগ্ৰদূত বাৰ্তা**
**দলগাঁও, ৬ এপ্ৰিল ঃ** দৰঙৰ দলগাঁও সমষ্টিত ভূমি সংৰক্ষণ বিভাগৰ কাৰ্যালয়ৰ গৃহ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে স্থানীয় বিধায়ক মজিবুৰ ৰহমানে। দলগাঁও অঞ্চলৰ ৰাইজৰ বহুদিনীয়া সমস্যা সমাধান কৰি ভূমি সংৰক্ষণ বিভাগৰ দলগাঁও ৰেঞ্জৰ পৰহি এক কাৰ্যালয় গৃহ নিৰ্মাণৰ আধাৰ শিলা স্থাপনৰ লগতে কাৰ্যালয় গৃহৰ খুঁটাও স্থাপন কৰে বিধায়ক ৰহমানে। বিধায়ক ৰহমানৰ লগত জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাও উপস্থিত থাকে উক্ত অনুষ্ঠানত। এতিয়াৰে পৰা দলগাঁও সমষ্টিৰ ৰাইজ ভূমি সংৰক্ষণ বিভাগৰ কাম কাজৰ বাবে মঙলদৈ যোৱাৰ পৰিৱৰ্তে দলগাঁৱৰ পৰা সকলো কাম কৰিব পাৰিব বুলি জনায় বিধায়ক ৰহমানে। দলগাঁও সমষ্টিৰ চাৰিখন গাঁও পঞ্চায়তৰে গঠিত চিকন মাটি ভূমি সংৰক্ষণ প্ৰকল্পই কেন্দ্ৰীয় চৰকাৰৰ পৰা ৯.৯ কোটি টকা আৰ্থিক অনুদান লাভ কৰিছে বুলি জনায় উপায়ুক্ত শৰ্মাই। চৰকাৰৰ দুৰ্নীতি বিৰোধী স্থিতিক সহযোগিতা কৰি স্বচ্ছতাৰে আঁচনি ৰূপায়ণ কৰাৰ আহ্বান জনায় বিধায়ক ৰহমানে। উক্ত ৯.৯ কোটি টকাৰে কৃষি ভূমি উন্নয়ন সম্পৰ্কীয় আঁচনি গ্ৰহণ কৰি কৃষক ৰাইজৰ উপকাৰ কৰিবলৈ ভূমি সংৰক্ষণ বিভাগক আহ্বান ।

# মঙলদৈৰ কৃতী শিক্ষকক বিদায় সম্বৰ্ধনা

**বিশেষ সংবাদদাতা**
**মঙলদৈ, ৬ এপ্ৰিল ঃ** দৰঙৰ দীঘিৰপাৰস্থিত কমলা কুঁৱৰী মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক তৰুণ চন্দ্ৰ শৰ্মাই যোৱা ৩১ মাৰ্চত বিদ্যালয়খনৰ পৰা অৱসৰ গ্ৰহণ কৰে। ২০২০ত জিলাখনৰ ভিতৰত কৃতী শিক্ষকৰ বঁটা গ্ৰহণ কৰা শিক্ষকজনৰ মঙলদৈ বনিয়াপাৰাস্থিত নিজ গৃহত পহিলা এপ্ৰিলৰ দিনা সম্বৰ্ধনা সভাখন অনুষ্ঠিত হৈ যায়। প্ৰথমতে সেইদিনা কমলা কুঁৱৰী মজলীয়া বিদ্যালয়ত এক চমু সম্বৰ্ধনা অনুষ্ঠান হোৱাৰ অন্তত বিদায়ী শিক্ষকজনক শোভাযাত্ৰা কৰি নিজ গৃহলৈ লৈ আনে। ইয়াৰ পাছত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত শিক্ষক কনক চন্দ্ৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি কৃতী শিক্ষকজনৰ কৰ্মময় জীৱনৰ ওপৰত ভাষণ প্ৰদান কৰে ক্ৰমে মঙলদৈ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ মাধৱ ৰাজবংশী, মঙলদৈ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস আৰু মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যাপক ড° প্ৰণৱ কুমাৰ শৰ্মাই বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলকে ধৰি প্ৰায় পাঁচ শতাধিক লোকে অংশগ্ৰহণ কৰা সভাত আঁত ধৰে কমলা কুঁৱৰী মজলীয়া বিদ্যালয়ৰ সহকাৰী শিক্ষক অমিয় হাজৰিকাই।

# খেজুৰিতলৰ জ্ঞানজ্যোতি বিদ্যাপীঠত বিহুনাচৰ শিবিৰ

**অগ্ৰদূত বাৰ্তা**
**নামতি, ৬ এপ্ৰিল ঃ** নামতিৰ পিয়লি ফুকন শাখা সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতিৰ উদ্যোগত পৰহিৰে পৰা খেজুৰিতলৰ জ্ঞানজ্যোতি বিদ্যাপীঠত সাতদিনীয়া বিহুনাচৰ আখৰা শিবিৰ অনুষ্ঠিত হৈছে। পিয়লি ফুকন শাখা সাহিত্য সভাৰ সম্পাদিকা দেৱযানী দীক্ষিতাৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত সভাপতিত্ব কৰে পিয়লি ফুকন শাখা সাহিত্য সভাৰ সভানেত্ৰী দেৱযানী মহন্তই। বিহু আখৰা শিবিৰৰ শুভ উদ্বোধন কৰে বিহু সুৰক্ষা সমিতি অসমৰ শিৱসাগৰৰ জিলা সমিতিৰ সভাপতি লাচিত ফুকনে। অঞ্চলটোৰ বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা শিবিৰত প্ৰশিক্ষণ প্ৰদান কৰিছে সংগীতা গগৈ আৰু ডিম্পী চেতিয়াই। উক্ত অনুষ্ঠানটোত উপস্থিত থাকি বিহু সম্পৰ্কত বক্তব্য আগবঢ়ায় ৰংপুৰ সাহিত্য সভাৰ সম্পাদক জনম খনিকৰ, পিয়লি ফুকন শাখা সাহিত্য সভাৰ উপ-সভানেত্ৰী জয়া গগৈ আদিয়ে। উদ্বোধনী অনুষ্ঠানত শলগুৰি সমবায় সমিতিৰ সম্পাদক জয়ন্ত বৰা, বিহু সুৰক্ষা সমিতি অসম, শিৱসাগৰ জিলা সমিতিৰ উপ-সভাপতি ৰমেন বৰুৱা, পিয়লি ফুকন শাখা সাহিত্য সভাৰ সহ-সম্পাদিকা অসমা টুংখুঙীয়া, নাজিৰা কবি সন্মিলনৰ উপদেষ্টা দুৰ্লভ শইকীয়া, ভাগ্যশ্ৰী দাসকে ধৰি আদি বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# ঐতিহাসিক ধোদৰ আলিৰ নিৰ্মাণৰ নামত লুণ্ঠন

## ■ তদন্তৰ দাবীত উপায়ুক্তক স্মাৰকপত্ৰ যুৱ-ছাত্ৰ পৰিষদৰ

**চেলেংহাট, ৬ এপ্ৰিল ঃ** মৰিয়নি সমষ্টিৰ ৰাইজৰ যাতায়তাৰ মূলপথ ৰূপে ব্যৱহৃত ঐতিহাসিক ধোদৰ আলিৰ পুনৰ নিৰ্মাণৰ নামত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে মৰিয়নি সমষ্টিৰ উপ-নিৰ্বাচনৰ আগতে জৰাজীৰ্ণ ধোদৰ আলিৰ পুনৰ নিৰ্মাণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মৰিয়নিবাসীক প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। আনহাতে, পথটো মেৰামতি কৰাৰ নামত ঠিকাদাৰে ব্যাপক অনিয়ম সংঘটিত কৰাৰ অভিযোগ উত্থাপন হৈছে। লোকনিৰ্মাণ বিভাগৰ নকছাৰী গ্ৰাম্য পথ সংমণ্ডলৰ তত্ত্বাৱধানত চলি থকা ধোদৰ আলিৰ নিৰ্মাণ কাৰ্য অতি নিম্নমানৰ কৰি থকাৰ প্ৰত্যক্ষ কৰি ক্ষুব্ধ হৈ পৰে যুৱ- ছাত্ৰ পৰিষদৰ মৰিয়নি আঞ্চলিক সমিতি। পথটোৰ নিৰ্মাণত অনিয়ম সংঘটিত হৈ অহাৰ পাছতো বিভাগীয় কৰ্তৃপক্ষই কোনো পদক্ষেপ গ্ৰহণ নকৰিলে। উল্লেখ্য যে মাছখোৱাৰ পৰা চেলেংহাটৰ জাঁজী দলংৰ সমীপলৈকে ১৫ কিলমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা নিৰ্মাণ কৰা ক্ষেত্ৰত ঠিকাদাৰে ব্যাপক অনিয়ম সংঘটিত কৰা বাবে নিৰ্মাণৰ পাছতে ব্লেক টেপিং এৰাই গৈছে। উল্লেখ্য যে মৰিয়নি সমষ্টিৰ উপ- নিৰ্বাচনৰ পূৰ্বে ২০২১ৰ ১৪ ছেপ্টেম্বৰত বিধ্বস্ত ধোদৰ আলিৰ মাছখোৱাৰ পৰা জাঁজী দলঙলৈকে পুনৰ নিৰ্মাণৰ কামৰ আৰম্ভ কৰি আধাৰশিলা স্থাপন কৰিছিল মন্ত্ৰী পীযুষ হাজৰিকাই। ৰাজ্য চৰকাৰৰ এছ অ'পিডিজি আঁচনিৰ অধীনত এই পথছোৱাৰ পুনৰ নিৰ্মাণ হৈ আছে। ইফালে, ধোদৰ আলিৰ নিৰ্মাণৰ নামত হোৱা ব্যাপক দুৰ্নীতিৰ তদন্ত বিচাৰি আজি যুৱ-ছাত্ৰ পৰিষদৰ মৰিয়নি আঞ্চলিক সমিতিয়ে যোৰহাটৰ উপায়ুক্তৰ হাতত এখন স্মাৰকপত্ৰ প্ৰদান কৰে। এক বিবৃতিত যুৱ-ছাত্ৰ পৰিষদৰ মৰিয়নি আঞ্চলিকৰ সভাপতি প্ৰিয়াংশু বৰুৱা আৰু সম্পাদক ৰঞ্জিত গগৈয়ে ধোদৰ আলি নিৰ্মাণৰ নামত হোৱা দুৰ্নীতিৰ তদন্ত নকৰিলে অতি শীঘ্ৰে ৰাইজৰ সহযোগত আন্দোলনৰ কাৰ্যসূচী গ্ৰহণৰ হুংকাৰ দিয়ে।

অসম দাপোণ

দৈনিক অগ্ৰদূত

গুৱাহাটী, ৭ এপ্ৰিল, বৃহস্পতিবাৰ ২০২২ পৃষ্ঠা ১১

## বিজিত কুমাৰ নাথক স্মৰণ ঃ গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৬ এপ্ৰিল ঃ** প্ৰয়াত গৱেষক-ছাত্ৰ, প্ৰতিশ্ৰুতি সম্পন্ন লেখক বিজিত কুমাৰ নাথৰ প্ৰথম মৃত্যুবাৰ্ষিকী যোৱা তিনি এপ্ৰিলত উদ্‌যাপন কৰা হয়। তদুপলক্ষে স্থানীয় সাহিত্য সভা ভৱনত স্মৃতিচাৰণ আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। কবি-লেখক দিলীপ কুমাৰ ভট্টাচাৰ্যই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাত সভাপতিত্ব কৰে বিশিষ্ট নাট্যকাৰ তৰুণ শইকীয়াই। বিজিত কুমাৰ নাথৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে বিশ্বনাথ চাৰিআলি শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক হীৰেণ বৰাই। প্ৰয়াত গৱেষক-ছাত্ৰজনে প্ৰস্তুত কৰা ‘বিশ্বনাথ জিলাৰ চাহ জনগোষ্ঠীয় লোকসকলৰ কথিত ভাষাৰ ৰূপতত্ত্ব এটি অধ্যয়ন’ শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ক্ষীৰ কলিতাই। গ্ৰন্থখন উন্মোচন কৰি কলিতাই কয় যে গ্ৰন্থখন এম ফিল ডিগ্ৰীৰ বাবে প্ৰস্তুত কৰা হৈছিল যদিও ই প্ৰকৃততে পি এইছ ডি পৰ্যায়ৰ হৈছে। গ্ৰন্থখন ছপা কৰি উলিওৱাৰ বাবে তেওঁৰ জ্যেষ্ঠ ভ্ৰাতৃ ডিংকুমণি নাথৰ শলাগ লয়। দিলীপ কুমাৰ ভট্টাচাৰ্যই সম্পাদনা কৰা, নিতুমণি দেৱী, কবিতা বৰা আৰু সাবিত্ৰী ভট্টাচাৰ্যই প্ৰকাশ কৰা ‘বিজিত কুমাৰ নাথৰ ৰচনা সমগ্ৰ’ শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যাপক তাৰানাথ মহন্তই। মহন্তই তেওঁৰ ভাষণত প্ৰতিভাৱান যুৱক বিজিতৰ মৃত্যু ৰহস্যজনক বুলি উল্লেখ কৰে আৰু গ্ৰন্থখনে বিজিতৰ সাহিত্য প্ৰতিভাৰ পৰিচয় বহন কৰি থাকিব বুলি কয়। কবিতা বৰাই উন্মোচনৰ প্ৰাকমুহূৰ্তত পুথিখনৰ প্ৰকাশ সম্পৰ্কে ৰাইজক কিছু কথা অৱগত কৰে। সভাত দিবাকৰ বৰা আৰু মৌচুমী পাণিকাই গীত, অজিত কুমাৰ হাজৰিকা আৰু সাবিত্ৰী ভট্টাচাৰ্যই কবিতা পাঠ কৰে। শাখা সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰী কনকলতা নেওগ, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰেণু বৰা, চিত্ৰশিল্পী দুৰ্গেশ্বৰ শইকীয়া, লেখক দীপ্তিমান বৰঠাকুৰ, চিকিৎসা বিষয়া ডাঃ এলিজা ডেকা প্ৰমুখ্যে বহু গণ্যমান্য ব্যক্তি সভাত উপস্থিত থাকে। কবিতা বৰাই শলাগৰ শৰাই আগবঢ়োৱাৰ অন্তত অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী প্ৰীতি বৰুৱা পৰিবেশিত এটি ভজনেৰে গাম্ভীযপূৰ্ণ সভাখনত সামৰণি পৰে।

## ■ চামগুৰিৰ আমনিত জনজাতি ধৰ্ম-সংস্কৃতি সুৰক্ষা মঞ্চৰ জনগোষ্ঠীয় সন্মিলন

# সংবিধানৰ ৩৪২ অনুচ্ছেদৰ ২(ক) সংশোধনীৰ দাবী



ইন্ধন-খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে আছুৰ বিক্ষোভ, মাৰ্ঘেৰিটাত বুধবাৰে।

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ৬ এপ্ৰিল ঃ** নগাঁও জিলাৰ আমনিৰ আমলখি চাহ বাগিচাৰ পূজা ঘৰ প্ৰাংগণত জনজাতি ধৰ্ম-সংস্কৃতি সুৰক্ষা মঞ্চৰ নগাঁও জিলা সমিতিৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে যোৱা চাৰি এপ্ৰিলত এখন জনগোষ্ঠীয় সন্মিলন অনুষ্ঠিত হয়। জনজাতি ধৰ্ম সংস্কৃতি সুৰক্ষা মঞ্চৰ পতাকা উত্তোলনেৰে আৰম্ভ কৰা অনুষ্ঠান পতাকা উত্তোলন কৰে নগাঁও জিলাৰ সভাপতি ভোলানাথ মাঝিয়ে। দুই সহস্ৰাধিক লোকে জনগোষ্ঠীয় সাজ পাৰ পৰিধন কৰি হাতে হাতে বেনাৰ, প্লে-কাৰ্ড লৈ পতাকাস্থলীৰ পৰা আমনিৰ ৰাজপথলৈকে ‘সংবিধান ৩৪২ নম্বৰ অনুচ্ছেদৰ ধাৰা ২ (ক) সংশোধন কৰক’, ‘ধৰ্মান্তৰ বিৰোধী কঠোৰ আইন প্ৰণয়ন কৰক’, ‘ধৰ্মান্তৰকৰণ বন্ধ কৰক’, ‘সনাতন ধৰ্ম-সংস্কৃতি অমৰ হওঁক’, ‘লাভ জেহাদ বন্ধ কৰক’ আদি শ্ল’গানেৰে চৌদিশ উত্তাল কৰি তোলে। পৰৱৰ্তী সময়ত ভাৰত মাতা, বালাচাহেব দেশপাণ্ডে আৰু বীৰ বিৰছা মুণ্ডাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলন আৰু কুড়ুখ জনগোষ্ঠীয় প্ৰাৰ্থনাৰ পাছতে এখন মুকলি সভাও অনুষ্ঠিত কৰা হয়। মুকলি সভাৰ আঁত ধৰে জিলা সমিতিৰ সম্পাদক টোলন তছাই। আদৰণি ভাষণ প্ৰদান কৰে অভ্যৰ্থনা সমিতিৰ সভানেত্ৰী পিংকি মিৰ্দ্ধা চ’নাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে কল্যাণ আশ্ৰম অসমৰ প্ৰান্তীয় মহিলা সমিতিৰ সচিব বীনা কালিন্দীয়ে। সংবিধানৰ ৩৪২ নম্বৰ অনুচ্ছেদৰ ধাৰা ২ (ক) সংশোধন আৰু ধৰ্মান্তৰবিৰোধী কঠোৰ আইন প্ৰণয়নৰ দাবীত অনুষ্ঠিত সন্মিলনখনিত নগাঁও জিলাৰ শতাধিক গাঁৱৰ প্ৰায় দুই সহস্ৰাধিক জনগোষ্ঠীয় লোক উপস্থিত থাকে। জনজাতীয় ধৰ্ম-সংস্কৃতি সুৰক্ষা মঞ্চৰ উত্তৰ-পূৰ্বাঞ্চল তথা কল্যাণ আশ্ৰম অসমৰ প্ৰান্তীয় সমিতিৰ সম্পাদক বলৰাম ফাংচ’, সহসংযোজক মন্টুৰামজী আৰু উপ-সভানেত্ৰী জ্যোৎস্না পেগু দ’লেয়ে নিমন্ত্ৰিত মুখ্য অতিথিৰূপে ভাষণ প্ৰদান কৰে। নিৰ্দিষ্ট বক্তাৰূপে বক্তব্য প্ৰদান কৰে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ নগাঁও জিলা সমিতিৰ প্ৰচাৰ প্ৰমুখ উৎপল বৰাই। তিৰা সংস্কৃতি সুৰক্ষা পৰিষদৰ কেন্দ্ৰীয় সভাপতি জ্যোতিষ্মান ফামজং, কল্যাণ আশ্ৰম অসমৰ ক্ষেত্ৰীয় মহিলা প্ৰমুখ গংগা বসুমতাৰী আদিকে ধৰি বিভিন্ন জনগোষ্ঠীয় দল-সংগঠনৰ প্ৰতিনিধিয়ে উপস্থিত থকা অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই অভ্যৰ্থনা সমিতিৰ সম্পাদক ৰিংকু পৰিড়াই।

## তামুলপুৰত বড়োলেণ্ড স্ব-নিয়োজন আঁচনিৰ অধীনত হিতাধিকাৰীক ই-ৰিক্সা বিতৰণ



অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ৫ এপ্ৰিল ঃ** বড়োলেণ্ড স্ব-নিয়োজন আঁচনিৰ অধীনত যোৱা তিনি এপ্ৰিলত আবেলি তামুলপুৰ জিলা সদৰ ঘগ্ৰাচ’কত ২৮ নম্বৰ গয়বাৰী পৰিষদীয় সমষ্টিৰ অন্তৰ্গত দুগৰাকী বিশেষভাৱে সক্ষম লোকৰ মাজত ই-ৰিক্সা বিতৰণ কৰা হয়। বড়োলেণ্ড স্ব-নিয়োজন আঁচনিৰ অধীনত বিটিআৰ সমাজ কল্যাণ বিভাগৰ জৰিয়তে আবন্টিত ই-ৰিক্সা বিতৰণ কৰে তামুলপুৰ উন্নয়ন খণ্ডৰ অধীনৰ টিচিএলচিচিৰ অধ্যক্ষ পবিত্ৰ নাৰ্জাৰীয়ে। ই-ৰিক্সা বিতৰণ কৰি টিচিএলচিচিৰ অধ্যক্ষ পবিত্ৰ নাৰ্জাৰীয়ে কয়, ‘বিটিআৰত বসবাস কৰা সকলো শ্ৰেণীৰ মানুহৰ জীৱিকাৰ পথ প্ৰশস্ত কৰিবৰ বাবে বিটিআৰ চৰকাৰৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। তাৰ অংশ হিচাপে আজি তামুলপুৰ সমষ্টিৰ কে’বাজনো বিশেষভাৱে সক্ষম লোকৰ মাজত ই-ৰিক্সা বিতৰণ কৰাৰ কথা আছিল যদিও প্ৰতিকূল বতৰৰ বাবে দুগৰাকী বিশেষভাৱে সক্ষম লোকৰ মাজতহে ই-ৰিক্সা বিতৰণ কৰা হয়। পৰৱৰ্তী সময়ত বাকীসকলৰ মাজতো ই-ৰিক্সা বিতৰণ কৰা হ’ব বুলি টিচিএলচিচিৰ অধ্যক্ষজনে কয়। উক্ত অনুষ্ঠানত তামুলপুৰ জিলা ইউপিপিএলৰ সাধাৰণ সম্পাদক গণেশ নাথ, গয়বাৰী ব্লক ইউপিপিএলৰ সভাপতি নৰহৰি মহন্ত, সম্পাদক কবীন বসুমতাৰীৰ লগতে আন কে’বাজনো নেতা-কৰ্মী উপস্থিত থাকে।

## আম আদমীৰ টীয়ক সমষ্টি ভিত্তিক সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**কাকজান, ৬ এপ্ৰিল ঃ** আম আদমী পাৰ্টিৰ নীতি আৰু আদৰ্শৰে অনুপ্ৰাণিত টীয়ক বিধানসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন অঞ্চলৰ শতাধিক ৰাইজে আপত যোগদান কৰে। এই উপলক্ষে যোৱা তিনি এপ্ৰিলত টীয়কত আম আদমী পাটি যোৰহাট জিলা সমন্বয়ক অমৰজ্যোতি বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে হীৰেন বৰাই। জিলা সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি মহন্ত আৰু প্ৰশান্ত কলিতা উপস্থিত থকা সভাত যোগদান কৰা লোকসকলে দূৰ্নীতিমুক্ত আৰু প্ৰগতিশীল টীয়ক সমষ্টি নিৰ্মাণৰ স্বাৰ্থত কাম কৰিবলৈ অংগীকাৰবদ্ধ হয়। আগন্তুক পঞ্চায়ত নিৰ্বাচনত টীয়কৰ প্ৰতিটো পঞ্চায়তে আম আদমী পাটিৰ প্ৰাৰ্থী বিজয়ী কৰি টীয়ক সমষ্টিত দূৰ্নীতিমুক্ত পঞ্চায়ত গঠনৰ ক্ষেত্ৰতো টীয়কে এক উদাহৰণ সৃষ্টি কৰিবলৈ আজি উপস্থিত সকলো লোকে বদ্ধপৰিকৰ হৈ কাম কৰিবলৈ জিলা সমন্বয়কে আহ্বান জনায়। লগতে সভাই হীৰেন বৰা আৰু দীপক বৰাক মুখ্য আহ্বায়ক আৰু প্ৰশান্ত কলিতা, প্ৰশান্ত হাজৰিকা, বাবুল দত্ত, অশোক বৰা, আজহাৰুদ্দিন খান, বিকাশ শৰ্মা, সুদৰ্শন বৰঠাকুৰ, বিতুপন দাস, অৰূপজ্যোতি কলিতা, পল্লৱ বৰবৰা, মৃণাল কুমাৰ বৰা, বিকাশ কলিতা, ৰঞ্জিত ৰাজোৱাকক আহ্বায়ক হিচাপে লৈ টীয়ক বিধাসভা সমষ্টি কমিটীখন গঠন কৰে।

## অসম চাহ কৰ্মচাৰী সংঘৰ সাংগঠনিক সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ৬ এপ্ৰিল ঃ** অসম চাহ কৰ্মচাৰী সংঘক শক্তিশালী কৰি তুলিবলৈ হ’লে প্ৰাথমিক গোটৰ সভাপতি-সম্পাদকসকলে ট্ৰেড ইউনিয়ন সন্দৰ্ভত অধ্যয়নৰত হ’ব লাগিব বুলি অসম চাহ কৰ্মচাৰী সংঘৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ঋষভ কলিতাই তিনিচুকীয়াৰ সাংগঠনিক সভাত উল্লেখ কৰে। আইএনটিইউচিৰ স্বীকৃতিপ্ৰাপ্ত ট্ৰেড ইউনিয়ন অসম চাহ কৰ্মচাৰী সংঘৰ পানীতোলা শাখাৰ তত্ত্বাৱধানত যোৱা তিনি এপ্ৰিলত স্থানীয় চলিহা নগৰস্থিত বিষ্ণুজ্যোতি সংগীত মহাবিদ্যালয়ৰ সভাকক্ষত এখন সাংগঠনিক সভা অনুষ্ঠিত হয়। পানীতোলা শাখাৰ স্থায়ী সভাপতি মনিৰাম গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখা কৰে শাখা সম্পাদক জয়চন্দ্ৰ শইকীয়াই। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি অসম চাহ কৰ্মচাৰী সংঘৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ঋষভ কলিতাই নিজৰ ভাষণত সংঘৰ জন্ম লগ্নৰ পৰা জড়িত নেতাসকলক স্মৰণ কৰে। তেওঁ অসমৰ প্ৰতিখন চাহ বাগিচাৰ প্ৰাথমিক গোটৰ সভাপতি-সম্পাদকসকলক ট্ৰেড ইউনিয়ন সন্দৰ্ভত বিভিন্ন বিষয়ৰ গ্ৰন্থ অথবা ইণ্টাৰনেটত অধ্যয়নৰ বাবে আহ্বান জনায়। প্ৰাথমিক গোটৰ সভাপতি-সম্পাদকসকল ট্ৰেড ইউনিয়ন সন্দৰ্ভত তথ্য থাকিলে মুখ্য পৰিচালক অথবা পৰিচালকসকলৰ লগত বিভিন্ন সমস্যা সন্দৰ্ভত যুঁজ দিব পাৰিব। শাখা অথবা কেন্দ্ৰত যেনে ধৰণে দুবছৰীয়া কাৰ্যকালত আঠখন সভা অনুষ্ঠিত হয় ঠিক তেনেদৰে বাগিচাৰ প্ৰাথমিক গোটসমূহতো আঠখনকৈ সভা অনুষ্ঠিত কৰিব লাগে। তেতিয়া প্ৰাথমিক গোটৰ সদস্যসকলক সংগবদ্ধ কৰিব পৰা হ’ব। সভাত পানীতোলা শাখাৰ প্ৰায় ২০ খন চাহ বাগিচাৰ প্ৰায় ৬০ জন প্ৰতিনিধি উপস্থিত আছিল। প্ৰতিনিধিসকলে বিভিন্ন বিষয়ৰ সমাধানৰ বাবে সভাৰ যোগেদি কেন্দ্ৰীয় সাধাৰণ সম্পাদকক অনুৰোধ জনায়। সভাত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য এছ বৰা, পানীতোলা শাখাৰ উপ-সভাপতিদ্বয় অনিল চন্দ্ৰ ভাট্ৰা, হেমজিত গগৈ, সহকাৰী সম্পাদক মৃদুল সোণোৱাল, কোষাধ্যক্ষ এন চেতিয়া উপস্থিত আছিল। সভাখনৰ আঁত ধৰে সহকাৰী সম্পাদক অমৃত শৰ্মাই।

## শনি মহাৰাজৰ যজ্ঞ সম্পন্ন

### ■ সেউজ কণ্ঠ যতীন বৰাক সম্বৰ্ধনা

**ঢেকিয়াজুলি, ৬ এপ্ৰিল ঃ** যোৱাকা এম ই এছ গেট ৰৈয়া ব্যৱসায়ী সন্থাৰ উদ্যোগত ভক্ত বৃন্দৰ সহযোগত যোৱা দুই এপ্ৰিলত শনি মন্দিৰ প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে শ্ৰীশ্ৰীশনি মহাৰাজৰ বাৰ্ষিক যজ্ঞানুষ্ঠানটো অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানৰ স’তে সংগতি ৰাখি কল্পতৰু সাংস্কৃতিক শিল্পী সমাজৰ তৰফৰ পৰা শিল্পী সমাজৰ সভাপতি তথা ‘ঐতিহ্য সেউজ কণ্ঠ’ সন্মানেৰে বিভূষিত সত্ৰীয়া সংস্কৃতিক সাধক যতীন বৰাৰ সুমধুৰ কণ্ঠৰে সত্ৰীয়া দিহা, ঘৰফলীয়া দিহানাম, দেহবিচাৰ গীত, টোকাৰী গীত পৰিৱেশনেৰে অনুষ্ঠান ভাগি জীপাল কৰি তোলে। বিভিন্ন জাতি, ধৰ্ম, বৰ্ণ সংমিশ্ৰণ স্থলীৰ সকলো লোকৰ অংশগ্ৰহণেৰে শান্তি সমৃদ্ধি ভ্ৰাতৃত্ববোধৰ এক মহান বাৰ্তা প্ৰেৰণ কৰে। উক্ত অনুষ্ঠানতেই শ্ৰীশ্ৰীশনি পূজা সমিতিৰ তৰফৰ পৰা ক্ৰমে সভাপতি তপন দত্ত, সম্পাদক ৰঞ্জিত দাস, অলক ক’ৰ দ্বাৰা সত্ৰীয়া সংস্কৃতিৰ জগতখনলৈ নিৰবচ্ছিন্নভাৱে অৱদান আগবঢ়াই যোৱা সেউজ কণ্ঠ যতীন বৰাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

## ওদালগুৰি ৰেডক্ৰছ শাখাৰ বাৰ্ষিক সভাৰ সামৰণি

বিশেষ সংবাদদাতা

**ওদালগুৰি, ৬ এপ্ৰিল ঃ** ওদালগুৰি ৰেডক্ৰছ শাখাৰ বাৰ্ষিক সাধাৰণ সভাখন কালি অনুষ্ঠিত হয়। ওদালগুৰি উপায়ুক্ত কাৰ্যালয়ৰ সভাগৃহত সহকাৰী আয়ুক্ত নিলাক্ষী বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি জিলা শাখাৰ সভাপতি ডালিমী বায়নে বছৰেকীয়া প্ৰতিবেদন দাখিল আৰু ভৱিষ্যত কাৰ্যপন্থা সম্পৰ্কে আলোচনা কৰাৰ উদ্দেশ্যেই সভাখন আয়োজন কৰা হৈছে বুলি কয়। জিলা শাখাৰ সম্পাদক মিলন দাসে ২০২১-২২ত ওদালগুৰি জিলাখনত কৰা বিভিন্ন অনুষ্ঠানসমূহৰ বিষয়ে বছৰেকীয়া প্ৰতিবেদন দাখিল কৰে। উক্ত সভাত ৰেডক্ৰছ ছ’চাইটি ওদালগুৰি জিলা শাখাৰ উপ-সভাপতি শৰৎ বসুমতাৰী, প্ৰাক্তন সম্পাদক বেঞ্জামিন চৰেন, ওদালগুৰি পৌৰসভাৰ সভাপতি আৰু উপ-সভাপতি ক্ৰমে ৰাকেশ বড়ো আৰু প্ৰাচুৰ্য দাস, নেহৰু যুৱ কেন্দ্ৰৰ কৰ্মচাৰীৰ লগতে জিলা শাখাৰ সদস্যসকলে অংশগ্ৰহণ কৰে।



ডিমুত সদানন্দ দাসৰ গ্ৰন্থ উন্মোচনী অনুষ্ঠানত উন্মোচকৰ লগতে বিশিষ্ট ব্যক্তিসকল।

## আমগুৰিত কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱৰ লাইখুঁটা স্থাপন

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ৬ এপ্ৰিল ঃ** বৃহত্তৰ আমগুৰি কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱৰ কালি লাইখুঁটা স্থাপন কৰা হয়। ক’ভিড অতিমাৰীৰ বাবে বিগত দুটা বছৰ আয়োজনৰ পৰা বিৰত থকা ৰঙালী বিহু উৎসৱ এইবাৰ ২৩ এপ্ৰিলৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। ইতিমধ্যে সাংসদ তপন কুমাৰ গগৈ আৰু বিধায়ক প্ৰদীপ হাজৰিকাক মুখ্য পৃষ্ঠপোষক, দিগন্ত বৰুৱাক সভাপতি, পুলকেশ গগৈক মুখ্য সম্পাদকৰূপে লৈ এক উদ্‌যাপন সমিতি গঠন কৰি হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত লাইখুঁটা স্থাপন কৰা হয়। উদ্‌যাপন সমিতিৰ মুখ্য সম্পাদক পুলকেশ গগৈয়ে আঁত ধৰা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে উপ-সভাপতি গংগাধৰ দেউৰীয়ে। তাৰ পাছতেই সভাপতি প্ৰমুখ্যে বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত সমজুৱাভাৱে লাইখুঁটা স্থাপন কৰি বিহু প্ৰদৰ্শন কৰা হয়।

## বকতা-খালৈঘোগুৱা আঞ্চলিক নাট্যগোষ্ঠীৰ অধিবেশন সম্পন্ন

**চেপন, ৬ এপ্ৰিল ঃ** চেপনৰ সমীপৱৰ্তী বকতা কৰঙাৰ গদাপাণি নাটঘৰত পৰহি দিনজোৰা কাৰ্যসূচীৰে বকতা-খালৈঘোগুৱা আঞ্চলিক নাট্যগোষ্ঠীৰ অধিবেশন অনুষ্ঠিত হয়। অঞ্চলটোৰ বিভিন্ন সাংস্কৃতিক ক্ষেত্ৰৰ লগতে বিশেষভাৱে নাট্যচৰ্চাৰ ক্ষেত্ৰত বিগত ৩৩ বছৰে বৰঙণি যোগাই অহা সামাজিক অনুষ্ঠানটোৰ অধিবেশনখনত পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ আদি কাৰ্যসূচীৰ লগতে শিল্পী মিলন সভা আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হৈ যায়। বিয়লি অনুষ্ঠিত হোৱা সাধাৰণ সভাত কমলা বৰুৱাক সভাপতি আৰু পৰেশ ফুকন, নুৰছেং মহনক যুটীয়া সম্পাদক হিচাপে লৈ এখন নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। সন্ধিয়া প্ৰদ্যুৎজ্যোতি শইকীয়া ৰচিত আৰু পৰিচালিত ‘নৱ প্ৰভাত’ নামৰ এখন সামাজিক নাট প্ৰদৰ্শন কৰা হয়। বিশিষ্ট নাট্যকৰ্মী ভৈৰৱ ফুকনে উদ্বোধন কৰা উক্ত নাট প্ৰদৰ্শন কাৰ্যসূচীত বিশিষ্ট অতিথি হিচাপে ভাৰতীয় গণ নাট্য সংঘৰ অসম ৰাজ্যিক সমিতিৰ কাৰ্যকৰী সভাপতি শৰৎ নেওগ উপস্থিত থাকে।

## ডিমৌত মটৰ চাইকেলসহ চোৰ গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ৬ এপ্ৰিল ঃ** ডিমৌ আৰক্ষী থানাৰ অন্তৰ্গত দিচাং দিঁৰৈত তিনি এপ্ৰিলত ডিমৌ আৰক্ষীয়ে এজনক মটৰ চাইকেলসহ গ্ৰেপ্তাহ কৰে। ডিমৌ আৰক্ষী থানাৰ পৰিদৰ্শক কুলেন্দ্ৰ হুজুৰীৰ তৎপৰতাত প্ৰদীপ মুণ্ডা নামৰ চোৰজনক পুৱা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ লগতে চোৰজনৰ পৰা এ এছ-০৪ ডব্লিউ-৮৭১১ নম্বৰৰ টিভিএছ এপাছি এখন জব্দ কৰে। ডিমৌ আৰক্ষীয়ে ৪১-২০২২ নম্বৰত এক গোচৰ পঞ্জীয়ন কৰি গভাইত চোৰজনক শিৱসাগৰ আদালতলৈ প্ৰেৰণ কৰে।

## কমলপুৰ আঞ্চলিক ৰঙালী বিহু সন্মিলনীৰ লাইখুঁটা স্থাপন

অগ্ৰদূত বাৰ্তা

**কমলপুৰ, ৬ এপ্ৰিল ঃ** কমলপুৰতো ৰঙালী বিহুৰ উদ্‌যাপনক লৈ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। এই ৰঙালী বিহু উদ্‌যাপনৰ অন্যতম কাৰ্যসূচী লাইখুঁটা যোৱা তিনি এপ্ৰিলত স্থাপন কৰা হ’ব। লাইখুঁটা স্থাপন কৰে কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই। কমলপুৰ আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ উদ্যোগত অহা ১৯ এপ্ৰিলৰ পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে কমলপুৰ মিনি ষ্টেডিয়াম উদ্‌যাপিত হ’ব ৰঙালী বিহু উৎসৱ। কালি মাংগলিক কাৰ্যসূচীৰে লাইখুঁটা স্থাপন কৰাৰ পাছত পাছত কমলপুৰ আঞ্চলিক ৰঙালী বিহু সন্মিলনীৰ সদ্য প্ৰয়াত সহকাৰী সম্পাদক প্ৰাণ শক্তি ডেকাৰ স্মৃতিত প্ৰাৰ্থনা জনোৱা হয়। অহা ১৯ এপ্ৰিলত প্ৰথমদিনাৰ কাৰ্যসূচীত সদৌ অসম ভিত্তিত বৰবিহুৱতী প্ৰতিযোগিতাৰ লগতে ২০ এপ্ৰিলত অনুষ্ঠিত হ’বলগীয়া সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰিব জনপ্ৰিয় কণ্ঠ শিল্পী অংগৰাগ মহন্তই (পাপন)।

## খুমটাইৰ সেন্দূৰীটিঙত আদৰ্শ অংগনবাড়ী কেন্দ্ৰ উদ্বোধন



অগ্ৰদূত বাৰ্তা

**খুমটাই, ৬ এপ্ৰিল ঃ** ৰাজ্যৰ সমাজ কল্যাণ বিভাগে খুমটাই সমষ্টিত কে’বাটাও আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰূপে বিবেচিত হোৱা অংগনৱাড়ী কেন্দ্ৰসমূহৰ গৃহ নিৰ্মাণৰ বাবে চৰকাৰে ২৫ লাখ টকাকৈ আৱন্টন দিছে। এই আঁচনিৰ অধীনত খুমটাই সমষ্টিৰ সেন্দুৰীটিঙ চাহ বাগিচাত কালি সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই এটি আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ গৃহ উদ্বোধন কৰে। উল্লেখ্য যে কঠালগুৰি খণ্ড উন্নয়ন বিষয়া সঞ্জীৱ বৰা, ব্লক চেয়াৰমেন জ্যোতিপ্ৰসাদ শইকীয়া, শাওতলী গাঁও পঞ্চায়তৰ সভানেত্ৰী বিমলা জালান, অংগনৱাড়ী কৰ্মী লক্ষীপ্ৰভা পাতৰ আৰু লক্ষীমণি গঞ্জু আদিৰ লগতে সেন্দুৰীটিঙ চাহ বাগিচাৰ বিষয়া- কৰ্মচাৰী আৰু স্থানীয় ৰাইজৰ উপস্থিতিত বিধায়ক শইকীয়াই কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ স’তে মত বিনিময় কৰে। ইফালে, খুমটাই বিধানসভা সমষ্টিত ১১ খন আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ লগতে এই অংগনৱাড়ী কেন্দ্ৰসমূহে শিশুসকলক শাৰীৰিক আৰু মানসিক বিকাশ সাধন কৰাৰ ক্ষেত্ৰত বিশেষভাৱে অৰিহণা আগবঢ়াব বুলি বক্তব্য প্ৰদান কৰে ।

## দুই শিশুৰ পৰিচয় বিচাৰি হাহাকাৰ বিশ্বনাথ জিলা শিশু সুৰক্ষা গোটৰ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৫ এপ্ৰিল ঃ** বিশ্বনাথ জিলা শিশু সুৰক্ষা গোটে কিছুদিন পূৰ্বে উদ্ধাৰ কৰে দুটিকৈ শিশু। পখিলা খেদা বয়সত এই শিশু দুটি চিন্তিত নিজৰ পৰিচয় অথবা নিজৰ ঠিকনাৰ সন্ধান বিচাৰি। কি কাৰণত কোনো এই দুটি শিশুক এনেকৈ অৰুণাচলত এৰি আহিলে, শিশু দুটি নিজেও নাজানে। দেৱ শিশু হৈ থকা সময়তে এজন শিশুক অৰুণাচলৰ এটি শিশু গৃহত কোনো লোকে এৰি আহিছিল, বৰ্তমান শিশুটিৰ বয়স ১২ বছৰ যদিও নিজৰ নাম কেতিয়াবা অজয়, কেতিয়াবা আন কিবা বুলি কয়। ইফালে, আনজন শিশুক পিতৃয়ে সুৰাপান কৰি ঘৰত অশান্তি কৰাৰ বাবে হেনো ঘৰৰ পৰা গুচি আহিছিল। কিন্তু আৰক্ষীয়ে এই দুই শিশুক অসম-অৰুণাচল সীমান্তৰ ভিন্ন স্থানৰ পৰা উদ্ধাৰ কৰি বিশ্বনাথ জিলা সুৰক্ষা গোটক প্ৰদান কৰিছিল। জিলা সুৰক্ষা গোটেও বহুদিন শিশু দুটিক নিজৰ জিম্মাত ৰাখি পৰিচয় সম্পৰ্কে সন্ধান লাভ কৰাৰ প্ৰচেষ্টা চলায় যদিও আজি পৰ্যন্ত পৰিচয় লাভ কৰিবলৈ সক্ষম নহ’ল। যাৰ বাবে এই দুটি শিশু পিতৃ-মাতৃৰ সন্ধান বিচাৰি সংবাদ মাধ্যমৰ কাষ চাপিছে বিশ্বনাথ জিলা শিশু সুৰক্ষা গোটে। শিশু দুটিৰ পিতৃ-মাতৃৰ সন্ধান নাপালে তিনিমাহৰ পাছত আইনী প্ৰক্ৰিয়াৰে ইচ্ছুক লোকক অভিভাৱক হিচাপে শিশু দুটিৰ দায়িত্ব দিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব বুলি জানিব দিছে জিলা শিশু সুৰক্ষা গোটে।

## ব্যৱসায়িক প্ৰতিষ্ঠানক দুটাকৈ ডাষ্টবিন ৰাখিবলৈ নিৰ্দেশ তিনিচুকীয়া পৌৰসভাৰ

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ৬ এপ্ৰিল ঃ** স্বচ্ছ আৰু সেউজ তিনিচুকীয়া গঢ়াৰ লক্ষ্য প্ৰাপ্তিৰ উদ্দেশ্যে পৌৰ নিগমৰ কঠিন অপচয় ব্যৱস্থাপনা আৰু সঞ্চালন, পৰিচ্ছন্নতা আৰু অনাময়-২০১৬ৰ উপ-নিয়মত উল্লেখ কৰা নিয়ম অনুসৰি তিনিচুকীয়া পৌৰসভাই এক আদেশযোগে পৌৰ অঞ্চলৰ অন্তৰ্গত প্ৰতিখন দোকান, হোটেল-ৰেস্তোৰাঁ, ব্যৱসায়িক প্ৰতিষ্ঠানক দুটাকৈ ডাষ্টবিন ৰাখিবলৈ নিৰ্দেশ দিছে। সেই অনুসৰি প্ৰতিখন দোকান, হোটেল-ৰেস্তোৰাঁ তথা ব্যৱসায়িক প্ৰতিষ্ঠানে এটা নীলা ৰঙৰ ডাষ্টবিন শুকান বৰ্জনীয়ৰ বাবে আৰু এটা সেউজীয়া ৰঙৰ ডাষ্টবিন তিতা বৰ্জনীয়ৰ বাবে ৰাখিব লাগিব। প্ৰতিটো ব্যৱসায়িক প্ৰতিষ্ঠানৰ তথা হোটেল-ৰেস্তোৰাঁৰ গৰাকীয়ে পৃথকীকৰণ কৰা বৰ্জনীয়সমূহ নিজে তিনিচুকীয়া পৌৰসভাৰ বৰ্জনীয় সংগ্ৰহ বাহনত দিব লাগিব। কোনো ব্যৱসায়িক প্ৰতিষ্ঠানে এই আদেশ উলংঘা কৰিলে জৰিমনা বিহাৰ লগতে নিয়ম অনুসৰি তেনে ব্যৱসায়িক প্ৰতিষ্ঠানৰ অনুজ্ঞাপত্ৰ বাতিল কৰা হ’ব।

## বিশ্বনাথত আক্ৰাছুৰ অৱস্থান ধৰ্মঘট

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৬ এপ্ৰিল ঃ** বিশ্বনাথ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত আজি সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ বিশ্বনাথ জিলা আৰু বিশ্বনাথ কোচ ৰাজবংশী সন্মিলনৰ যৌথ উদ্যোগত দুঘন্টীয়া অৱস্থান ধৰ্মাঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ দীৰ্ঘদিনীয়া দাবী জনজাতিকৰণত চৰকাৰে হেমাহিৰ দৃষ্টিৰে চোৱাৰ প্ৰতিবাদত এই কাৰ্যসূচী ৰূপায়ণ কৰে।

## শিক্ষকক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**দিচাংমুখ, ৫ এপ্ৰিল ঃ** ৭৪০ নম্বৰ দেওবিল শিশু কল্যাণ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পদ্মধৰ চুতীয়াই যোৱা ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰাত যোৱা তিনি এপ্ৰিলত সমাজকৰ্মী তৰামণি চুতীয়াৰ সভাপতিত্বত বিদায় সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক নৱ দত্তই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত অৱসৰপ্ৰাপ্ত শিক্ষক ৰবীন চুতীয়া, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি শৰৎ মহন্ত, বানমুখ গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্য প্ৰাৰ্থপ্ৰতিম চুতীয়া, অমূল্য চুতীয়া, দীপা বৰা, টুটু চুতীয়া, ৰূপা চুতীয়া আদি উপস্থিত থাকি বিদায়ী শিক্ষকজনৰ কৰ্মজীৱনৰ আলোকপাত কৰি বক্তব্য প্ৰদান কৰে। উক্ত সভাতে অৱসৰ গ্ৰহণ কৰা শিক্ষকজনক চেলেং, ছাতি, গামোচা, গীতা, পোছাক, সঁফুৰা, সম্বৰ্ধনাপত্ৰ আদি প্ৰদান কৰা হয়।

# দুদিনীয়া নেৰানেপেৰা বৰষুণৰ ফলত বিপৰ্যস্ত টীয়ক নগৰবাসী

অগ্ৰদূত বাৰ্তা,

**জাঁজী, ৬ এপ্ৰিল ঃ** চাৰিলেন যুক্ত ঘাইপথ নিৰ্মাণকাৰ্য অসম্পূৰ্ণৰ ফলত জীয়াতু ভুগিবলগীয়া হৈছে টীয়কবাসীয়ে। বিগত দুদিন ধৰি হোৱা ধাৰাসাৰ বৰষুণৰ ফলত ৩৭ নম্বৰ ঘাইপথৰ দাঁতি-কাষৰীয়া অঞ্চলসমূহত আৱদ্ধ হৈ পৰা পানীয়ে সৃষ্টি কৰা কৃত্ৰিম বানৰ ফলত একাংশ জনাঞ্চল আৰু ব্যৱসায় অঞ্চল পানীত বুৰ গৈছে। ফলত যাতায়াতৰ ক্ষেত্ৰত ব্যাপক সমস্যাৰ সন্মুখীন হোৱাৰ লগতে বিস্তৰ ক্ষতিসাধন ব্যৱসায় প্ৰতিষ্ঠানসমূহ। উল্লেখ্য যে ৩৭ নম্বৰ ঘাইপথটো চাৰিলেনযুক্ত পথ হিচাপে নিৰ্মাণ কৰাৰ নামত



নিৰ্মাণকাৰী প্ৰতিষ্ঠানটোৱে টীয়ক নগৰ অঞ্চলত লেহেমীয়া গতিৰে নিৰ্মাণকাৰ্য চলোৱা লগতে বিসংগতি আৰু অপৰিকল্পিতভাৱে নিৰ্মাণকাৰ্য চলাই থকাৰ বাবেই এজাক বৰষুণতে কৃত্ৰিম বানৰ সৃষ্টি হৈ আজি এনে অৱস্থা হোৱা বুলি অভিযোগ উত্থাপিত হৈছে। ঘাইপথৰ দাঁতি-কাষৰীয়া অঞ্চলবোৰ দ দ গাঁত খান্দি সৃষ্টি কৰা খাৰৈসমূহত আৱদ্ধ হৈ পৰা পানী নিষ্কাসনৰ ব্যৱস্থা নকৰাৰ বাবেই কৃত্ৰিম বানৰ সৃষ্টি হৈছে। তদুপৰি টীয়ক নগৰৰ আৱদ্ধ পানী ওলাই যাবৰ বাবে থকা পূৰ্বৰ নলা-নৰ্দমাবোৰ একাংশ নাগৰিকে ভেটি ডাঙৰ ডাঙৰ অট্টালিকা বনোৱাৰ বাবেও কৃত্ৰিম বানৰ সৃষ্টি হোৱা অভিযোগ আজি দীৰ্ঘদিনীয়া। এনে সমস্যা একাষৰীয়া কৰি কুলিৰ ভাৰত থকা জিলা প্ৰশাসনক এক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি টীয়কৰ এই কৃত্ৰিম বানৰ সমস্যা সমাধান কৰিবলৈ দাবী জনাইছে ভুক্তভোগী ৰাইজে।



গুৱাহাটী, ৭ এপ্ৰিল, বৃহস্পতিবাৰ ২০২২ পৃষ্ঠা ১২

# তিনি বছৰে নিৰ্মাণ নহ'ল বানত বিধ্বস্ত ঘাইপথ

## ■ ভৱানীপুৰৰ কঁহৰা পথ বিধ্বস্ত, যাতায়াতত জ্বলা-কলা খুৰাইছে পথচাৰীক

**বিশেষ সম্বাদদাতা**

**পাঠশালা, ৬ এপ্ৰিল ঃ** ভৱানীপুৰ বিধানসভা সমষ্টিত বিধ্বস্ত যাতায়াত ব্যৱস্থা তথা পথ-দলং আদিৰ বিধ্বস্ততাই দীৰ্ঘদিন ধৰি ৰাইজক জ্বলা-কলা খুৱাইছে। উল্লেখ্য যে ভৱানীপুৰ বিধানসভা সমষ্টিৰ ৩১ নম্বৰ ঘাইপথৰ দাঁতিকাষৰীয়া বৃহত্তৰ কঁহৰা অঞ্চলৰ দুটাকৈ গুৰুত্বপূৰ্ণ পথৰ দীৰ্ঘদিনীয়া পথৰ বিধ্বস্ততাই যাতায়াতৰ ক্ষেত্ৰত ৰাইজক হাৰাশাস্তি খুৱাইছে। ৩১ নম্বৰ ঘাইপথৰ পৰা উত্তৰ দিশে কঁহৰা হৈ ধুমাৰকুৰ-সৰুপেটা-সোণাফুলি পথ সংযোগী গুৰুত্বপূৰ্ণ পকী পথটো তিনি বছৰ পূৰ্বে বানপানীত দুটা স্থানত পৃথকে পৃথকে ব্যাপক পৰিমাণে বিধ্বস্ত হৈছিল। তেনেদৰে ঘাইপথৰ পৰা কঁহৰাস্থিত এখন শিক্ষানুষ্ঠান ষ্টিলা মেৰিজ ইংলিছ স্কুলৰ সম্মুখেৰে কহৰা বড়ো চুবা হৈ ভাৰেগাঁৱলৈ অতিক্ৰম কৰা পকী পথটোত তিনি বছৰ পূৰ্বেই এটা বিধ্বস্ত হৈছিল। দুয়োটা পথেই মুঠ তিনিটা স্থানত পৃথকে পৃথকে আজিও বিছিন্ন হৈ আছে। বিছিন্ন পথৰ ওপৰত ৰাইজে বাঁহৰ সাঁকো নিৰ্মাণ কৰি তিনিটা বছৰ ধৰি বিপদসংকুল যাতায়াত অব্যাহত ৰাখিছে। বিগত দুটা বৰ্ষত বাৰিষা পথৰ ওপৰত নিৰ্মিত বাঁহৰ সাঁকোবোৰো বানেই উটুৱাই নিছিল। ৰাইজে পুনৰ নিজৰ শ্ৰমদান কৰি বাঁহৰ সাঁকো নিৰ্মাণ কৰিছিল যদিও ঘাইপথৰ পৰা কঁহৰাৰ ষ্টিলা মেৰিজ ইংলিছ স্কুলৰ সম্মুখেৰে যোৱা পথটোত বিচ্ছিন্ন অংশত স্থাপিত বাঁহৰ সাঁকোখন পুনৰ বিধ্বস্ত হৈ গৈছে। ফলত পথটোৰে যাতায়াত কৰা শিক্ষাৰ্থী-শিক্ষকসকলৰ লগতে ৰাইজৰ যাতায়তাত ব্যাঘাত জন্মিছে। তেনেদৰে আনটো পথতো বিধ্বস্ত-বিচ্ছিন্ন অংশত স্থাপিত বাঁহৰ সাঁকোবোৰো জৰাজীৰ্ণ হৈছে। স্থানীয় ৰাইজে দুয়োটা পথৰ পুনৰ নিৰ্মাণৰ বাবে দাবী উত্থাপন কৰিছে।



# মেৰাপানীত বৃহৎ পৰিমাণৰ চুলাই জব্দ



**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ৬ এপ্ৰিল ঃ** গোলাঘাট জিলাৰ মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত কে'বাখনো গাঁৱত আজি ফৰকাটিং আবকাৰী আৰু সীমান্তত নিয়োজিত চিআৰপিএফে অভিযান চলাই কে'বাটাও মদৰ ঘাটি উচ্ছেদ কৰাৰ লগতে বৃহৎ পৰিমাণৰ চুলাই জব্দ কৰে। আবকাৰী বিভাগে সদৰী কৰা মতে, মেৰাপানীৰ তৰানি, কলাজান, ইন্দ্ৰপুৰ আদি অঞ্চলত যৌথভাৱে অভিযান চলাই বৃহৎ বৃহৎ কে'বাটাও মদৰ ঘাটি ধ্বংস কৰাৰ লগতে চুলাই প্ৰস্তুত কৰা ড্ৰাম আদি সামগ্ৰী জব্দ কৰে। তথ্য মতে, এই অভিযান কালত ৩,৬০০ লিটাৰ চুলাই, ৩,৬০০ লিটাৰ মদ তৈয়াৰী পাছ আদিয়ো জব্দ কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি একাংশ অসাধু লোকে চুলাই মদৰ ভাটি স্থাপন কৰি গাঁওসমূহত হাই-কাজিয়া, অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি কৰি আহিছিল। তথ্য মতে, অঞ্চলটোত মদ সেৱন কৰাৰ ফলত বহু পৰিয়ালৰ মাজত অশান্তি সৃষ্টি হৈ পাৰিবাৰিক সংসাৰ ভাগি গৈছে। আজি আবকাৰী বিভাগৰ এনে পদক্ষেপত স্থানীয় ৰাইজে প্ৰশংসা আৰু ধন্যবাদ জনাই চুলাই মদৰ বিৰুদ্ধে ধাৰাবাহিক অভিযান অব্যাহত ৰাখিবলৈ আহ্বান জনাইছে।

# গোৱালপাৰাত কাৰাগাৰত থকা অভিযুক্তক চিকিৎসকে ৰক্ষণা-বেক্ষণ দিয়াৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৬ এপ্ৰিল ঃ** গোৱালপাৰাত দুৰ্ঘটনাৰ জৰিয়তে হত্যাৰ পৰিকল্পনা কৰি সম্প্ৰতি জেলত থকা অভিৰাম সাহা নামৰ লোক এজনক চিকিৎসকে ৰক্ষণা-বেক্ষণ দিয়া বুলি গুৰুতৰ অভিযোগ উঠিছে। উল্লেখ্য যে যোৱা ১৭ ছেপ্টেম্বৰৰ নিশা অভিৰাম সাহাই জেল হকৰ সহায়ত এখন বলেৰ' গাড়ীৰে ছাজিদুৰ ৰহমান আৰু ইমৰাণ খান নামৰ ব্যক্তি দুজনক মহটিয়াই দিয়াত গুৰুতৰভাৱে আহত হয়। পাছত এই সংক্ৰান্তত গোৱালপাৰা সদৰ থানাত এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে ৪৮৯/২১ নম্বৰত ভাৰতীয় দণ্ড বিধিৰ ২৭৯/৩৩৮/৩০৭ গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰে। প্ৰথম অৱস্থাত ঘটনাটো এটা দুৰ্ঘটনা বুলি ভাবিছিল যদিও পাছৰ পৰ্যায়ত ন ন তথ্য পোহৰলৈ আহে। পাছত অতিৰিক্ত আৰক্ষী অধীক্ষক ১৩ পৃষ্ঠাত চাওক

# আমগুৰিত ৰুচেংৰীৰ বিহু কৰ্মশালাৰ সামৰণি ঃ ৰুচেংৰী বঁটা ঘোষণা

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ৬ এপ্ৰিল ঃ** আমগুৰি অঞ্চলৰ সাংস্কৃতিক অনুষ্ঠান ৰুচেংৰী সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত, বিহু কৃষ্টি পৰিষদ অসমৰ শিৱসাগৰ জিলা সমিতি তথা আমগুৰিবাসীৰ সহযোগত আমগুৰিৰ দুৰ্গাবাৰী প্ৰাংগণত যোৱা ১৬ মাৰ্চৰ পৰা অনুষ্ঠিত ১৫ দিনীয়া বিহু কৰ্মশালাৰ যোৱা তিনি এপ্ৰিলত সামৰণি পৰে। সামৰণি অনুষ্ঠানত কবি যোগেশ কিশোৰ ফুকন, বিহু কৃষ্টি পৰিষদ অসম, শিৱসাগৰ জিলা সমিতিৰ সভাপতি হেমন্ত চাংমাই, সাংগঠনিক সম্পাদক পৱিত্ৰ বৰা, আমগুৰিৰ বিশিষ্ট নাগৰিক ৰমেন চেতিয়া, ১৩ পৃষ্ঠাত চাওক

# যুৱ-ছাত্ৰ পৰিষদ মূল্যবৃদ্ধিৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৬ এপ্ৰিল ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে কালি বিশ্বনাথ জিলা সমিতিয়ে পেট্ৰ'ল-ডিজেল, গেছ চিলিণ্ডাৰ আৰু বিদ্যুতৰ বিল জীৱন দায়িনী দৰবকে আদি কৰি অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধি হ্ৰাস কৰাৰ দাবীত কালি বিশ্বনাথৰ উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ স্মাৰক প্ৰেৰণ কৰে। কাৰ্যসূচীত উপস্থিত থাকে বিশ্বনাথ জিলা সমিতিৰ সভাপতি দেৱব্ৰত মেধি, জিলা সাধাৰণ সম্পাদক দিগন্ত বৰুৱা, কেন্দ্ৰীয় সমিতিৰ উত্তৰ খণ্ডৰ প্ৰচাৰ সম্পাদক কমলজিৎ দত্ত, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক নাচিৰ আহমেদ, জিলা উপ-সভাপতি অমৰজ্যোতি বৰা প্ৰিয়াংকু ডেকা ডেকা সদৰ আঞ্চলিকৰ সভাপতি বিশ্বজিৎ দাস আদি।

# খোলাভূঞা প্ৰাথমিক বিদ্যালয়ত বিত্তীয় অনিয়মৰ অভিযোগ

## বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ চহী জালিয়াতি কৰি দুই লাখ ৫০ হেজাৰ উলিওৱাৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৬ এপ্ৰিল ঃ** মৰিগাঁও জিলা মায়ং শিক্ষা খণ্ডৰ অন্তৰ্গত দুই নম্বৰ খোলাভূঞা প্ৰাথমিক বিদ্যালয়ত বিত্তীয় অনিয়ম সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। বিশেষকৈ বিদ্যালয়খনত প্ৰধান শিক্ষক হিচাপে কৰ্মৰত শচীন চন্দ্ৰ ডেকাৰ বিৰুদ্ধে উত্থাপিত অভিযোগক লৈ অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিদ্যালয়খনৰ মধ্যাহ্ন ভোজন, আন্তঃগাঁথনি উন্নয়ন, টি এল এম, ইউনিফৰ্মৰ ধনকে আদি কৰি বিভিন্ন শিতানৰ ধন অপব্যৱহাৰ কৰাৰ লগতে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ মৃত্যু হোৱাৰ পাছতো চহী জালিয়াতিৰে বেংকৰ পৰা ধন উঠোৱা অভিযোগ উত্থাপন কৰিছে বিদ্যালয় পৰিচালনা সমিতিৰ একাংশ সদস্যই। বিদ্যালয়খনত সংঘটিত হৈ থকা বিত্তীয় অনিয়ম সন্দৰ্ভত মায়ং শিক্ষা খণ্ডৰ আৰু জিলা শিক্ষা বিভাগক অভিযোগ দাখিল কৰাৰ। পাছতো মৰিগাঁও শিক্ষা বিভাগে বিদ্যালয়খনৰ শৈক্ষিক উন্নয়নৰ ক্ষেত্ৰত কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰাত ক্ষোভিত হৈ পৰিছে। বিদ্যালয়খনৰ শৈক্ষিক উন্নয়নৰ ক্ষেত্ৰত কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰা প্ৰধান শিক্ষকজনে ধন ঘটাতহে ব্যস্ত হৈ পৰা বুলি অভিযোগ তুলিছে একাংশ পৰিচালনা সমিতি সদস্যই। প্ৰাপ্ত অভিযোগ অনুসৰি, বিদ্যালয় পৰিচালনা সমিতিয়ে ৫/৩/২০২০ আৰু ৯/১০/২০২১ তাৰিখে দুবাৰকৈ কাৰ্যকৰী সভা অনুষ্ঠিত কৰি হিচাপ পৰীক্ষক নিযুক্তি দিছিল যদিও প্ৰধান শিক্ষক শচীন চন্দ্ৰ ডেকাই কাৰ্যকৰী সভাৰ সিদ্ধান্তক কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰিলে। বিদ্যালয় পৰিচালনা সমিতিয়ে ১৩ পৃষ্ঠাত চাওক

# কোচ ৰাজবংশীৰ বিযুৱাৰ প্ৰস্তুতি



**তামাৰহাট, ৬ এপ্ৰিল ঃ** ধুবুৰী আৰু কোকৰাঝাৰ জিলাৰ সীমান্তৰ জলডোবা গাঁৱত জলডোবা কলা-কৃষ্টি দলৰ সহযোগত আৰু কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত সাতদিনীয়া বিযুৱাৰ কৰ্মশালা অনুষ্ঠিত হৈছে। নামনি অসমত বিহুৰ সমান্তৰালকৈ বসন্তৰ উৎসৱ বিযুৱাৰ বাবে চলিছে আখৰা। কঁকাল ঘূৰাই নাচিছে ডেকা-গাভৰুৰ লগতে কণ কণ শিশু-শিল্পীসকলে। কোচ ৰাজবংশী জনগোষ্ঠীৰ বিভিন্ন কলা-কৃষ্টি জীয়াই ৰাখিবলৈ আৰু নৱ প্ৰজন্মক ইয়াৰ আভাস দিবলৈ জলডোবা কলা-কৃষ্টি দলৰ সহযোগত আৰু কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত এই কৰ্মশালাৰ আয়োজন কৰা হৈছে। নামনি অসমৰ বিভিন্ন বিযুৱাৰ মঞ্চত কোচ ৰাজবংশী জনগোষ্ঠীৰ নৃত্য-গীত প্ৰদৰ্শন কৰিবলৈ নাচনীসকলে পদক্ষেপ হাতত লৈছে।

# বৰাজোলত 'সংকল্প-যাত্ৰা'ৰ উদ্বোধনী অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৬ এপ্ৰিল ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্ভুক্ত বৰাজোল মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত বিদ্যালয়সমূহৰ পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলৰ তিনিদিনীয়া অনা আৱাসিক প্ৰশিক্ষণ বৰ্গ যোৱা পাঁচ এপ্ৰিলত এক নম্বৰ বৰাজোল প্ৰাথমিক বিদ্যালয়ত আৰম্ভ হয়। প্ৰশিক্ষণ বৰ্গৰ উদ্বোধন কৰে বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ সমল ব্যক্তি সুভাষ বৰ্মনে। বৰ্মনে কয় যে সম্প্ৰতি চৰকাৰীভাৱে বিদ্যালয় পৰিচালনা সমিতিৰ ওপৰত যথেষ্ট দায়িত্ব অৰ্পণ কৰা হৈছে। এই দায়িত্ব সকলোৱে নিষ্ঠা-সততা-আন্তৰিকতাৰে পালন কৰা উচিত। বিদ্যালয়ৰ প্ৰতিটো কাৰ্যক্ৰমত পৰিচালনা সমিতিয়ে সহায়-সাহায্য কৰিলেহে আকাংক্ষিত লক্ষ্যত উপনীত হোৱাটো সম্ভৱ হৈ পৰে। তেওঁ কয় যে বিদ্যালয় এখনৰ উত্তৰণমুখী যাত্ৰাৰ মূলতে হ'ল বিদ্যালয়খনৰ প্ৰধান শিক্ষক আৰু বিদ্যালয় পৰিচালনা সমিতি। চি আৰ চি চি নৃপেন বৰুৱাই আঁত ধৰা সভাত সভাপতিত্ব কৰে এক নম্বৰ বৰাজোল প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ফণীন্দ্ৰ কলিতাই। সুদক্ষ চি আৰ চি চি বিপুল দাসে সমল ব্যক্তিৰূপে প্ৰশিক্ষণ বৰ্গত আলোচনা ১৩ পৃষ্ঠাত চাওক

# টেঙাখাতত ৰাষ্ট্ৰীয় পোষণ অভিযানৰ সজাগতা সভা

**অগ্ৰদূত বাৰ্তা**

**টেঙাখাত, ৬ এপ্ৰিল ঃ** সমগ্ৰ দেশতে ২১ মাৰ্চৰ পৰা চলি থকা ৰাষ্ট্ৰীয় পোষণ অভিযানৰ যোৱা চাৰি এপ্ৰিলত অন্তিম দিনটোত টেঙাখাত খণ্ড শিশু উন্নয়ন প্ৰকল্পৰ সৌজন্যত তথা টেঙাখাত মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ৰ সহযোগত টেঙাখাত বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত সজাগতা সভা অনুষ্ঠিত হয়। এই উপলক্ষে ৰক্তহীনতা কি, কিয় আৰু তাৰ পৰা হাত সাৰি থাকিবৰ বাবে কি কি উপায় অৱলম্বন কৰিব লাগে সেই বিষয়ৰ ওপৰত সজাগতা সভা অনুষ্ঠিত কৰা হয়। প্ৰায় দুই শতাধিক ছাত্ৰী, কিশোৰী আৰু যথেষ্ট সংখ্যক স্থানীয় মহিলাৰ উপস্থিতিত অনুষ্ঠিত সজাগতা সভাত টেঙাখাত ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নিতুল খাটনীয়াৰ, জিলাৰ সমাজ কল্যাণ বিষয়া দুদু দত্ত, মহকুমা স্বাস্থ্য আৰু চিকিৎসা বিষয়া ডাঃ ৰশ্মি ঠাকুৰীয়া, বিপিএম অনিল মেধি, জিলা সমন্বয়ক দীপৰঞ্জন গগৈ, কাউন্সিলৰ আৰু সামাজিক কাৰ্যকৰ্তা শ্ৰুতি হাজৰিকা, সাংবাদিক নৱ কুমাৰ গগৈকে ধৰি কে'বাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি ৰক্তহীনতাই মহিলাসকলৰ স্বাস্থ্যৰ ওপৰত পেলোৱা প্ৰভাৱ, ৰক্তহীনতাৰ ভয়াৱহতা আৰু তাৰ পৰা হাত সাৰি থাকিবৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাসমূহৰ ওপৰত আলোকপাত কৰি বক্তব্য প্ৰদান কৰে। সজাগতা সভাৰ লগত সংগতি ৰাখি টেঙাখাত মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ৰ চিকিৎসক ডাঃ চি কে দত্ত, ডাঃ বি গোস্বামীৰ নেতৃত্বত এটি চিকিৎসা সেৱা দলে ছাত্ৰী, কিশোৰী আৰু মহিলাসকলৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে এনিমিয়াৰ লক্ষণ থকা সকলৰ তেজ পৰীক্ষা সম্পাদন কৰে। সজাগতা অনুষ্ঠান জিলা সমাজ কল্যাণ বিষয়া দুদু দত্তৰ নেতৃত্বত সুন্দৰকৈ পৰিচালনা কৰে খণ্ড সমন্বয়ক হিমাংশু দাস আৰু মুখ্য সেৱিকা এঞ্জেলা গগৈয়ে।

# মেৰাপানীৰ ভস্মীভূত ব্যৱসায়িক প্ৰতিষ্ঠানৰ ব্যৱসায়ীয়ে নাপালে ক্ষতিপূৰণ

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ৬ এপ্ৰিল ঃ** মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত সৰুপানীৰ বেনেদিক পথাৰত যোৱা পাঁচ ফেব্ৰুৱাৰীৰ সন্ধিয়া সাতখনকৈ দোকান জ্বলি ভস্মীভূত হৈ প্ৰায় ২০ লক্ষাধিক মূল্যৰ সামগ্ৰী জুইত জাহ যায়। দোকান ভস্মীভূত ব্যৱসায়ীসকলে ক্ষতিপূৰণ বিচাৰি চৰকাৰৰ ওচৰত আবেদন জনাইছিল যদিও আজি পৰ্যন্ত কোনো ক্ষতিপূৰণ লাভ নকৰাত পৰিয়ালসমূহ আৰ্থিকভাৱে জুৰুলা হৈ পৰিছে। তথ্য মতে, বেনেদিক পথাৰৰ ৰাজেন চাহু নামৰ লোকজনৰ ভাড়াঘৰত ভাড়াতীয়া হিচাপে থকা ব্যৱসায়ীক তালে চাহুৰ গেলামালৰ দোকান আছিল। তেওঁৰ প্ৰায় আঠ লাখ টকাৰ দোকানৰ সামগ্ৰী জুইত পুৰি নিঃশেষ হয়। ইয়াৰ উপৰি অনিল চাহুৰ কাপোৰৰ দোকানৰ প্ৰায় তিনিলাখ টকাৰ সামগ্ৰী, তনুৰাম চাহুৰ হোটেলৰ একলাখ ২০ হেজাৰ টকাৰ বয়বস্তু ডেভিদ লগুণৰ হোটেলৰ ৯০ হেজাৰ টকাৰ বয়বস্তু, প্ৰদীপ গগৈৰ ৮০ হেজাৰ মাছ-মাংসৰ দোকানৰ সামগ্ৰী, ধীৰে হালৈৰ ২০ হেজাৰৰ শাক-পাচলি দোকানৰ বয়বস্তু আৰু নেহা সোণাৰীৰ ৫০ হেজাৰ টকাৰ কাপোৰ চিলাই প্ৰতিষ্ঠানৰ সামগ্ৰী ভস্মীভূত হয়। দোকানৰ ব্যৱসায়ীসকল এতিয়া আৰ্থিক সংকটত পৰি পৰিয়াল পোহ-পালৰ লগতে দুবেলা দুমুঠি খোৱাটোৰেই সমস্যা হৈ পৰিছে। এই ব্যৱসায়ীসকলে এতিয়া চৰকাৰৰ সাহায্যৰ অবিহনে অন্য কোনো বিকল্প নাই। সেয়েহে ভস্মীভূত হোৱা পৰিয়ালসমূহক উপযুক্ত ক্ষতিপূৰণ দিবলৈ বেনেদিক পথাৰ আৰু শুকান বিল টাউন সমিতি আৰু স্থানীয় ৰাইজে চৰকাৰক আহ্বান জনাইছে।

# শিক্ষা বিভাগৰ কাণ্ড বিপদত পৰিছে পেঞ্চনাৰ, অ-প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৬ এপ্ৰিল ঃ** অসম চৰকাৰৰ শিক্ষা বিভাগৰ শেহতীয়া টোগলকী এক কাণ্ডই সমগ্ৰ অসমৰ লগতে চৰাইদেউ জিলাৰ প্ৰাথমিক বিদ্যালয়ৰ অপ্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক আৰু অৱসৰ গ্ৰহণ কৰা পেঞ্চনাৰসকল চৰম বিপদত পৰিছে। তথ্য অনুসৰি ২০২০ ৰে পৰা পেঞ্চন লাভ কৰা অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীসকলে লাখ লাখ ধন ঘূৰাই দিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। শিক্ষা বিভাগৰ চৰকাৰী জাননী অনুসৰি পিএমএ ২৪৪/২০২০/৩০-এ দিনাংক- ৩/১২/২০২০ মৰ্মে অপ্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকসকলে গ্ৰেড পে ৬.৪০০ টকাৰ পৰা ৬,৮০০ টকা লাভ কৰে। কিন্তু এটা বছৰ ধৰি ৬,৮০০ টকাকৈ গ্ৰেড পে লাভ কৰাৰ পাছত সম্প্ৰতি পেঞ্চন বিভাগে উক্ত নিৰ্দেশনা নাকচ কৰি শিক্ষকসকলক চৰম বিপদত পেলাইছে। সমগ্ৰ অসমৰ লগতে চৰাইদেউ জিলাৰ পাঁচ শতাধিক অপ্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকসকলে গ্ৰেড পে ৬,৮০০ টকা লাভ কৰি থকা শিক্ষকসকলে পুনৰ ধন ঘূৰাই দিবলগীয়া কাৰ্যই শিক্ষকসকলক শংকিত কৰি তুলিছে। বৰ্তমান কৰ্মৰত শিক্ষকসকলে পেঞ্চনৰ পূৰ্বেই ইয়াৰ সমাধান নকৰিলে পেঞ্চনৰ সময়ত বিপদত পৰাটো নিশ্চিত হৈ পৰিছে। এই বিষয়ে অবিভক্ত শিৱসাগৰ জিলা প্ৰাথমিক শিক্ষক সন্মিলনীয়ে শিৱসাগৰ জিলা প্ৰাথমিক শিক্ষা বিয়াক তিনিবাৰকৈ আলোচনা কৰে আৰু শিক্ষা বিষয়াই সমাধানৰ আশ্বাস দিয়াৰ পাছতো কোনো ব্যৱস্থা গ্ৰহণ নকৰাত শিক্ষকসকল ক্ষোভিত হৈ পৰিছে। আনহাতে, জিলা শিক্ষা বিষয়াৰে কাৰ্যালয়ৰ উচ্চবৰ্গ সহায়ক আৰু নিম্নবৰ্গ সহায়কসকলৰ প্ৰতিলিপিতে জিলা শিক্ষা বিষয়াই কাম কৰি যোৱাৰ ফলত বহু নিৰ্দেশনা গাপ দি থোৱা বুলি শিক্ষক সমাজে অভিযোগ কৰিছে। তদুপৰি টাইম স্কেলৰ ব্যক্তিগত অৰ্ডাৰ কপিসমূহ বৃহৎ ধনৰ অংশৰ বাবে যোৱা সাত মাহে কম্পিউটাৰৰ কাম চলি থকাৰ অজুহাত দি থকাৰো অভিযোগ উত্থাপিত হৈছে। অহা সপ্তাহৰ ভিতৰত শিক্ষক সমাজে শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী তথা অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু জিলা উপায়ুক্তক এই সম্পৰ্কত অভিযোগ পত্ৰ দাখিল কৰিব বুলি সদৰী কৰিছে।

# ওদালগুৰিৰ ৩১ বিহু-বৈশাগু সমিতিলৈ সাহায্যৰ চেক প্ৰদান

## ■ বঞ্চিত বিহু সমিতিসমূহৰ ক্ষোভ

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ৬ এপ্ৰিল ঃ** অসম চৰকাৰৰ ঘোষণা অনুসৰি ওদালগুৰি জিলাৰ ৩১খনকৈ বিহু-বৈশাগু সমিতিলৈ ডেৰ লাখ টকাৰ সাহায্য প্ৰদান কৰে। এই উপলক্ষে আজি ওদালগুৰি মহাবিদ্যালয় প্ৰেক্ষাগৃহত ওদালগুৰি জিলা প্ৰশাসনৰ উদ্যোগত এখন সভা অনুষ্ঠিত হয়। মাজবাট বিধানসভা সমষ্টিৰ



বিধায়ক চৰণ বড়োৱে সকলো সাহায্যপ্ৰাপ্ত বিহু সমিতিক শুভেচ্ছা জ্ঞাপন কৰি চৰকাৰে জাৰি কৰা নীতি-নিৰ্দেশনাৰ মাজেৰে বিহু উদ্‌যাপন কৰিবলৈ আহ্বান জনায়। একেখন ১৩ পৃষ্ঠাত চাওক

# গোৱালপাৰাত ব'হাগী মেলাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৬ এপ্ৰিল ঃ** অহা ১০ এপ্ৰিলৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গোৱালপাৰা মহাবিদ্যালয় খেলপথাৰত জিলা প্ৰশাসনৰ সহযোগত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জিলা প্ৰকল্প প্ৰবন্ধন গোটে অসমী ব'হাগী মেলা ২০২২, গোৱালপাৰা আয়োজন কৰিছে। কাৰ্যসূচী অনুসৰি, প্ৰথম দিনা পুৱা অংশগ্ৰহণকাৰীৰ পঞ্জীয়ন, সাংস্কৃতিক শোভাযাত্ৰাৰ পাছত অসমী ব'হাগী মেলাৰ উদ্বোধন কৰে জিলা উপায়ুক্ত মিনাক্ষী দাস নাথে। পাছত পৰিচয় পৰ্ব আৰু সম্বৰ্ধনা অনুষ্ঠান বন্তি প্ৰজ্বলন আদৰণি ভাষণ খেল-ধেমালি প্ৰতিযোগিতা, আবেলি সাংস্কৃতিক অনুষ্ঠান বিহু নাচ একক প্ৰতিযোগিতা আৰু সন্ধিয়া শ্ৰেষ্ঠ কৰ্মদক্ষ মহিলা কৰ্মকৰ্তাসকলক সম্বৰ্ধনা আৰু বঁটা প্ৰদান কৰা হ'ব। ১১ এপ্ৰিলৰ পুৱা ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্যা সুমিত্ৰা নাথে মণ্ডল পৰ্যায়ৰ সংগঠনৰ দিন হিচাপে উদ্বোধন কৰাৰ পাছত 'আত্মসহায়ক গোটৰ মহিলাৰ জৰিয়তে জীৱিকা উন্নয়ন আৰু সমাজ সংস্কাৰ' বিষয়ক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। ১৩ পৃষ্ঠাত চাওক

# টিহুৰ নতুন লছিমাত মনসা পূজা আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**টিহু, ৬ এপ্ৰিল ঃ** টিহুৰ নতুন লছিমা গাঁও উন্নয়ন সমিতিৰ উদ্যোগত নতুন লছিমা সত্ৰৰ মনসা মন্দিৰ প্ৰাংগণত তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে ১২৪ সংখ্যক শ্ৰীশ্ৰীমা মনসা পূজা। কালি সন্ধিয়া এক মাংগলিক পৰিৱেশত প্ৰতিমা স্থাপন আৰু পূজা অধিবাসৰ পাছতে পূজাৰম্ভ হয়। নিশা সোণাৰাম বৈশ্যৰ দলৰ দ্বাৰা ওজাপালি প্ৰদৰ্শন কৰা হয়। আজি পুৱা পানী তোলা পৰ্বৰ পাছত শান্তি আৰু উৎসৰ্গ আৰম্ভ হয়। বিয়লি ওজাপালি প্ৰদৰ্শন কৰা হয়। কাইলৈ দুপৰীয়া আয়তীৰ নাম, সন্ধিয়া নাগাৰা নাম প্ৰদৰ্শন কৰা হ'ব। পূজাৰ কাৰ্যসূচীসমূহ সুচাৰুৰূপে সম্পন্ন কৰিবলৈ ফটিক ডেকাক সভাপতি, গজেন্দ্ৰ নাথ কলিতাক কাৰ্যকৰী সভাপতি, ত্ৰিদীপ দাস আৰু নয়ন ডেকাক সম্পাদক হিচাপে লৈ ইতিমধ্যে পূজা পৰিচালনা সমিতি গঠন কৰা হৈছে। সমূহ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি কামনা কৰিছে পূজা পৰিচালনা সমিতিয়ে।

# মাজগাঁৱত ৯৫ সংখ্যক বিহু সন্মিলনৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৬ এপ্ৰিল ঃ** ক'ভিডকালীন পৰিস্থিতিৰ বাবে ধাৰাবাহিকভাৱে দুবাৰকৈ ৰঙালী বিহু উদ্‌যাপন কৰিব নোৱৰাৰ বেদনাৰে বিদ্ধ অসমীয়াই এইবাৰ উৎসাহৰে সাজু হৈছে ৰঙালীক আদৰাৰ বাবে। ইতিমধ্যে তেজপুৰৰ বিভিন্ন অঞ্চলত বিহুৰ আখৰা আৰু ঢোল-পেঁপা-তালৰ শব্দ তথা নাচনীৰ নাচে সৃষ্টি কৰিছে বৰ্ণিল পৰিৱেশৰ। তদুপৰি দবেছেৰীয়া, চিত্ৰবন বাকৰি, নেহৰু ময়দান জয়মতী পথাৰ, কলেজিয়েট বাকৰি, গহন উদ্যান আদিকে ধৰি বিভিন্ন স্থানত ব'হাগ বিহুৰ আয়োজন চলিছে। ইয়াৰ ভিতৰতে তেজপুৰৰ এখন অন্যতম পুৰণি বিহু জাতীয় ছহিদ বাকৰিৰ মাজগাঁও ৰঙালী বিহু সন্মিলনৰো ব্যাপক আয়োজন চলিছে। উল্লেখ্য যে ১৯২৮ত প্ৰথমবাৰ অনুষ্ঠিত হোৱা আৰু বৃহত্তৰ মাজগাঁৱৰ চৈধ্য চুবুৰিৰ ৰাইজে উদ্‌যাপন কৰি অহা মাজগাঁও ৰঙালী বিহু সন্মিলনে ইতিমধ্যে ৯৪বৰ্ষ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিছে। এইবাৰ এইখন ৯৫ সংখ্যক ৰঙালী বিহু বিস্তৃত পাঁচদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। মাজগাঁৱৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীশংকৰ মন্দিৰ অনুষ্ঠান প্ৰাংগণতে আৰম্ভ হোৱা এই বিহুৰে প্ৰয়াত ৰেৱতী তামুলী, ভৱানী চৰণ ভূঞা প্ৰমুখ্যে বিশিষ্ট অগ্ৰণী ব্যক্তিসকলক স্মৰণ কৰি আজি বিয়লি শ্ৰীশ্ৰীশংকৰ মন্দিৰ অনুষ্ঠানত বিহু সন্মিলনৰ আয়োজক সমিতিয়ে আয়োজন কৰা এক সংবাদমেলত যুটীয়া সম্পাদক নিতুল বৰাই ঐতিহ্যমণ্ডিত বিহুখনৰ কাৰ্যসূচী সন্দৰ্ভত প্ৰকাশ কৰি কয় যে ১৪ এপ্ৰিলৰ পুৱা ন বজাত ৯৫সংখ্যক মাজগাঁও ৰঙালী বিহু সন্মিলনৰ পতাকা উত্তোলন আৰু বন্তি প্ৰজ্বলনৰ পাছতে ৯-১৫ বজাত ছহিদ তৰ্পণ কৰাৰ পৰৱৰ্তী সময়ত বৃহত্তৰ অঞ্চলটোৰ বয়োজ্যেষ্ঠসকলক বিহুৰ ওলগ জনোৱা হ'ব। বৃহত্তৰ মাজগাঁওবাসী আৰু শুভাকাংক্ষী ৰাইজৰ অংশগ্ৰহণৰে ১৪ এপ্ৰিলৰ পৰা ২০ এপ্ৰিললৈ অনুষ্ঠিত হ'ব লগা কাৰ্যসূচীৰে অন্যতম কাৰ্যসূচী ১৮ এপ্ৰিলৰ বিয়লি ছয় বজাৰ পৰা সদৌ ১৩ পৃষ্ঠাত চাওক

# শিমলাত চাপাগুৰি ককলাবাৰী আছুৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**জালাহ, ৬ এপ্ৰিল ঃ** বাগ্‌সা জিলাৰ শিমলাত আজি চাপাগুৰি ককলাবাৰী আঞ্চলিক ছাত্ৰ সন্থাই সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে ইন্ধনসহ নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত আৰু অতিশীঘ্ৰেই মূল্যবৃদ্ধি ৰোধ কৰাৰ দাবীত প্ৰতিবাদী বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। চাপাগুৰি ককলাবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ নেতা-কৰ্মীসকলে হাতে হাতে প্লে কাৰ্ড লৈ 'পেট্ৰ'ল-ডিজেলৰ মূল্যবৃদ্ধি ৰোধ কৰক, নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰক, বিজেপি চৰকাৰ হায় হায়, যোগান মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস হায় হায়, সদৌ অসম ছাত্ৰ সন্থা জিন্দাবাদ, আদি ধ্বনিৰে প্ৰতিবাদ উত্তাল কৰি তোলে। উল্লেখ্য যে শীঘ্ৰেই পেট্ৰ'ল-ডিজেলকে ধৰি নিত্যব্যৱহাৰ্য সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ নকৰিলে আগন্তুক সময়ত সংগঠনটোৱে ভয়াৱহ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে।

# ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ গোৰাগাঁও গড়কাপ্টানী পথত পুখুৰী সদৃশ গাঁত

**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ৬ এপ্ৰিল ঃ** বাট-পথ, চিকিৎসা, বিদ্যুৎ, শিক্ষা সৰ্বত্ৰে উন্নয়নৰ প্ৰতিশ্ৰুতিৰে ঢাক-ঢোল বজাই দেশ তথা ৰাজ্যত বিজেপিয়ে জয়যাত্ৰা অব্যাহত ৰখা সময়তে অঞ্চলটোৰ একাংশ বাট-পথৰ দুৰৱস্থাই জীয়াতু ভোগাইছে ৰাইজক। চিৰাং জিলাৰ চিদলী উন্নয়ন খণ্ডৰ অন্তৰ্গত এটা গুৰুত্বপূৰ্ণ পথ হ'ল গৰুভাষা-গোৰাগাঁও ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী পথ। এই পথেৰে দিনে নিশাই যান বাহন চলাচল কৰে। পথটোৰ দাঁতিত গৰুভাষা হাইস্কুল, প্ৰাথমিক বিদ্যালয়, চিকিৎসালয়, আৰক্ষী চকী আদি অৱস্থিত। বিদ্যালয়সমূলৈ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীসকল আৰু চিকিৎসালৈ বিভিন্ন গাঁৱৰ ৰোগীসকলে চিকিৎসাৰ বাবে এই পথেৰে অহা-যোৱা কৰে। একেদৰে অঞ্চলটোৰ গৰুভাষা, গোৰাগাঁও, নয়াবস্তি, জুইলাগা,



চম্পা, আমলাইগুৰি, ঘোপপাৰা, ছালবাৰী আদিৰ বাসিন্দাসকলে হাট-বজাৰ, স্কুললৈ এই পথেৰে অহা যোৱা কৰে। কিন্তু গড়কাপ্টানী বিভাগৰ গুৰুত্বহীনতাৰ বাবে দীৰ্ঘদিন ধৰি মেৰামতিৰ অভাৱত জৰাজীৰ্ণ হৈ পৰাত যাতায়াতৰ অনুপযোগী হৈ পৰিছে। উক্ত পথটোৰ বিভিন্ন ঠাইত গাঁতৰ সৃষ্টি হোৱাত পথচাৰীৰ বাবে বিপজ্জনক হৈ পৰিছে। গোটেই পথটোৰ বিভিন্ন ঠাইত পকীবোৰ চপৰা চপৰে এৰি যোৱাৰ লগতে বিভিন্ন ঠাইত গাঁতৰ সৃষ্টি হৈ পানীৰে উপচি থাকে। ফলত যানবাহন চলাচল কৰাটো কষ্টকৰ হৈ পৰিছে। পূৰ্বৰ বিটিচি চৰকাৰে পথটোৰ উন্নয়নৰ ক্ষেত্ৰত তিলমানো গুৰুত্ব নিদি চকুমুদা কুলিৰ ভাওত অৱতীৰ্ণ হোৱা বুলি ৰাইজে অভিযোগ কৰিছে। সেয়ে নৱগঠিত বিজেপি চৰকাৰ আৰু বিটিআৰ চৰকাৰৰ ওচৰত অঞ্চলবাসী ৰাইজে শীঘ্ৰে গৰুভাষা-গোৰাগাঁও সংযোগী গড়কাপ্টানী পথৰ উক্ত স্থান মেৰামতিৰ লগতে অনান্য অংশৰ খলা-বমা, গাঁত আদি মেৰামতিৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে।

# সংস্কৃতি আগুৱাই নিব পাৰিলেহে জাতিটো জীয়াই থাকিব

## পুৰণিগুদাম প্ৰেছ ক্লাবৰ বিহু আৰু ঢোলবাদন কৰ্মশালা



**বিশেষ সংবাদদাতা**
**নগাঁও, ৬ এপ্ৰিল ঃ** নগাঁও জিলা পুৰণিগুদাম প্ৰেছ ক্লাবৰ উদ্যোগত আৰু হালোৱাগাঁও আঞ্চলিক যুৱ মঞ্চৰ ব্যৱস্থাপনাত শিল্পী ৰাজু শইকীয়াৰ নেতৃত্বত যোৱা ১০ মাৰ্চৰ পৰা ভেৰভেৰী মজলীয়া আৰু প্ৰাক্ প্ৰাথমিক বিদ্যালয়ত চলি থকা ঢোল বাদন আৰু বিহু নাচ কৰ্মশালাত আজি এক প্ৰৰ্দশনীমূলক বিহু নৃত্যৰ কাৰ্যসূচী অনুষ্ঠিত হয়। ১৩০ গৰাকী ঢুলীয়া আৰু নাচনীয়ে অংশগ্ৰহণ কৰা উক্ত কৰ্মশালাত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে বিহু শিল্পী ৰাজু শইকীয়া। এইজন শিল্পীৰ প্ৰচেষ্টাত পুৰণিগুদাম হালোৱাগাঁৱত অনুষ্ঠিত এই কৰ্মশালাত আজি উপস্থিত হয়। উক্ত কৰ্মশালাত উপস্থিত হৈ পুৰণিগুদাম প্ৰেছ ক্লাবৰ এই প্ৰচেষ্টাক শলাগ লোৱাৰ লগতে জাতিটো জীয়াই ৰাখিবলৈ হ'লে আমাৰ সংস্কৃতিসমূহ আগুৱাই লৈ যাব লাগে বুলি উল্লেখ কৰে। পুৰণিগুদাম প্ৰেছ ক্লাবৰ উপদেষ্টা কুলপ্ৰদীপ দাসৰ সভাপতিত্বত অনুষ্ঠিত কৰ্মশালাখনত আন এজন বিশিষ্ট ব্যক্তি অধ্যায়টোৰ কথা আমি চিন্তা কৰিব নোৱাৰিম। প্ৰশিক্ষাৰ্থীসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে অনুষ্ঠিত হোৱা সভাত বিশিষ্ট অতিথিৰূপে ভেৰভেৰী মজলীয়া আৰু প্ৰাক্ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অসীম ভূঞা প্ৰমুখ্যে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে অসম যুৱ পৰিষদৰ কে'বাগৰাকীও কৰ্মকৰ্তা উপস্থিত থাকে।

## লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অনুষদ অন্তৰ্ভুক্তিৰ বৈঠক

**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ৬ এপ্ৰিল ঃ** মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ উদ্যোগত লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ত অন্তৰ্ভুক্তিৰ বৈঠক আজি অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যায়ন পৰিষদ অৰ্থাৎ নাক'ৰ মহাবিদ্যালয়ৰ দ্বিতীয় চক্ৰৰ মূল্যাংকনৰ উদ্দেশ্যে অনুষংগ বৰ্গৰ প্ৰস্তুতিৰ এক অংশৰূপে আয়োজিত উক্ত বৈঠকখন উদ্বোধন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° লোহিত হাজৰিকাই। কোষৰ আহ্বায়ক ড° দাদুল ৰাজকোঁৱৰে উদ্দেশ্যে ব্যাখ্যা কৰা উক্ত বৈঠকত সমল ব্যক্তিৰূপে উপস্থিত থাকে ইংৰাজী বিভাগৰ অধ্যাপক ড° হৰিণী পাটোৱাৰী দাসে। উক্ত বৈঠকত ড° দাসে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীণ নিশ্চিতকৰণ কোষৰ সঞ্চালক ড° কল্যাণ ভূঞাৰ তত্ত্বাৱধানত হোৱা প্ৰশিক্ষণৰ ভিত্তিত উপস্থিত অনুষদ বৰ্গক মূল বিষয় সন্দৰ্ভত অৱগত কৰে।

## খহনীয়াত কে'বাটাও ঘৰ জাহ যোৱাৰ উপক্ৰম

# তালাপত ডাঙৰী নদী অনন্ত নলাৰ প্ৰৱল খহনীয়া অব্যাহত

**অগ্ৰদূত বাৰ্তা**
**তালাপ, ৬ এপ্ৰিল ঃ** একে লেথাৰিয়ে বিগত কে'বাদিনো ধৰি যোৱা ধাৰাসাৰ বৰষুণত ডুমডুমা সমষ্টিৰ কৰ্দৈগুৰিত অনন্ত নলা (ডাঙৰী নদী)ই ব্যাপক খহনীয়া সৃষ্টি কৰিছে। ডুমডুমা ৰাজহ চক্ৰৰ অধীনস্থ তালাপ কৰ্দৈগুৰি অঞ্চলৰ তিনি নম্বৰ গৰিয়াটিং (তিনি নম্বৰ কৰ্দৈগুৰি) গাঁৱত অনন্ত নলাই (ডাঙৰী নদী) খহনীয়া সৃষ্টি কৰি গাঁওখনৰ কে'বাটাও পৰিয়াল বিগত বৰ্ষসমূহত গৃহহীন হোৱাৰ পাছত এইবাৰো পুনৰ দুটা পৰিয়াল খহনীয়াত জাহ যোৱাৰ উপক্ৰম হৈছে। গাঁওখনৰ তুপুল মৰাণ আৰু ধৰ্মেন্দ্ৰ মৰাণৰ ঘৰৰ নিচেই কাষত খইনীয়া আহি পোৱাত পৰিয়াল দুটাই টালি-টোপোলা বান্ধি আশ্ৰয়ৰ সন্ধান বিচাৰিছে।



চপৰা চপৰে খহনীয়া হোৱালৈ চাই আৰু দুদিনৰ পাছত পৰিয়াল দুটাৰ ঘৰৰ কোনো চিন-চাব নাথাকিব বুলি পৰিয়াল দুটাই শংকা প্ৰকাশ কৰিছে। উল্লেখ্য যে ১৯৯২ৰ পৰা কেৱল গাঁওখনতে নহয় সমগ্ৰ তালাপ-কৰ্দৈগুৰি অঞ্চলটোতে অনন্ত নলা (ডাঙৰী নদী)ৰ পৰা খহনীয়া আৰম্ভ হৈ ২০খনতকৈ অধিক ৰাজহ গাঁও নদীৰ বুকুৱে সাবটি লৈছে। খহনীয়াত জাহ যোৱা গাঁওসমূহৰ পৰিয়ালসমূহ অ'ত-অ'ত আশ্ৰয় ল'বলগীয়া হৈছে। গৰিয়াটিং গাঁৱৰ খহনীয়াত জাহ যোৱা পৰিয়ালকেইটাও বিদ্যালয়ৰ ভূমি, চৰকাৰী মাটি, ৰাস্তাৰ কাষত আশ্ৰয় লৈ খৰি কটা, মাছ মৰা, হাজিৰা কৰি পেটৰ ভাতমুঠি মোকলাবলগীয়া হৈছে। বিগত বৰ্ষত এক কোটি পাঁচ লাভ টকা চৰকাৰী পুঁজি গাঁওখনৰ খহনীয়া প্ৰতিৰোধৰ বাবে জিঅ'বেগৰ কাম হৈছিল যদিও অতি নিম্ন মানেৰে হোৱাত নদী সোঁতে সকলো উটুৱাই নিলে বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। শীঘ্ৰে গাঁওখনৰ খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থাৰ লগতে খহনীয়াত জাহ যোৱা পৰিয়ালসমূহক শীঘ্ৰে সাহায্যৰ লগতে সংস্থাপনৰ ব্যৱস্থা ল'বলৈ চৰকাৰ-প্ৰশাসনক স্থানীয় ৰাইজৰ উপৰি তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ ছাত্ৰ সন্থাই দাবী জনাইছে।

## পলাশবাৰী বঙৰাত বিহু নৃত্য-ঢোলবাদনৰ কৰ্মশালা



**অগ্ৰদূত বাৰ্তা**
**পলাশবাৰী, ৬ এপ্ৰিল ঃ** অসমীয়া বাপতি সাহোন ৰঙালী বিহুলৈ মাজত মাত্ৰ কেইটামান দিন বাকী। গছে-বনে পাত সলোৱাৰ লগতে কুলি-কেতেকীয়েও বসন্তৰ আগজাননী দিছে। হেঁপাহৰ ৰঙালী বিহুটিক আদৰাৰ বাবে প্ৰতিজন অসমীয়াই বিভিন্ন ধৰণে প্ৰস্তুতি চলাইছে। সমান্তৰালভাৱে পলাশবাৰী বঙৰা মাজপাৰা চতুৰ্ভূজ সত্ৰৰ খেলপথাৰ প্ৰাংগণত ৰাজ্যিক এনএছইউআইৰ সহযোগত আৰু কামৰূপ জিলা এনএছইউআইৰ উদ্যোগত যোৱা ৩০ মাৰ্চৰ পৰা অহা ১০ এপ্ৰিললৈ বিনামূলীয়া বিহু নৃত্য আৰু ঢোলবাদন কৰ্মশালাৰ আয়োজন কৰিছে। উক্ত কৰ্মশালা আৰম্ভ কৰে ৰাজ্যিক এনএছইউআইৰ সভাপতি কৃষাণু বৰুৱাই। উপস্থিত থাকে ৰাজ্যিক এনএছইউআইৰ উপ-সভানেত্ৰী তনভি তনজুম, সাংগঠনিক সাধাৰণ সম্পাদক অবিনাশ দাস, সাধাৰণ সম্পাদক আছিফ আহমেদ, সম্পাদক কৌশিক কাশ্যপ, নিহাৰ শইকীয়া আৰু কামৰূপ জিলা এনএছইউআইৰ সভাপতি ছাকিল আহমেদ। ৰাজ্যিক এনএছইউআইৰ উপ-সভাপতি বিকাশ নাথ যোগীৰ নেতৃত্বত অনুষ্ঠিত বিহু নৃত্য আৰু ঢোলবাদন কৰ্মশালা অঞ্চলটোৰ উঠি অহা নৱপ্ৰজন্মক বিহু নাচ তথা ঢোলবাদনৰ প্ৰতি আকৃষ্ট কৰোৱাৰ বাবে এই বিনামূলীয়াকৈ কৰ্মশালাৰ আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। দক্ষিণ কামৰূপৰ প্ৰায় তিনি শতাধিক ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰা কমশালাত প্ৰশিক্ষক হিচাপে ছয়গাঁৱৰ মানস বাবন, অৰ্জুন কলিতা, মইনা কলিতা আৰু বনিতা ঠাকুৰীয়াই বিহু নৃত্য আৰু ঢোলবাদনৰ প্ৰশিক্ষণ প্ৰদান কৰিছে। লগতে যোৱা তিনি এপ্ৰিলত লখিমপুৰ কেন্দ্ৰীয় ৰঙালী বিহু সমিতিয়ে অনুষ্ঠিত কৰা বিহু কুঁৱৰী প্ৰতিযোগিতাৰ বিহু কুঁৱৰী চয়নিকা দেৱীয়ে শিক্ষাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদান কৰিছে। সংগঠনটোৱে বিনামূলীয়াকৈ বিহু নৃত্য আৰু ঢোলবাদন কৰ্মশালা আয়োজন কৰাৰ বাবে অঞ্চলটোৰ ৰাইজে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছে।

## কলিয়াবৰত নিষিদ্ধ পলিথিন উদ্যোগ বন্ধ কৰিবলৈ আহ্বান ৰাইজৰ

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ৬ এপ্ৰিল ঃ** কলিয়াবৰ মহকুমাত নিষিদ্ধ কৰা হৈছে পলিথিনৰ মোনা। পৰিৱেশ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি কলিয়াবৰ মহকুমা প্ৰশাসনে জাৰি কৰিছে এই নিৰ্দেশনা। নিৰ্দেশনা অনুযায়ী কোনো ব্যৱসায় বিক্ৰী আৰু ব্যৱহাৰ কৰিব নোৱাৰিব পলিথিনৰ মোনা আজিৰে পৰা প্ৰযোজ্য হোৱাকৈ এই নিৰ্দেশনা জাৰি কৰিছে কলিয়াবৰ মহকুমা প্ৰশাসনৰ. ইফালে, এই পলিথিন ব্যৱহাৰ কৰিলে দুহেজাৰ টকা পৰ্যন্ত জৰিমনা বিহাৰ কথাও প্ৰকাশ কৰিছে প্ৰশাসনে। শীঘ্ৰেই চৰকাৰে বন্ধ কৰক পলিথিনৰ ফেক্টৰীসমূহ। ইয়াৰ দ্বাৰা পলিথিনৰ ব্যৱহাৰ নাইকিয়া হোৱাৰ লগতে পৰিৱেশ সুৰক্ষাতো বিশেষ সহায়ক হ'ব বুলি প্ৰকাশ কৰিছে ৰাইজে। ৰাইজে এই পলিথিনৰ ব্যৱহাৰ বন্ধ কৰা কাৰ্যক আদৰণি জনোৱাৰ লগতে চৰকাৰেও এনে পদক্ষেপ গ্ৰহণ কৰি নিৰ্দেশসমূহ কাগজে কলমেই আৱদ্ধ নাৰাখি হাতে কামে কৰি দেখুৱাবলৈ আহ্বান জনাইছে।

# কলগাছিয়াৰ কদৰ্যময় গড়কাপ্তানী পথে যমৰ যাতনা ভোগাইছে ৰাইজক

**কলগাছিয়া, ৬ এপ্ৰিল ঃ** কলগাছিয়াৰ সাওৱাচৰাৰ গড়কাপ্তানী পথত এজাক বৰষুণতে এক আঁঠু বোকা-পানী জমা হোৱাত যমৰ যাতনা ভুগিবলগীয়া হৈছে ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় ৰাইজ আৰু পথচাৰীয়ে। জনীয়া সমষ্টিৰ অন্তৰ্গত জনতাৰ পৰা সাওঁৰা ভায়া শইলমাৰী হৈ মইনবৰীলৈ যোৱা গড়কাপ্তানী পথছোৱাত শত শত পুখুৰী সদৃশ গাঁত থকাৰ পাছতো মেৰামতিৰ ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষ আৰু স্থানীয় জনপ্ৰতিনিধিয়ে কোনো গুৰুত্ব নিদিয়াৰ অভিযোগ উঠিছে। স্থানীয় ৰাইজে সাংসদ আব্দুল খালেক আৰু বিধায়ক ৰফিকুল ইছলামে নিৰ্বাচনী



প্ৰচাৰ সভাত পথছোৱা মেৰামতিৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা অনুসৰি অতি শীঘ্ৰেই পথছোৱা মেৰামতি কৰি দিয়াৰ দাবী জনাইছে। কৃষকৰ কৃষিজাত সামগ্ৰী বজাৰলৈ নিয়াৰ ক্ষেত্ৰতো ব্যাঘাত জন্মাইছে পথছোৱাই। অতি শীঘ্ৰেই পথছোৱা মেৰামতি নকৰিলে স্থানীয় ৰাইজে সাংসদ, বিধায়ক আৰু অসম চৰকাৰৰ বিৰুদ্ধে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ দিছে।

# আজিৰে পৰা বেলশৰৰ শ্ৰীশ্ৰী বিল্বেশ্বৰ দেৱালয়ত শ্ৰীশ্ৰীবাসন্তী পূজা

**অগ্ৰদূত বাৰ্তা**
**চামতা, ৬ এপ্ৰিল ঃ** নলবাৰী জিলাৰ বেলশৰৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী বিল্বেশ্বৰ দেৱালয়ত কাইলৈৰে পৰা পাঁচদিনীয়া বৰ্ণাঢ্য পৰম্পৰাগত কাৰ্যসূচীৰে এইবেলি ২৪ সংখ্যক জগত জননী দেৱী মা বাসন্তী পূজাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে লক্ষী পাটোৱাৰীক সভাপতি, অজিত বৰ্মনক কাৰ্যকৰী সভাপতি, উমেশ বৰ্মন, গিৰিশ বৰ্মনক উপ-সভাপতি, ৰঞ্জিত মিশ্ৰ দলৈ, সুনীল পাটোৱাৰী, অখিল বৰ্মনক যুটীয়া সম্পাদক আৰু ৰবীন বৰ্মন, সুনীল বৰ্মনক সহকাৰী সম্পাদক হিচাপে লৈ গঠন কৰা শ্ৰীশ্ৰী বাসন্তী পূজা উদ্‌যাপন সমিতিখনে ইতিমধ্যে যাৱতীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। কাৰ্যসূচী অনুসৰি কাইলৈ সন্ধিয়া প্ৰবীণ নাট্যশিল্পী ভোগী বৰ্মনে বন্তি প্ৰজ্বলন কৰাৰ পাছতে একাদিক্ৰমে বিল্ববোধন, ওজাপালি পৰিৱেশন, সংকীৰ্তন পৰিৱেশন আদি কাৰ্যসূচী সম্পন্ন হ'ব। আঠ এপ্ৰিলৰ পুৱা দেৱীৰ নৱপত্ৰিকা, প্ৰতিমা স্থাপন, সপ্তমী বিহিত পূজাৰ পাছত দুপৰীয়া বলিদান, দিহানাম পৰিৱেশন, বিয়লি ওজাপালি পৰিৱেশন, সন্ধিয়া আৰতি প্ৰদান, নিশা অৰ্ধৰাত্ৰি বিহিত পূজা, বলিদান আদি কাৰ্যসূচী সম্পন্ন হ'ব। ন এপ্ৰিলৰ পুৱা একাদিক্ৰমে মহা অষ্টমী পূজা, ওজাপালি পৰিৱেশন, দিহানাম, আৰতি প্ৰদান, নাগাৰা নাম, সন্ধি পূজা আদি অনুষ্ঠিত হ'ব। ১০ এপ্ৰিলৰ পুৱা ক্ৰমে নৱমী বিহিত পূজা, বলিদান, স্তোত্ৰ পাঠ, আৰতি প্ৰদানৰ পাছত সন্ধিয়া নাগাৰা নাম পৰিৱেশন কৰা হ'ব। ইফালে, ১১ এপ্ৰিলৰ পুৱা দেৱীৰ বিজয়া দশমী বিহিত পূজাৰ পাছত দেৱালয়ৰ ঐতিহাসিক দেৱান পুখুৰীত দেৱী বিসৰ্জন কৰা হ'ব। স্মৰ্তব্য যে ইতিহাস প্ৰসিদ্ধ বিল্বেশ্বৰ দেৱালয়ৰ অহা ২০২৩ত শৈৱপীঠখনৰ বাসন্তী পূজাৰ ৰূপালী জয়ন্তী উদ্‌যাপন কৰা হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।

## ছয়গাঁৱৰ জাহিৰপুৰত গাঞ্জাসহ ধৃত এক

**ছয়গাঁও, ৬ এপ্ৰিল ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱৰ জাহিৰপুৰত আজি পুৱতি নিশা ছয়গাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ছাদ্দাম আলী নামৰ এজন লোকক দীৰ্ঘদিন ধৰি এই লোকজনে জাহিৰপুৰ অঞ্চলত গাঞ্জাৰ ব্যৱসায় চলাই আছিল। ছয়গাঁও আৰক্ষীয়ে আলীৰ জাহিৰপুৰৰ ঘৰৰ পৰা বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ কৰে। আৰক্ষীয়ে ধৃত লোকজনক আদালতত হাজিৰ কৰোৱাত আদালতে কাৰাগাৰলৈ প্ৰেৰণ কৰিছে।

## ধপাত নিয়ন্ত্ৰণ বিভাগৰ উদ্যোগত চিৰাঙত ধপাত মুক্তকৰণৰ সজাগতা কৰ্মশালা অনুষ্ঠান



**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ৬ এপ্ৰিল ঃ** চিৰাং জিলাৰ সদৰ কাজলগাঁওস্থিত জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা পৰ্যায়ৰ ধপাত নিয়ন্ত্ৰণ কোষৰ এক সজাগতা কৰ্মশালা অনুষ্ঠিত হয়। চিৰাং জিলাৰ অতিৰিক্ত উপায়ুক্ত নিৰ্মালী বৰুৱাই পৌৰোহিত্য কৰা কৰ্মশালাত আদৰণি ভাষণ প্ৰদান কৰে স্বাস্থ্য সেৱা বিভাগৰ যুটীয়া সঞ্চালক দেবানন্দ বণিক্যই। বিষয় সম্পৰ্কে আলোকপাত কৰি চিৰাং জিলাত কেনেদৰে ধপাতমুক্ত কৰিব পাৰি তাৰ ওপৰত আলোচনা দাঙি ধৰে স্বাস্থ্য সেৱা বিভাগৰ জিলা মডেল বিষয়া ডাঃ ৰাজু কুমাৰ দাসে। জিলাখনৰ আৱকাৰী, স্বাস্থ্য, শিক্ষা, সমাজ কল্যাণ, আৰক্ষী, জনস্বাস্থ্য কাৰিকৰী আদিকে ধৰি ভালেসংখ্যক বিভাগৰ মুৰব্বী, মহাবিদ্যালয়সমূহৰ মুৰব্বীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাত চিৰাং জিলাত কেনেদৰে ধপাতমুক্ত কৰিব তাৰ বাবে আলোচনা কৰা হয়। অসম ৰাজ্যিক ধপাত নিয়ন্ত্ৰণ কোষৰ প্ৰকল্প সহায়ক অৰুন্ধতি বৰ্মনে জিলাখনত শিক্ষা অনুষ্ঠানসমূহত কেনেদৰে ধপাতমুক্ত কৰিব পাৰি তাৰ ওপৰত আলোচনা দাঙি ধৰে। অনুষ্ঠানত জিলাখনত ধপাতমুক্ত সজাগতা সৃষ্টি কৰিবৰ বাবে কে'বাটাও পদক্ষেপ লোৱা হয়। অনুষ্ঠানত অসম ৰাজ্যিক ধপাত নিয়ন্ত্ৰণ কোষৰ আঁচনি প্ৰবন্ধক মৃণাল মেধিয়ে বিভাগটোৱে কৰি অহা কাম-কাজৰ ওপৰত মত ব্যক্ত কৰে। জিলা অতিৰিক্ত উপায়ুক্ত নিৰ্মালী বৰুৱাই কৰ্মশালাত ধপাত তথা কেন্সাৰ ৰোগ বিয়পিব পৰা আচাৰ, তামোল-পাণ, শুকান মাছ আদি সন্দৰ্ভত বক্তব্য দিয়াৰ লগতে কেন্সাৰ মুক্ত জিলা গঢ় দিব পৰাকৈ ধপাতমুক্ত জিলা হিচাপে চিৰাং জিলাক প্ৰতিষ্ঠা কৰিবলৈ কি কি ধৰণৰ পদক্ষেপ লৈ আগবাঢ়িব লাগিব সেই সন্দৰ্ভত আলোচনা কৰে।

## ব'হাগৰ মঞ্চত সুধাকণ্ঠ ঃ এক নব্য পৰিকল্পনা তেজপুৰত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ৬ এপ্ৰিল ঃ** ব'হাগক কেবল এটা ঋতু নহয়, অসমীয়া জাতিৰ আয়ুস ৰেখা বুলি কোৱা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কায়িক উপস্থিতি অবিহনেই যোৱা সাত বছৰে অতিবাহিত হৈছে ৰাজ্যত ৰঙালীৰ সময়। ব'হাগ বিহু উদ্‌যাপনৰ এই সুধাকণ্ঠবিহীন উকা মঞ্চক এইবাৰ সুধাকণ্ঠৰ স্মৃতিৰেই জীপাল কৰিবলৈ পৰিকল্পনা কৰিছে তেজপুৰৰ একাংশ শিল্পীয়ে। কবি, লেখক তথা তথ্যচিত্ৰ নিৰ্মাতা ৰাম হাজৰিকাৰ পৰিচালনা, সুদৰ্শন বৰাৰ নৃত্য পৰিচালনা আৰু ৰুমী দেৱী চেতিয়াৰ কথাংশৰে সাজু কৰা হৈছে এক বিশেষ অনুষ্ঠান। ব'হাগৰ দৰেই অসমীয়াৰ হিয়াৰ আমঠু ভাৰতৰত্নৰ সৃষ্টি, বিভিন্ন মুহূৰ্তৰ আলোকচিত্ৰ আৰু গীতেৰে সজোৱা এই ২৭ মিনিট দৈৰ্ঘৰ অনুষ্ঠানটোৱে ব'হাগৰ মঞ্চত সুধাকণ্ঠৰ উপস্থিতিৰ এক অনুভৱ জগাই তুলিব। একাংশ তৰুণ-তৰুণীক লৈ সুধাকণ্ঠৰ প্ৰতি শ্ৰদ্ধাঞ্জলিৰূপেই ২৭ মিনিটৰ এই বিশেষ অনুষ্ঠানৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলাৰ লগতে চলিছে আখৰা। 'মানুহে মানুহৰ বাবে', 'বিস্তীৰ্ণ পাৰৰে', 'মই যেতিয়া এই জীৱনৰ মায়া এৰি গুচি যাম', 'আই সৰস্বতী অ' আদি সুধাকণ্ঠৰ একাংশ চিৰসেউজ গীতৰ লগতে এফালে প্ৰজেক্টৰৰ সহায়ত ড° হাজৰিকাৰ জীৱনৰ কেতবোৰ আপুৰুগীয়া ফটোৰ দৃশ্যাংশ প্ৰদৰ্শন তথা সমান্তৰালকৈ একেসময়তে সেই গীতসমূহৰ আধাৰত দৃষ্টিনন্দন নৃত্যৰ সমাহাৰ ঘটিব এইবাৰ ব'হাগৰ মঞ্চত। এই সকলো সূচী সামৰি ইয়াৰ লগতে প্ৰাতঃস্মৰণীয় শিল্পীগৰাকীৰ কবিতা যেন লগা বিশেষ কথাৰে সজোৱা হৈছে এই 'সুধাকণ্ঠ - দ্য লিজেণ্ড' শীৰ্ষক ড° হাজৰিকা আধাৰিত মঞ্চালেখ্যখন। যাযাবৰী শিল্পীগৰাকীৰ জীৱন-কৃতীক মাত্ৰ ২৭ মিনিটতে দৰ্শকে সুৰীয়া, সাংগীতিক পৰিৱেশত উপভোগ কৰিব পৰাকৈ প্ৰস্তুত কৰা এই অনুষ্ঠানটি অকল বিহুৰ মঞ্চৰ বাবেই নহয়, যিকোনো অনুষ্ঠানৰ ৰূপালী উপৰি সামাজিক-সংস্কৃতিক অনুষ্ঠানৰ উদ্বোধনী অনুষ্ঠানৰূপেও পৰিৱেশন কৰিব পৰাকৈ সজাই তোলা হৈছে বুলি পৰিচালক হাজৰিকাই জানিবলৈ দিয়ে। উল্লেখ্য যে তলাবন্ধৰ সময়ছোৱাত কে'বাখনো চুটি ছবি নিৰ্মাণ কৰাৰ লগতে তেজপুৰত অসমীয়া চেলুন স্থাপনেৰে আৰ্থিক স্বাৱলম্বিতাৰ নিদৰ্শন দাঙি ধৰা হাজৰিকাই অসম আৰু অসমীয়াৰ প্ৰাণৰ আপোন শিল্পীগৰাকীক এনেদৰে পুনৰ বিহুৰ মঞ্চত উপস্থাপন কৰিবলৈ ওলোৱা প্ৰয়াসক ৰাইজে প্ৰশংসা কৰিছে।

## জালাহত ৰঙালী বিহু উদ্‌যাপনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**
**জালাহ, ৬ এপ্ৰিল ঃ** প্ৰতি বছৰৰ দৰে এইবেলিও জালাহ ৰঙালী বিহু সন্মিলনীৰ উদ্যেগত যোৱা ২১ এপ্ৰিলত প্ৰদীপ নাথৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাত উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক পবিত্ৰ নাথে। পাছত এক প্ৰস্তাৱ মৰ্মে আগন্তুক ২১ সংখ্যক ৰঙালী বিহু উদ্‌যাপনৰ বাবে দীনেশ নাথক সভাপতি, ৰাহুল নাথক সম্পাদক আৰু হিমাংশু নাথক সাংস্কৃতিক সম্পাদক হিচাপে লৈ ৩০জনীয়া উদ্‌যাপন সমিতি এখন গঠন কৰে। কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন, বৃক্ষৰোপণ, ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক প্ৰতিযোগিতা আৰু সন্ধিয়া আমন্ত্ৰিত শিল্পীদ্বয় ৰিংকীতৃষ্ণা আৰু ৰাহুল দাসে সংগীত পৰিবেশন কৰিব। জালাহ ৰঙালী বিহু সন্মিলনীয়ে বিগত ২০ বছৰে এক ব'হাগত বিহু উদ্‌যাপন কৰি আহিছে।

## ছয়গাঁও আঞ্চলিক ৰঙালী বিহুৰ লাইখুঁটা স্থাপন



**ছয়গাঁও, ৬ এপ্ৰিল ঃ** দক্ষিণ কামৰূপ ছয়গাঁও সমষ্টিৰ অন্যতম ৰঙালী বিহু ছয়গাঁও আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ আজি লাইখুঁটা স্থাপন কৰা হয়। অহা এক আৰু দুই ব'হাগত বিস্তৃত কাৰ্যসূচীৰে এই ৰঙালী বিহু উদ্‌যাপন কৰা হ'ব। ছয়গাঁও মিনি ষ্টেডিয়ামত এক মাংগলিক অনুষ্ঠানৰ মাজত লাইখুঁটা স্থাপন কৰে ৮৩ বছৰীয়া জ্যেষ্ঠ নাগৰিক তথা ছয়গাঁও আঞ্চলিক ৰঙালী বিহুৰ প্ৰাক্তন সভাপতি উত্তম শৰ্মা দলৈয়ে। ইয়াৰ পূৰ্বে ৰঙালী বিহুৰ সভাপতি শৰৎ দাসৰ সভাপতিত্বত এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। সাধাৰণ সম্পাদক ৰূপম শৰ্মা দলৈয়ে পৰিচালনা কৰা সভাত জ্যেষ্ঠ নাগৰিক উত্তম শৰ্মা দলৈক সম্বৰ্ধনা জনোৱা হয়।

■ গুৰুত্ব নাই বিভাগীয় বৰমূৰীয়া-জনপ্ৰতিনিধিৰ ■ মেৰামতি কৰাৰ দাবী আছুৰ

# ঘগ্ৰাপাৰত এজাক বৰষুণতে বিধ্বস্ত হয় পথ

**অগ্ৰদুত বাৰ্তা,**
**ঘগ্ৰাপাৰ, ৬ এপ্ৰিল ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বৰাজোলৰ এটি অতি গুৰুত্বপূৰ্ণ লোক নিৰ্মাণ বিভাগৰ পথ প্ৰায় ১০ বছৰ ধৰি মেৰামতি নকৰাত সম্প্ৰতি বিধ্বস্ত ৰূপ ধাৰণ কৰাত স্থানীয় আছুকে ধৰি ৰাইজে জাঙুৰ খাই উঠিছে। নলবাৰী জিলাৰ লোক নিৰ্মাণ বিভাগৰ অন্তৰ্গত পথটো মেৰামতিৰ বাবে ৰাইজে বিভিন্ন সময়ত দাবী উত্থাপন কৰি আহিছে যদিও বিভাগে কোনো ধৰণৰ গুৰুত্ব নিদিয়াৰ অভিযোগ ৰাইজৰ। তদুপৰি স্থানীয় বিধায়ক জয়ন্ত মল্ল বৰুৱাই বিভিন্ন দলীয় কাম-কাজৰ বাবে এই পথটোৱেই অহা-যোৱা কৰে যদিও মেৰামতিৰ ক্ষেত্ৰত আজি পৰ্যন্ত কোনো ব্যৱস্থা হাতত লোৱা নাই। যাৰ বাবে কেৱল নিৰ্বাচনী অংকত মনোনিৱেশ কৰি থকা বিধায়কজনক ধিক্কাৰ দিয়ে বৰাজোল আঞ্চলিক ছাত্ৰ সন্থাই। উল্লেখ্য



যে, কেৱল মাত্ৰ শ্ল'গানতহে যেন আৱদ্ধ ৰাজ্য চৰকাৰৰ উন্নয়ন। পুনৰ ফাদিল হ'ল উন্নয়নৰ ফোঁপোলা স্বৰূপ। নলবাৰী সমষ্টি ঘগ্ৰাপাৰ-তামুলপুৰ সংযোগী লোকনিৰ্মাণ পথৰ বৰাজোল চ'কত পৰা ৰঙিয়া সংযোগী পথছোৱাৰ প্ৰায় ডেৰকিলোমিটাৰ 'নলবাৰী সমষ্টিৰ' জৰাজীৰ্ণ পথে জ্বলা-কলা খুৱাইছে সৰ্বসাধাৰণ ৰাইজক। বিভাগীয় চৰকাৰী বৰমূৰীয়াৰ হেমাহিৰ বাবে অতি ব্যস্ত পথটোৱে ক্ৰমাৎ বিধ্বস্ত ৰূপ ল'বলৈ আৰম্ভ কৰিছে। পথটোৰ বৰাজোল চ'কৰ কুলেন তালুকদাৰৰ সুলভ মুল্যৰ দোকানৰ সন্মুখৰ পৰা ধুৰকুছিয়াপাৰা নোনা নৈৰ দলঙলৈ প্ৰায় ডেৰ কিলোমিটাৰ পথ অতিকৈ জৰাজীৰ্ণ হৈ পৰিছে। শেহতীয়াভাৱে কুলেন তালুকদাৰৰ সন্মুখৰ পথছোৱাৰ বোকা-পানীৰে একাকাৰ হৈ পৰা উপৰি ধুৰকুছিয়াপাৰা গাঁওলৈকে পথটোৰ বিভিন্ন স্থানত প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হোৱাৰ ফলত কে'বাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, পথচাৰী, ব্যৱসায়ী ৰাইজে দুৰ্ভোগ ভুগিব লগা হৈছে। বৰাজোল আঞ্চলিক ছাত্ৰ সন্থাই বিধ্বস্ত পথ মেৰামতি কৰাৰ দাবীত কে'বাটাও কাৰ্যসূচী ৰূপায়ণ কৰিছিল যদিও নলবাৰী জিলাৰ লোকনিৰ্মাণ বিভাগে পথটো মেৰামতিৰ কোনো ধৰণৰ গুৰুত্ব নিদিলে বুলি অভিযোগ উত্থাপন কৰিছে। সেয়েহে বৰাজোল আঞ্চলিক ছাত্ৰ সন্থাই সমাগত বাৰিষাৰ পূৰ্বে জৰাজীৰ্ণ পথছোৱা মেৰামতি নকৰিলে গণতান্ত্ৰিকভাৱে আন্দোলনৰ কাৰ্যসূচী লোৱা হ'ব বুলিও সকীয়াই দিয়ে ।

# মৰিগাঁও টাউন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও, ৬ এপ্ৰিল ঃ** ১৯৭১তে মৰিগাঁও চহৰত স্থাপন হোৱা ঐতিহ্যমণ্ডিত মৰিগাঁও টাউন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৫০ বছৰীয়া সোণালী জয়ন্তী উৎসৱৰ আৰম্ভণি অনুষ্ঠান আজিৰে পৰা তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হৈছে। আজি পুৱা ৫০খন পতাকা উত্তোলনেৰে অনুষ্ঠানটোৰ আৰম্ভ কৰা হয়। জিলাখনৰ ৫০গৰাকী বিশিষ্ট লোকৰ দ্বাৰা এই অনুষ্ঠানটো ৰূপায়ণ কৰা হয়। সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি তথা মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে মূল পতাকা মুকলি কৰি উত্তোলনী ভাষণত ঐতিহ্যমণ্ডিত টাউন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এই ৫০ বছৰীয়া পৱিত্ৰ অনুষ্ঠানৰ লগত জন্মলগ্নৰে পৰা জড়িত সকলোৰে প্ৰতি শ্ৰদ্ধা-কৃতজ্ঞতা জ্ঞাপন কৰে। বিদ্যালয়খনৰ অধ্যক্ষ তথা উদ্‌যাপন সমিতিৰ সম্পাদক দেৱেশ্বৰ গোস্বামীয়ে আঁত ধৰা এই আৰম্ভণি অনুষ্ঠানত ৫০জন বিশিষ্ট লোকে পতাকা উত্তোলন কৰাৰ লগতে ৫০ গছি বন্তি প্ৰজ্বলন কৰে। উক্ত অনুষ্ঠানত প্ৰাক্তন বিধায়ক হৰেন্দ্ৰ বৰা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰা প্ৰমুখ্যে প্ৰতিষ্ঠাকালৰ বহুকেইগৰাকী শিক্ষক-কৰ্মচাৰী আৰু জ্যেষ্ঠ নাগৰিকে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানৰ পাছতে বিদ্যালয়খনৰ প্ৰতিষ্ঠা কালৰ প্ৰধান শিক্ষক-সমাজকৰ্মী শিৱ শৰ্মাৰ নামকৰণত জীৱিতকালতে তেওঁৰ উপস্থিতিত শিৱ শৰ্মা প্ৰেক্ষাগৃহ মুকলি কৰা হয়। উক্ত অনুষ্ঠানটো মুকলি কৰে বিধায়ক ৰমাকান্ত দেউৰীয়ে। অনুষ্ঠানত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষকজনক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইয়াৰ পূৰ্বে পুৱা মুখ্য দ্বাৰ মুকলি কৰে সমাজকৰ্মী অজিত ডেকাই। আনহাতে, বিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষ দেৱেশ্বৰ গোস্বামীয়ে। সন্ধিয়া বিদ্যালয় চৌহদত বন্তি প্ৰজ্বলনেৰে প্ৰথম দিনাৰ কাৰ্যসূচীৰ সামৰণি পৰে। ইপিনে, কাইলৈ পুৱা দ্বিতীয় দিনা ৫০ জোপা বৃক্ষৰোপণ কৰাৰ লগতে দিনৰ ১০ বজাত বিদ্যালয়ৰ বিচিত্ৰানুষ্ঠান অনুষ্ঠিত হ'ব। এই কাৰ্যসূচী উদ্বোধন কৰিব বিদ্যালয়সমূহৰ পৰিদৰ্শক বুলি গগৈ ভূঞাই। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে থাকিব জিলা সাংবাদিক সন্থাৰ সভাপতি বিৰিঞ্চি শৰ্মা। অনুষ্ঠানটোত বিশেষভাৱে শিল্পী লোকেশ্বৰ ভূঞা, সাংস্কৃতিক সংগঠক জোনমণি গোস্বামী আৰু জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মাক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব জ্যেষ্ঠ শিক্ষক গোপী নাথে। অনুষ্ঠানটোৰ সামৰণি পৰিব অহা ১০ এপ্ৰিলত।



### অভিলেখ গঢ়ি সোণ জয়ৰে এছিয়ান গেমছৰো টিকট লাভ অসম সন্তানৰ ঃ দুৱাৰ মুকলি হৈছে কমনৱেলথ গেমছলৈও

# প্ৰথম অসমীয়াৰূপে বিশ্ব এথলেটিকছলৈ যোগ্যতা অম্লানৰ



## ফেডাৰেছন কাপত ধিং এক্সপ্ৰেছ হিমাৰো সোণ ঃ মুখ্যমন্ত্ৰীৰ শুভেচ্ছা

**ষ্টাফ ৰিপ'ৰ্টাৰ,**
**গুৱাহাটী, ৬ এপ্ৰিল ঃ** অসমীয়া নৱবৰ্ষ তথা ৰঙালী বিহুৰ প্ৰাকক্ষনত অসমবাসীৰ বাবে গৌৰৱময় সুখৰ খবৰ। অসমৰ অম্লান বৰগোঁহায়ে ৰাজ্যৰ প্ৰথম এথলীট হিচাপে ছিনিয়ৰ বিশ্ব এথলেটিকছ প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰিছে। উল্লেখ্য যে কেৰালাৰ কালিকোটত চলি থকা ফেডাৰেছন কাপ এথলেটিকছত কৰা অনন্য প্ৰদৰ্শনৰে ছিনিয়ৰ বিশ্ব এথলেটিকছ প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰাৰ গৌৰৱময় সফলতা লাভ কৰিছে অসমৰ অম্লানে। অহা জুলাইত আমেৰিকাত হ'বলগা ছিনিয়ৰ বিশ্ব এথলেটিকছ প্ৰতিযোগিতাত অসম সন্তান অম্লানে ২০০ মিটাৰ দৌৰত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিব। উল্লেখ্য যে আজি অম্লানে ফেডাৰেছন কাপ এথলেটিকছত ২০.৫২ ছেকেণ্ডত ২০০ মিটাৰ দৌৰ সম্পূৰ্ণ কৰি ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি সোণ লাভ কৰাৰ লগতে আসন্ন এছিয়ান গেমছলৈও যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হয়। আনহাতে, চলিত বৰ্ষত হ'বলগা কমনৱেলথ গেমছলৈও অম্লানৰ দুৱাৰ প্ৰায় মুকলি হৈছে। উল্লেখ্য যে অসমৰ হিমা দাসে পূৰ্বে জুনিয়ৰ বিশ্ব এথলেটিকছত খেলি সোণ অৰ্জন কৰিছে যদিও অম্লান বৰগোঁহায়ে ৰাজ্যৰ প্ৰথম এথলীট হিচাপে ছিনিয়ৰ বিশ্ব এথলেটিকছ প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰাত সফল হ'ল। ইফালে, কালিকোটত চলি থকা ফেডাৰেছন কাপ এথলেটিকছত আজি হিমায়ো মহিলাৰ ২০০ মিটাৰ দৌৰত ২৩.৬৩ ছেকেণ্ডৰে সোণ লাভ কৰে। হিমা দাসৰ দৰেই অম্লানকো প্ৰশিক্ষণ দিছে নিপন দাসে। প্ৰশিক্ষক দাসে আশাব্যক্ত কৰি কয় যে অম্লানে এইসময় যি প্ৰদৰ্শন কৰিছে সেয়া ধৰি ৰাখিব পাৰিলে আসন্ন ৱৰ্ল্ড চেম্পিয়নশ্বিপ, এছিয়ান গেমছ আৰু কমনৱেলথ গেমছত পদক লাভ কৰাৰ সম্ভাৱনা আছে। ইফালে, উভয় এথলীটৰ এই স্বৰ্ণজয়ী সফলতাৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অম্লান আৰু হিমাই ৰাজ্যবাসীক গৌৰৱান্বিত কৰা বুলি নিজৰ শুভেচ্ছা বাৰ্তাত ব্যক্ত কৰে। অনাগত প্ৰতিযোগিতাতো অম্লান আৰু হিমাই সফলতা লাভ কৰিব বুলি আশা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে উভয় এথলীটক শুভেচ্ছা জ্ঞাপন কৰে। ইফালে, অসম এথলেটিকছ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰ আৰু সম্পাদক অশোক ভড়ালীয়েও শুভেচ্ছা জনাইছে অম্লান আৰু হিমাক। উল্লেখ্য যে ইয়াৰপূৰ্বে ৰাষ্ট্ৰীয় মুকলি এথলেটিকছ প্ৰতিযোগিতাত অনবদ্য প্ৰদৰ্শন কৰি চমক সৃষ্টিৰে পদক লাভ কৰিবলৈ সক্ষম হৈছিল অম্লানে। ১০০ মিটাৰ দৌৰত ৰূপৰ পদক লাভ কৰা অম্লানে ২০০ মিটাৰ দৌৰত সোণৰ পদক লাভ কৰি গৌৰৱময় সফলতা অৰ্জন কৰিছিল। সেইবাৰ ২০০ মিটাৰ দৌৰ অম্লানে ২০.৭৫ ছেকেণ্ডত পূৰ্ণ কৰি নতুন অভিলেখৰে সোণ লাভ কৰিবলৈ সক্ষম হয়। আনহাতে, অম্লানে ১০.৩৪ ছেকেণ্ড সময় লৈ ১০০ মিটাৰ দৌৰ পূৰ্ণ কৰি ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। পাঁচ মাহ পিছতে সময়ৰ ক্ষেত্ৰত আশাপ্ৰদ উত্তৰণ কৰিছে অম্লানে।





## আই টি এফ টেনিছ মহিলাৰ ডাবলছত ৰাণাৰ্ছআপ নাজনীন

**গুৱাহাটী, ৬ এপ্ৰিল ঃ** অসমৰ মহিলা টেনিছ খেলুৱৈ নাজনীন জাফৰে আই টি এফ টেনিছ প্ৰতিযোগিতাৰ ডাবলছ শাখাত ৰানাৰ্ছ আপ হৈছে। উল্লেখ্য যে উত্তৰ প্ৰদেশৰ মুজাফৰনগৰত অনুষ্ঠিত হৈছিল আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাখন। ভাৰতীয় দলৰ হৈ মহিলাৰ ৩৫ বছৰ শাখাৰ ডাবলছত অংশ লয় অসমৰ মহিলা টেনিছ খেলুৱৈ নাজনীন জাফৰে। আনহাতে, তেওঁৰ সংগী আছিল নতুন দিল্লীৰ পিংকী শৰ্মা। মহিলাৰ ৩৫ বছৰ শাখাৰ ডাবলছৰ ফাইনেলত নাজনীন আৰু পিংকী যুটী পৰাস্ত হৈ ৰানাৰ্ছ আপ হয়। ইফালে, নাজনীনে মহিলাৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল যদিও ফাইনেললৈ যাব নোৱাৰিলে। আনহাতে, মিক্সড ডাবলছৰ ছেমিফাইনেলতো পৰাস্ত হয় নাজনীন। উল্লেখ্য যে অসম ক্ৰীড়া-সাংস্কৃতিক উৎসৱ সমিতিয়ে এইবাৰ বৰ্ষশ্ৰেষ্ঠ খেলুৱৈৰ বঁটা দিছিল মহিলা টেনিছ খেলুৱৈ নাজনীন জাফৰক।

### থাইলেণ্ড অপেন আন্তৰ্জাতিক বক্সিং প্ৰতিযোগিতাত ভাৰতৰ সাফল্য

## ছেমিফাইনেলত প্ৰৱেশ কৰি পদক নিশ্চিত কৰিলে অসমৰ ভাগ্যৱতীয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ,**
**গুৱাহাটী, ৬ এপ্ৰিল ঃ** অসমৰ মহিলা বক্সাৰ ভাগ্যৱতী কছাৰীয়ে ফুকেটত চলি থকা থাইলেণ্ড অপেন আন্তৰ্জাতিক বক্সিং প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰি পদক নিশ্চিত কৰিছে। উল্লেখ্য যে আজি অনুষ্ঠিত হোৱা মহিলাৰ ৭৫ কিলোগ্ৰাম শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অসম কন্যা তথা দেশৰ তাৰকা মহিলা বক্সাৰ ভাগ্যৱতী কছাৰীয়ে ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰে ঘৰুৱা বক্সাৰ পূৰ্ণিপা চুটীক। উল্লেখ্য যে কৰ'নাৰ পাছত প্ৰথমবাৰৰ বাবে ফুকেটত অনুষ্ঠিত হৈছে থাইলেণ্ড অপেন আন্তৰ্জাতিক বক্সিং প্ৰতিযোগিতা। এছিয়া, ইউৰোপ, আফ্ৰিকা আৰু অ'ছেনিয়াৰ প্ৰায় ১৩০ গৰাকী পুৰুষ-মহিলা বক্সাৰে আন্তৰ্জাতিক বক্সিং প্ৰতিযোগিতাখনত অংশ লৈছে। ইয়াৰে ৭৪ গৰাকী পুৰুষ আৰু ৫৬ গৰাকী মহিলা। উল্লেখ্য যে অন্তিমবাৰৰ বাবে ২০১৯ ত অনুষ্ঠিত হৈছিল থাইলেণ্ড অপেন আন্তৰ্জাতিক বক্সিং প্ৰতিযোগিতা। সেইবাৰ ভাৰতে এটা সোণ, চাৰিটা ৰূপ আৰু তিনিটা ব্ৰঞ্জসহ আঠটা পদক লাভ কৰিছিল। এইবাৰ ভাৰতৰ প্ৰদৰ্শন অধিক উন্নত হ'ব। ইতিমধ্যে ভাৰতৰ চাৰিগৰাকী বক্সাৰে চলিত থাইলেণ্ড অপেন আন্তৰ্জাতিক বক্সিং প্ৰতিযোগিতা ফাইনেলত প্ৰৱেশ কৰিছে। তেওঁলোক হ'ল আশীষ, মনিকা, গবিন্দ আৰু বৰীন্দৰ।



## ৰাষ্ট্ৰীয় পেৰা এথলেটিকছত দুটা স্বৰ্ণসহ পাঁচটা পদক লাভ অসমৰ



**চেপন, ৬ এপ্ৰিল ঃ** ভুৱনেশ্বৰ চহৰৰ কলিংগ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ক্স২০ সংখ্যক ৰাষ্ট্ৰীয় পেৰা এথলেটিকছ চেম্পিয়নশ্বিপত এনিস্মিতা কোঁৱৰে পদক লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে দেশৰ ২৯ খন ৰাজ্যৰ প্ৰায় ৯০০ খেলুৱৈয়ে ভাগ লোৱা উক্ত প্ৰতিযোগিতাত অসম পেৰা অলিম্পিক সন্থাৰ তত্বাৱধানত অসমৰ সাত জনীয়া এটা পেৰা এথলিট দলে অংশগ্ৰহণ কৰিছিল। অসমক প্ৰতিনিধিত্ব কৰা উক্ত দলটোৰ দুগৰাকী খেলুৱৈয়ে অনন্য প্ৰদৰ্শন কৰি দুটা স্বৰ্ণসহ মুঠ পাঁচটা পদক অৰ্জন কৰিবলৈ সক্ষম হয়। চিৰঞ্জীতা ভৰালীয়ে লং জাম্পত এটা স্বৰ্ণ, ১০০ মিটাৰ আৰু ২০০ মিটাৰ দৌৰত দুটা ব্ৰঞ্জৰ পদক অৰ্জন কৰাৰ সমান্তৰালকৈ এনিস্মিতা কোঁৱৰে ১০০ মিটাৰ দৌৰত স্বৰ্ণ আৰু ৪০০ মিটাৰ দৌৰত ৰূপৰ পদক লাভ কৰে। বকতা কোঁৱৰগাঁৱৰ মণ্টু কোঁৱৰ আৰু ৰঞ্জু কোঁৱৰৰ ১৩ বছৰীয়া কন্যা এনিস্মিতা কোঁৱৰে প্ৰতিযোগিতাখনত ১৭.৮১ ছেকেণ্ডত ১০০ মিটাৰৰ দূৰত্ব সম্পূৰ্ণ কৰাৰ পৰিপ্ৰেক্ষিতত আগন্তুক অক্টোবৰত চীনত অনুষ্ঠিত হ'বলগা এছিয়ান পেৰা গেমছলৈ বাচনি হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে বিগত বছৰত বেংগালুৰুত হোৱা ৰাষ্ট্ৰীয় পেৰা এথলেটিকছ চেম্পিয়নশ্বিপতো দুটা স্বৰ্ণ পদক লাভ কৰিবলৈ সক্ষম হৈছিল এনিস্মিতা কোঁৱৰে।

## নৰিন্দ্ৰৰ বাট্ৰাৰ বিৰুদ্ধে চি বি আইত গোচৰ

**নতুন দিল্লী, ৬ এপ্ৰিল ঃ** ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি তথা আন্তৰ্জাতিক হকী ফেডাৰেছনৰ অধ্যক্ষ নৰিন্দ্ৰৰ বাট্ৰাৰ বিৰুদ্ধে চি বি আইত গোচৰ ৰুজু কৰা হৈছে বুলি হকী ইণ্ডিয়াৰ এক সূত্ৰত প্ৰকাশ পাইছে। উল্লেখ্য যে হকী ইণ্ডিয়াৰ সভাপতিৰ দায়িত্বতো থকা নৰিন্দ্ৰৰ বাট্ৰাই হকী ইণ্ডিয়াৰ ৩৫ লাখ টকা ব্যক্তিগত কামত খৰছ কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। সেয়েহে বিষয়টো এতিয়া চি বি আইক দিয়া হৈছে বুলি হকী ইণ্ডিয়াৰ এক সূত্ৰত প্ৰকাশ। অৱশ্যে এতিয়াও বাট্ৰাক জেৰা কৰা হোৱা নাই।





## ৰাষ্ট্ৰীয় উশ্বুত অসমৰ সোণ-ৰূপ-ব্ৰঞ্জ পদক

**অগ্ৰদূত বাৰ্তা**
**ডিমৌ, ৬ এপ্ৰিল ঃ** তামিলনাডুৰ নুৰ ইছলাম বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ লৰা-ছোৱালীৰ ৰাষ্ট্ৰীয় উশ্বু প্ৰতিযোগিতাত ৫৬ কিলোগ্ৰাম ওজনৰ লৰা শাখাত অসমৰ অভিজিৎ বুঢ়াগোহাঁইয়ে সোণৰ পদক, তুলিকা চেতিয়াই ৩৬ কিলোগ্ৰাম ছোৱালী শাখাত ৰূপৰ আৰু মুন্না মিলিয়ে ৬০ কিলোগ্ৰাম ল'ৰাৰ শাখাত ব্ৰঞ্জৰ পদক লাভ কৰি অসম তথা শিৱসাগৰ জিলাখনৰ লগতে ডিমৌলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। ইফালে, ডিমৌত উপস্থিত হোৱা খেলুৱৈ সকলক উষ্ম আদৰণি জনোৱাৰ লগতে শিৱসাগৰ জিলা উশ্বু ক্ৰীড়া সন্থাৰ উদ্যোগত ডিমৌ জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্পত অনুষ্ঠিত আদৰণি সভাত পদক প্ৰাপ্ত খেলুৱৈ সকলক সম্বৰ্ধনা জনোৱা হয়।

### সদৌ অসম প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতা

## বিচিচি ক্লাব-এমচিচিৰ অগ্ৰগতি



**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ৬ এপ্ৰিল ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ দাঁতিকাষৰীয়া কুৰুৱাবাহী চাৰিআলিৰ সমীপৰ কুৰুৱাবাহী-গেদাৰবড়ীৰ অস্থায়ী খেলপথাৰত দুই নং গেদাৰবড়ী শৰীৰ চৰ্চা কেন্দ্ৰ আৰু গেদাৰবড়ী ক্ৰিকেট ক্লাবৰ যৌথ উদ্যোগত সদৌ অসম ভিত্তিত চলি থকা প্ৰাইজমাণি ক্ৰিকেট প্ৰতিযোগিতাত ব্ৰাহ্মণগাঁও চাৰিআলি ক্ৰিকেট ক্লাব আৰু মোল্লাপট্টি ক্ৰিকেট ক্লাবে অগ্ৰগতি লাভ কৰিছে। সীমিত অভাৰৰ এই প্ৰতিযোগিতাৰ আজিৰ খেলত বিচিচি ক্লাবে বিশাল বৰদলৈৰ অনবদ্য অৱদানৰে কুৰুৱাবাহী জুনিয়ৰ ক্ৰিকেট ক্লাবক সাত উইকেটত পৰাজিত কৰাৰ বিপৰীতে এমচিচিয়ে অভিষেক বৰাৰ উল্লেখনীয় বৰঙণিৰ সহায়ত এনচিচিক ন উইকেটত হৰুৱাই পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। উল্লেখ্য যে,দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ তথা সমাজ সংগঠক লৱকান্ত শৰ্মা আৰু বিশিষ্ট ক্ৰীড় সংগঠক প্ৰভাত চন্দ্ৰ বৰাই যুটীয়াভাৱে কালি প্ৰতিযোগিতাখন উদ্বোধন কৰিছিল। ইপিনে, আয়োজক সমিতিৰ সভাপতি বনজিৎ গৌতম,সম্পাদক পৰশ প্ৰাচুৰ্য ভূএগ আৰু বিষয়ববীয়া কৃষ্টি গৌতমে জনোৱামতে প্ৰতিযোগিতাৰ চেম্পিয়ন দলক ট্ৰফীৰ লগতে নগদ দহ হাজাৰ টকা আৰু ফাইনেলিষ্ট দলক ট্ৰফীৰ লগতে নগদ পাঁচ হাজাৰ টকা পুৰস্কাৰ হিচাপে প্ৰদান কৰাৰ উপৰি মেন অৱ দ্যা চিৰিজ আৰু প্ৰতিখন খেলৰ মেন অৱ দ্যা মেচৰূপে বিবেচিত খেলুৱৈকো বিশেষ বঁটাৰে পুৰস্কৃত কৰাৰ ব্যৱস্থা কৰিছে।

### এ টি পি এ শ্বিল্ডৰ আজি প্ৰথম ছেমিত অইল-গোৰ্খা

## ফুটবলৰ যুঁজত অসম পুলিচক পৰাস্ত কৰিলে নগালেণ্ড পুলিচে

**ষ্টাফ ৰিপৰ্টাৰ**
**যোৰহাট, ৬ এপ্ৰিল ঃ** দুই পুলিচৰ দলৰ মাজত তীব্ৰ প্ৰতিদ্বন্দিতা আৰু উত্তেজনাপূৰ্ণ খেলেৰে যোৰহাট ষ্টেডিয়াম খেলপথাৰত অৱশেষত শেষ হাহি মাৰিবলৈ সক্ষম হ'ল নাগালেণ্ড পুলিচ । চলিত ৫৭ সংখ্যক এ টি পি এ শ্বিল্ড ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত অন্তিমখন কোৱাৰ্টাৰ ফাইনেলত দৰ্শকে উপভোগ কৰিলে উভয় দলৰ দৃষ্টিনন্দন খেল । অসম পুলিচ আৰু নাগালেণ্ড পুলিচ উভয় দলে বিপক্ষৰ গলব'ক্সত ইটোৰ পিছত সিটো হেচা প্ৰয়োগ কৰি উপভোগ্য খেল উপহাৰ দিয়ে । এ টি পিএ পূৰ্বৰ বিজয়ী দুয়োটা দলে আজি ঐতিহ্যমণ্ডিত খেলখনত পূৰ্বৰ সুনাম অনুসৰিয়েই খেল প্ৰদৰ্শন কৰে যদিও তীব্ৰ আক্ৰমণ প্ৰত্যাক্ৰমণৰ পাছতো গলশূন্যভাবে প্ৰথমাৰ্ধ সমাপ্ত হয় । দ্বিতীয়াৰ্ধৰ আৰম্ভনিৰে পৰা দুয়োদলে চুটি চুটি পাছেৰে বিপক্ষৰ গলবক্সত সোমাই পৰে যদিও শক্তিশালী ৰক্ষণ বিভাগৰ বাবে গ'লৰ পৰা বঞ্চিত হয় । নাগালেণ্ড পুলিচৰ গলৰক্ষক নাথেভেলী চালেহে আৰু অসম পুলিচৰ গলৰক্ষক মুল্য ৰাভাই কেবাটাও সুন্দৰ শ্বট প্ৰতিহত কৰি নিজৰ দলক সুৰক্ষিত কৰি ৰাখে । কিন্তু আক্ৰমন-প্ৰত্যাক্ৰমনৰ মাজতে দ্বিতীয়াৰ্ধৰ ৪০ মিনিটত ৰিটছ মাৰে দৰ্শনীয় শ্বটেৰে একমাত্ৰ গলটো দি নাগালেণ্ড পুলিচক ছেমি ফাইনেলত উপনীত কৰোৱায় । আজিৰ খেলখন পৰিচালনা কৰে বিমান বৰগোহাই , বিমান সন্দিকৈ আৰু থানেশ্বৰ ৰেগনে । চতুৰ্থ সুমন্ত দত্ত । কাইলৈ প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত অইল ইণ্ডিয়া দলে খেলিব শ্বিলং গোৰ্খা একাডেমীৰ বিৰুদ্ধে।



## একমাত্ৰ টি-২০ মেচত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ঘৰতে পৰাস্ত পাকিস্তান

**লাহোৰ, ৬ এপ্ৰিল ঃ** অষ্ট্ৰেলিয়া ক্ৰিকেট দলে জয়ৰে পাকিস্তান ভ্ৰমণ সামৰিছে। উল্লেখ্য যে একমাত্ৰ টি-২০ মেচত অষ্ট্ৰেলিয়াই তিনি উইকেটত পৰাস্ত কৰে পাকিস্তানক। পোনতে বেটিং কৰি পাকিস্তানে আঠ উইকেটত কৰে ১৬২ ৰাণ। দলৰ হৈ বাবৰ আজমে কৰে ৬৬ ৰাণ। প্ৰত্যুত্তৰত, অষ্ট্ৰেলিয়াই ১৯.১ অভাৰত সাত উইকেটত ১৬৩ ৰাণ কৰি তিনি উইকেটত জয় অৰ্জন কৰে। অষ্ট্ৰেলিয়াৰ হৈ এৰন ফিন্সে ৫৫ ৰাণ কৰে। উল্লেখ্য যে অষ্ট্ৰেলিয়া ক্ৰিকেট দলে পাকিস্তান ভ্ৰমণত টেষ্ট আৰু এদিনীয়া শৃংখলা খেলাৰ পাছত একমাত্ৰ টি-২০ মেচখন খেলিছে। তিনিখনীয়া টেষ্ট শৃংখলাটো অষ্ট্ৰেলিয়া ক্ৰিকেট দলে ১-০ ৰ ব্যৱধানত দখল কৰাৰ বিপৰীতে ঘৰুৱা দল পাকিস্তানে তিনিখনীয়া এদিনীয়া শৃংখলাটো ২-১ ৰ ব্যৱধানত লাভ কৰিছিল।

## হেমদোল প্ৰাথমিক বিদ্যালয়ত ৰঙিয়া জিলা কাৰাটে সন্থাৰ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ৬ এপ্ৰিল ঃ** ৰঙিয়া জিলা কাৰাটে সন্থা আৰু আকাশ স্প'ৰ্টচ একাডেমীৰ উদ্যোগত ৰঙিয়াৰ সমীপৰ হেমদোল প্ৰাথমিক বিদ্যালয় প্ৰাংগনত এটি কাৰাটে প্ৰশিক্ষণ কেন্দ্ৰৰ শুভাৰম্ভ কৰা হয়। ক্ৰীড়াক সমাজ জীৱনৰ অংশ হিচাবে প্ৰাধান্য দিয়াৰ উদ্দেশ্যে ৰঙিয়াৰ অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান আকাশ স্প'ৰ্টচ একাডেমীৰ উদ্যোগত শুভাৰম্ভ কৰা কাৰাটে প্ৰশিক্ষণ কেন্দ্ৰটোৰ উদ্বোধন কৰে ৰাষ্ট্ৰীয় খেলুৱৈ আৰু অসম কাৰাটে সন্থাৰ যুটীয়া সম্পাদক তথা ৰঙিয়া কাৰাটে সন্থাৰ সম্পাদক চৈয়দ মাজহাৰুল ইছলামে । উদ্বোধনী অনুষ্ঠানত সমাজকৰ্মী গুণমণি দাসে অংশ লয়। শিশু খেলুৱৈ সুৰঞ্জন কলিতাই উদ্বোধনী অনুষ্ঠানত প্ৰদৰ্শন কৰা কাৰাটেৰ কলাকৌশলে সকলোকে আপ্লুত কৰে । সমাজ সংগঠক হেমন্ত কলিতাই আঁত ধৰা শুভাৰম্ভ অনুষ্ঠানত প্ৰশিক্ষক ভূপেন নমশুদ্ৰ, অজন্তা দাস , বিপুল কাকতি , ধ্ৰুৱজ্যোতি কলিতা, নিপন দত্ত কলিতা , প্ৰণিতা কলিতা , সুমিতা শীল , বন্দনা বৈশ্যসহ কেবাগৰাকী ক্ৰীড়ানুৰাগীয়ে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণত নামভৰ্তিৰ বাবে ৯১০১২-৬৪২৫৬ আৰু ৯১০১১-১৫০৮৫ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে ।





কে কে আৰৰ বিৰুদ্ধে খেলা মেচত মুম্বাইৰ সূৰ্য-ললিত।

## বিলাসনন্দন চ'ৰা



### বিহু আহিলেই!

ঃ হেৰা, আহিলেই দেখোন।
ঃ কি?
ঃ বিহু।
ঃ তাকেইতো! বিহু অহা অহা যেন লগাই নাই এইবাৰ।
ঃ কিয়?
ঃ নহয় মানে কুলি-কেতেকীয়ে মতাই নাই দেখোন!
ঃ আজিকালি মাত মাতিবলৈ সৰেই ভয় কৰেহে!
ঃ কিয়?
ঃ দেছদ্ৰোহী হৈ যাব পাৰেতো!
ঃ সেইটো অৱশ্যে হয়।
ঃ আৰু এটা কাৰণ থাকিব পাৰে!
ঃ কি?
ঃ চৰাই-চিৰিকটিৰ কাৰণে ভেকচিন ওলোৱা নাই নহয়।
ঃ নাই ওলোৱা।
ঃ সেই কাৰণে হয়তো সিহঁতে এণ্ট্ৰি নাপাব পাৰে।
ঃ হ'ব পাৰে।
ঃ আৰু এটা কাৰণ থাকিব পাৰে।
ঃ কি?
ঃ কুলিবোৰক হয়তো সোমাবলৈ দিছে, কিন্তু মাত মতাটো বন্ধ কৰি থ'ব পাৰে।
ঃ কিয়?
ঃ কুলিৰ মাতটো কেনেকুৱা?
ঃ কুউ কুউ...
ঃ এই কুউটো কোন মুহূৰ্তত গৈ কা হৈ যাব পাৰে, তাৰ একো পাত্তা নাই।
ঃ সেইটো হয়।
ঃ মই আকৌ বিহু অহা বুলি কাৰ মাতত গম পালো জানা!
ঃ কাৰ মাতত?
ঃ শ্ৰীমতীৰ মাতত!
ঃ মানে?
ঃ শ্ৰীমতীয়ে আহি ক'লে— দুবছৰ ক'ভিডে বচাই দিছে। এইবাৰ কিন্তু নাবাচে।
ঃ মানে?
ঃ দুবছৰ বিহুত কাপোৰ লোৱা নাই। এইবাৰ ল'বই বোলে!
ঃ হয় নেকি?
ঃ ল'ৰায়ো কৈছে কাপোৰ লাগিবই।
ঃ আৰু?
ঃ ছোৱালীয়েও কৈছে কাপোৰ লাগিবই বোলে!
ঃ তুমি কি কৈছা?
ঃ আটাইকে কিনি দিম বুলি কৈছো।



ঃ কিছু পইচা খৰচ হ'ব তোমাৰ! যিহে বস্তুৰ দাম!
ঃ সেই কাৰণে তিৰী-ছলিক কৈছো।
ঃ কি কৈছা?
ঃ কাপোৰ কিনি দিব লাগে যদি দুদিনমান ৰখিব কৈছো।
ঃ দুদিনমান কিয়?
ঃ দুদিনত নিজৰ কাপোৰখিনি বেচিব পাৰি নেকি চাওঁ।
ঃ এইবাৰ বিহুত ঢোল-পেঁপাৰ মাতো শুনা নাইহে!
ঃ কেনেকৈ শুনিবা? আজিৰ ল'ৰাই ছোৱালী জোকাবলৈহে পেঁপা বজায়।
ঃ সেইটো হয়।
ঃ নাচনীবোৰেও গোৰোহালৈ কাপোৰ পিন্ধিবলৈ লাজ পায়।
ঃ সেইটো হয়।
ঃ কঁকালৰ বিষ হ'ব বুলি কঁকালখন ঘূৰাবলৈও টান পায়।
ঃ সেইটো হয়।
ঃ খোপা বান্ধিবলৈ চুলি নাথাকেই!
ঃ হয় হয়।
ঃ কপৌ ফুলক কয় ফানী ফুল। দেখাত বোলে তামাম ফানী!
ঃ কিন্তু বিহুৰ বতৰত ঢোলৰ মাতটোও নুশুনা হ'লো যে!
ঃ দিল্লী-দিছপুৰে মিলি গোটেই বছৰটো দেখোন নিজৰ প্ৰচাৰৰ জয়ঢোলটো বজাই থাকে। বিহুৰ ঢোলৰ মাত ক'ত শুনিবা!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# বিশুদ্ধ খোৱাপানীৰ অভাৱত গোৱালপাৰা চহৰৰ পূব পাহাৰতলীবাসীৰ হাহাকাৰ



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ৬ এপ্ৰিলঃ** চৰকাৰে প্ৰতিটো পৰিয়ালক বিশুদ্ধ খোৱাপানী যোগানৰ লক্ষ্যৰে কোটি কোটি টকা খৰচ কৰি আহিছে যদিও বাস্তৱ ক্ষেত্ৰত ঠাই বিশেষে ইয়াৰ বিপৰীত ছবিহে দেখিবলৈ পোৱা গৈছে। উদাহৰণস্বৰূপে অসমৰ দ্বিতীয়খন পৌৰসভাৰ স্বীকৃতি পোৱা গোৱালপাৰা পৌৰসভাৰ অন্তৰ্গত পূব পাহাৰতলীৰ প্ৰায় দুই শতাধিক পৰিয়ালে সম্প্ৰতি বিশুদ্ধ খোৱাপানীৰ অভাৱত হাহাকাৰ কৰিবলগীয়া হৈছে। উল্লেখ্য যে হুলুকান্দা পাহাৰৰ পূব দিশত অৱস্থিত পূব পাহাৰতলীবাসীয়ে যুগ যুগ ধৰি খোৱাপানীৰ পৰা বঞ্চিত হৈ আছে। পাহাৰীয়া অঞ্চল হোৱা বাবেই পূব পাহাৰতলীত তাৰা হেণ্ডপাম্প অথবা টিউবৰ ব'ৰিং নহয়। ফলত কাষেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰৰ পানী অথবা নিজৰাৰ পানী পান কৰিবলগীয়া হৈছে বাসিন্দাসকলে। আৰ্থিকভাৱে দুৰ্বল পৰিয়ালে বসবাস কৰা অঞ্চলটোত বিশুদ্ধ খোৱাপানী যোগানৰ বাবে ভুক্তভোগী ৰাইজে বাৰে বাৰে দাবী জনাই আহিছে যদিও আজিলৈকে কোনো সুফল পোৱা নাই। অৱশ্যে শেহতীয়াভাৱে গোৱালপাৰা জনস্বাস্থ্য কাৰিকৰী বিভাগে দিনত দুবাৰকৈ খোৱাপানী যোগানৰ ব্যৱস্থা কৰিছে। ফলত দিনত দুবাৰকৈ শাৰীপাতি থকাৰ পাছত জনস্বাস্থ্য কাৰিকৰী বিভাগে যোগান ধৰা পানী খাই জীয়াই থাকিবলগীয়া হৈছে। অৱশ্যে এই অস্থায়ী ব্যৱস্থাৰে পাহাৰতলীৰ ৰাইজৰ বিশুদ্ধ খোৱাপানীৰ অভাৱ মোচন কৰিব নোৱাৰে বুলি অভিযোগ উঠিছে। যিহেতু পাহাৰতলী অঞ্চলত দমকল বা তাৰাপাম্প বহুৱাব নোৱাৰি, সেয়ে বৃটিছৰ সময়ৰ কুঁৱাসমূহ মেৰামতি কৰি পৰিষ্কাৰ কৰি তুলিলেই এই অঞ্চলৰ ৰাইজৰ পানীৰ সমস্যা সমাধান হ'ব বুলি বিভিন্নজনে মত প্ৰকাশ কৰিছে। উল্লেখ্য যে গোৱালপাৰা চহৰত বিশুদ্ধ খোৱাপানী যোগানৰ নামত হুলুকান্দা পাহাৰত পয়ঃপ্ৰণালী বিভাগে এটা পানী যোগান আঁচনি স্থাপন কৰে যদিও সেয়া বিকল হৈ আছে। ইফালে, চহৰৰ পাহাতলীৰ ওচৰতে থকা বামুণপাৰা তিনি আলি, ইলিজেণ্ট গেচ কোম্পানীৰ ওচৰত, শনিমন্দিৰৰ সন্মুখত, পুৰণি নিয়োগ বিনিময় কেন্দ্ৰৰ ওচৰত, টিলাপাৰাত দুটাকৈ কুঁৱা আছিল। বৃটিছৰ সময়ত খন্দা বিশুদ্ধ খোৱাপানীৰ কুঁৱাসমূহ যতনৰ অভাৱতে নিঃশেষ হোৱাৰ উপক্ৰম হৈছে। সেয়ে এই কুঁৱাসমূহ ভালকৈ মেৰামতি কৰি পানী যোগানৰ ব্যৱস্থা কৰাৰ দাবী জনাইছে ভূক্তভুগী ৰাইজে। এতিয়া নৱনিৰ্বাচিত পৌৰসভা তথা ৱাৰ্ড কমিছনাৰে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব বুলি বিভিন্নজনে মন্তব্য কৰিছে।

### প্ৰচাৰবিমুখ বায়ন ধেনুৰাম গগৈ
# গুৰুতকৈ শিষ্য হ'বা সিয়ান, খুচৰি খুচৰি ল'বা জ্ঞান



**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ৬ এপ্ৰিল ঃ** নিজৰ গাওখনৰ ভাওনা-সবাহৰ উপৰি ওচৰ-পাজৰৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ গায়ন-বায়ন দলটোক বিগত ৪৯ বছৰে নেতৃত্ব প্ৰদান কৰি আহিছে ৯০ বছৰীয়া বায়ন ধেনুৰাম গগৈয়ে। লীলাবাৰীস্থিত নতুন নপাম গাঁৱত ১৯৩৩ত জন্মগ্ৰহণ কৰা গগৈয়ে ৫০ বছৰ পূৰ্বে সত্ৰৰ মহাপুৰুষীয়া বায়নৰ ওচৰত প্ৰশিক্ষণ গ্ৰহণ কৰে। তেওঁৰ গুৰু হ'ল বগীনদীৰ একালৰ বিখ্যাত বায়ন প্ৰয়াত ধনী বায়ন। গগৈয়ে উল্লেখ কৰা মতে, প্ৰথমতে তেওঁ একান্তমনে গুৰুৰ পৰা শুনি শুনি সেইবোৰ অনুশীলন কৰিছিল। তেনেদৰে তেওঁ গুৰুৰ মুখত শুনিয়ে শিকিবলৈ আৰম্ভ কৰে। এই সন্দৰ্ভত গগৈয়ে কয়, 'গুৰুতকৈ শিষ্য হ'বা সিয়ান/খুচৰি খুচৰি ল'বা জ্ঞান।' তেওঁ আয়ত্ত কৰা গায়ন-বায়নত ফলীয়া বাজনা, ঘোষা ধেমালি, ঝুমুৰি, বৰ ধেমালি গুৰুঘাট, থাপনা ঘাট, ভকত ঘাট আদি অন্তৰ্ভুক্ত। তেওঁ উল্লেখ কৰা মতে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ এই অৱদান কিঞ্চিত আয়ত্ত কৰাসকলে জীৱনত ডাঙৰ সম্পদ আহৰণ কৰে। উল্লেখ্য যে বৰ্তমান তেওঁ গায়ন-বায়নত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব নোৱাৰিলেও গুৰু ৰূপত নেতৃত্ব প্ৰদান কৰি আছে। এই প্ৰচাৰ বিমুখ শিল্পীজনক বহুতে চৰকাৰী স্বীকৃতি তথা শিল্পী পেন্সন প্ৰদানৰ দাবী উত্থাপন কৰিছে।

# 'গুৱাহাটী পৌৰ নিগমৰ বাবে অজাপৰ ঘোষণাপত্ৰ' উন্মোচন



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ এপ্ৰিল ঃ** বৰ্তমানৰ অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পূৰ্বে ২০ বছৰ ধৰি গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰিত্ব লাভ কৰিছিল। ড° শৰ্মাৰ দিনতেই প্ৰায় ২৩০০ কোটি টকা ব্যয়ৰে মহানগৰীৰ চাৰিখনকৈ বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ উদ্দেশ্যে প্ৰকল্প আৰম্ভ কৰা হৈছিল যদিও মহানগৰবাসীয়ে আজি পৰ্যন্ত বিশুদ্ধ খোৱাপানী এটুপি নাপালে। যোৱা ২০ বছৰে চাৰিওখন প্ৰকল্প অসম্পূৰ্ণ হৈ ৰ'ল। গতিকে মহানগৰবাসীৰ খোৱাপানীৰ সমস্যাৰ কাৰণে মূলতঃ ২০ বছৰৰ গুৱাহাটী উন্নয়ন মন্ত্ৰী তথা বৰ্তমানৰ অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° শৰ্মাই দায়ী। এই মন্তব্য অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈৰ।

সমাগত গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনক লক্ষ্য কৰি প্ৰস্তুত কৰা দলীয় ঘোষণাপত্ৰ মহানগৰীৰ জুৰোড তিনিআলিস্থিত দলৰ মুখ্য কাৰ্যালয়ত উন্মোচন কৰি সভাপতি গগৈয়ে কয় যে ২০০৯ত শৰাইঘাটৰ কাষত শদিলাপুৰত আৰম্ভ কৰা প্ৰকল্প, ২০১১ত আৰম্ভ কৰা উত্তৰ গুৱাহাটী আৰু খাৰঘুলিত আৰম্ভ কৰা দ্বিতীয় আৰু তৃতীয়টো খোৱাপানীৰ প্ৰকল্প আৰু ২০১১ত আৰম্ভ কৰা চতুৰ্থটো খোৱাপানীৰ প্ৰকল্পৰ আজিপৰ্যন্ত নিৰ্মাণ সম্পূৰ্ণ নোহোৱাৰ মূল কাৰণ হ'ল মুখ্যমন্ত্ৰী ড° শৰ্মাৰ বিফলতা আৰু অবাধ চান্দা সংস্কৃতি।

গগৈয়ে উল্লেখ কৰে যে ২০০৯ত আৰম্ভ কৰা প্ৰকল্পটোৰ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ বাবে সময় নিৰ্ধাৰণ কৰা হৈছিল ২০১৩ত। পিছে ৫৩৫.৫৩ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা প্ৰকল্পটো আজিও নিৰ্মাণ সম্পূৰ্ণ নহ'ল। প্ৰকল্প নিৰ্মাণৰ দায়িত্ব লাভ কৰিছিল লুইছ বাৰ্জাৰ নামৰ কোম্পানীয়ে। ২০১১ত আৰম্ভ কৰা খাৰঘুলি আৰু উত্তৰ গুৱাহাটীৰ দুয়োটা প্ৰকল্প সম্পূৰ্ণ কৰাৰ সময়সীমা আছিল ২০১৫। ইয়াৰ কাৰণে অসম চৰকাৰে ঋণ লৈছিল মুঠ ১৪২৭ কোটি টকা। তাৰ উপৰি ২০১১ত নিৰ্মাণ আৰম্ভ কৰা চতুৰ্থটো খোৱাপানী প্ৰকল্পৰ ব্যয়ৰ পৰিমাণ আছিল চাৰিশ কোটি টকা। প্ৰকল্প নিৰ্মাণ সম্পূৰ্ণ কৰাৰ বাবে ২০১৫তো নিৰ্ধাৰণ কৰা হৈছিল যদিও এয়াও আজি পৰ্যন্ত হৈ নুঠিল। অজাপৰ সভাপতি গগৈয়ে কয়, 'মুখ্যমন্ত্ৰী ড° শৰ্মাই এক প্ৰকাৰ যোৱা ২০ বছৰ ধৰি গুৱাহাটী মহানগৰবাসীক কেৱল প্ৰতাৰণা কৰি আহিছে। মহানগৰবাসীয়ে উপলব্ধি কৰা উচিত যে ড° শৰ্মাৰ অকৰ্মণ্যতা আৰু অবাধ চান্দা সংস্কৃতিৰ বাবেই দুই হেজাৰ কোটিৰো অধিক ধন ব্যয় কৰাৰ পাছতো কোনো এটা প্ৰকল্প সম্পূৰ্ণ হৈ নুঠিল আৰু ৰাইজেও খোৱাপানী লাভ কৰিবলৈ সক্ষম নহ'ল।' যোৱা ২০ বছৰে দুই হেজাৰ কোটি টকাতকৈ অধিক ধন ব্যয় কৰাৰ পাছতো মহানগৰবাসীক বিশুদ্ধ খোৱাপানী যোগান দিব নোৱাৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই লজ্জাবোধ নকৰাটো অত্যন্ত দুৰ্ভাগ্যজনক বুলিও গগৈয়ে আজি কটাক্ষ কৰে।

২০০৯ত 'গুৱাহাটী মেট্ৰ'পলিটান ড্ৰিংকিং ৱাটাৰ এণ্ড ছেৱাৰেজ ব'ৰ্ড' গঠন কৰি খোৱাপানীৰ যোগান ব্যৱস্থাৰ ক্ষেত্ৰত থকা গুৱাহাটী পৌৰ নিগমৰ অধিকাৰক কাঢ়ি আনি এক প্ৰকাৰ অকামিলা কৰিলে বুলি অভিযোগ উত্থাপন কৰি অজাপৰ সভাপতিজনে কয় যে এনে ব্যৱস্থাৰ জৰিয়তে তদানীন্তন গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী ড° শৰ্মাই নিগম আৰু ব'ৰ্ড দুয়োখনকে বিকলাংগ কৰিলে। তেওঁ কয়, 'ৰাইজে আশা কৰিছিল যে ব'ৰ্ডখন গঠন কৰাৰ পাছত মহানগৰবাসীৰ দীৰ্ঘদিনীয়া খোৱাপানীৰ সমস্যা সমাধান হ'ব। জনতাই ভাবিছিল যে আৰ্ছেনিক মুক্ত ফ্লৰাইড মুক্ত পানী দুৱাৰডলিত ঘৰে ঘৰে পাব। কিন্তু এয়া যে এক প্ৰতাৰণা আৰু প্ৰহসন আছিল, মহানগৰবাসীয়ে বহুত দেৰিকৈ উপলব্ধি কৰিলে।' ২০০৯ত গঠন কৰা ব'ৰ্ডখন ড° শৰ্মাই সৃষ্টি কৰা এক প্ৰতাৰণাৰ দলিল বুলিও আজি গগৈয়ে সমালোচনা কৰে।

সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক দৃষ্টিকোণেৰে গুৱাহাটী মহানগৰখন অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে প্ৰাণকেন্দ্ৰ আৰু এই হেতুকে গুৱাহাটী পৌৰ নিগমৰ যথেষ্ট গুৰুত্ব আছে বুলি উল্লেখ কৰি গগৈয়ে লগতে কয় যে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলবাসীৰ বাবে গুৱাহাটী মহানগৰখনক যেনেকৈ গঢ়ি তুলিব লাগিছিল, তেনেকৈ সজাই-পৰাই তোলাৰ ক্ষেত্ৰত প্ৰতিখন চৰকাৰেই বিফল হৈছে। তেওঁ কয় যে প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ আৰু মহাবাহুৰ কাষত অৱস্থিত ৰাজধানীখনক যেনে ধৰণে গঢ় দিব লাগিছিল তাত কোনো এখন চৰকাৰৰ মন্ত্ৰী-বিধায়কে গুৰুত্ব প্ৰদান নকৰিলে। তেওঁ কয়, 'পৰিকল্পনাহীন আঁচনি, সদিচ্ছাৰ অভাৱ, প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত মন্ত্ৰী-বিধায়ক আৰু আমোলা-বিষয়াসকলৰ অধিক চান্দা প্ৰীতি আদিয়েও মহানগৰখনক দিনকদিনে বিপৰ্যস্ত কৰিলে।'

ৰাজ্যখনৰ গ্ৰাম্য অঞ্চলত বাস কৰা লোকৰ দৰে মহানগৰবাসী আজিও ৭০ৰ দশকৰ দৰে কৃত্ৰিম বানত ডুবি থকাৰ লগতে আৰ্ছেনিকযুক্ত খোৱাপানী খাই স্বাস্থ্যজনিত সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে বুলিও অজাপৰ সভাপতিজনে কয়।

# তামুলপুৰ-ঘগ্ৰাপাৰ সংযোগী পথৰ দুৰৱস্থা
## পথত সৃষ্টি পুখুৰী সদৃশ গাঁত ঃ অতিষ্ঠ অঞ্চলটোৰ ৰাইজ

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ৬ এপ্ৰিল ঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত তামুলপুৰ ঘগ্ৰাচ'কৰ পৰা নলবাৰী জিলাৰ ঘগ্ৰাপাৰ সংযোগী পথছোৱাৰ বিটিআৰৰ অন্তৰ্ভুক্ত প্ৰায় ছয়-সাত কিলোমিটাৰ দৈৰ্ঘ্যৰ পথৰ বিধ্বস্ত অৱস্থাই যাতায়তৰ ক্ষেত্ৰত সম্প্ৰতি জ্বলাকলা খুৱাইছে অঞ্চলটোৰ ৰাইজক। বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ গৃহ সমষ্টিৰ এই পথছোৱা বিটিচি গঠন হোৱাৰ পাছৰে পৰা দীৰ্ঘদিন ধৰি মেৰামতি নোহোৱাত পথছোৱা ভাঙি-ছিঙি পথত সৃষ্টি হৈছে প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ। এজাক বৰষুণ দিলেই পুখুৰী সদৃশ হৈ পৰে এই গাঁতসমূহ। উল্লেখ্য যে নলবাৰী আৰু তামুলপুৰ জিলা সদৰ সংযোগী অতি গুৰুত্বপূৰ্ণ পথছোৱাৰে নিতৌ অসংখ্য যানবাহনৰ চলাচল কৰাৰ উপৰি তামুলপুৰৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়লৈ শ শ ছাত্ৰ-ছাত্ৰী, সৰ্বসাধাৰণ ৰাইজে যাতায়াত কৰা এই পথটোৰে এতিয়া পুখুৰীৰ মাজে মাজে বাট বিচাৰি যাতায়াত কৰিব লগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে।



সম্প্ৰতি তামুলপুৰ জিলা সদৰৰ ঘগ্ৰাচ'কৰ পৰা গোহাঁই কমল আলিলৈ পথছোৱাৰ অৱস্থা অধিক বিধ্বস্ত হোৱাৰ বাবে সঘনাই পথছোৱাত দুৰ্ঘটনা সংঘটিত হোৱাৰ কথা উল্লেখ কৰিছে কালাকুছি, তেতেলিগুৰি, অমায়াপুৰ, বিলপাৰ, চলিকান্দা আদি গাঁওৰ স্থানীয় ৰাইজে। তামুলপুৰৰ ঘগ্ৰাচ'কৰ পৰা গোহাঁই কমল আলিলৈ জৰাজীৰ্ণ এই পথছোৱাৰ মেৰামতিৰ বাবে বিগত বহু বছৰ ধৰি দাবী জনাই আহিছে যদিও পথছোৱা মেৰামতি নকৰাৰ ফলত যাতায়াতৰ ক্ষেত্ৰত যমৰ যাতনা ভোগ কৰিবলগীয়া হৈছে অঞ্চলটোৰ ৰাইজ। স্থানীয় আছু, এবছু, আৰছু, আক্ৰাছু আদি কে'বাটাও ছাত্ৰ সংগঠনে বিগত সময়ছোৱাত পথছোৱাৰ মেৰামতি কৰি যাতায়াত সুচল কৰাৰ দাবীত বিভিন্ন প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে বিভাগীয় কৰ্তৃপক্ষৰ লগতে চৰকাৰ তথা জনপ্ৰতিনিধিক দাবী জনাই অহা সত্বেও আজিলৈকে পথছোৱাৰ মেৰামতি নকৰাত ক্ষুব্ধ হৈছে। তামুলপুৰ-ঘগ্ৰাপাৰ সংযোগী পথৰ বিটিআৰৰ অন্তৰ্ভুক্ত জৰাজীৰ্ণ পথছোৱাৰ পুনৰ নিৰ্মাণ কৰি যাতায়াতৰ বাবে সুচল কৰি তুলিবলৈ অতি শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ বাবে বিটিআৰ প্ৰমুখ্যৰ কাৰ্যবাহী আৰু তামুলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক জলেন দৈমাৰীক দাবী জনাইছে বিভিন্ন ছাত্ৰ সংগঠনৰ নেতা কৰ্মী আৰু স্থানীয় ৰাইজে।






# বিদ্বান শিক্ষকেহে এখন বিশ্ববিদ্যালয় গঢ়িব পাৰে ঃ ৰাজ্যপাল মুখী
## নগাঁও মহাবিদ্যালয়ত দুলাল চন্দ্ৰ গোস্বামী গৱেষণা বঁটা প্ৰদান

**বিশেষ সংবাদদাতা**
**নগাঁও, ৬ এপ্ৰিল ঃ** মধ্য অসমৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ অনুষ্ঠান নগাঁও মহাবিদ্যালয় (অট'নমাছ)ক অসম চৰকাৰে বিশ্ববিদ্যালয়ৰ মৰ্যাদা প্ৰদান কৰাৰ ঘোষণাৰ পাছত প্ৰথমবাৰৰ বাবে অসমৰ ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে আজি শিক্ষানুষ্ঠানখনত অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীৰ স'তে এক মত বিনিময় অনুষ্ঠানত ভাগ লয়। সংস্কৃত বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বৈদিক মন্ত্ৰেৰে আৰম্ভ হোৱা মত বিনিময় অনুষ্ঠানৰ আঁত ধৰে নগাঁও মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান আশ্বাসন কোষৰ সমন্বয়ক ড° ভুৱন চন্দ্ৰ চুতীয়াই। আনহাতে, আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে। অনুষ্ঠানত ভাগ লৈ অধ্যাপক মুখীয়ে কয় যে বিদ্বান শিক্ষকেহে এখন বিশ্ববিদ্যালয় গঢ়িব পাৰে। তেওঁ কয় যে ভাৰতৰ ইতিহাসত গছৰ তলত বহি শিক্ষা গ্ৰহণ কৰাৰ পৰম্পৰা বিদ্যমান। ইপিনে, ৰাজ্যপাল মুখীয়ে মত বিনিময় অনুষ্ঠানত নতুন শিক্ষা নীতি, ২০২০ৰ লগত সংগতি ৰাখি স্বায়ত্তশাসিত মহাবিদ্যালয়ৰূপে অনতিপলমে পাঠ্যসূচী প্ৰস্তুত কৰিবৰ বাবে অধ্যক্ষ, অধ্যাপক-অধ্যাপিকাক আহ্বান জনায়। অধ্যাপক মুখীয়ে বিশ্ববিদ্যালয় এখনে গৱেষণাত অধিক অগ্ৰাধিকাৰ দিয়া উচিত আৰু গৱেষণা আৰু শিক্ষকতা পৰস্পৰ নিৰ্ভৰশীল বুলি উল্লেখ কৰে। ছাত্ৰ- ছাত্ৰীৰ স'তে মত বিনিময় অনুষ্ঠানত ভাগ লৈ তেওঁ নীতি-আদৰ্শেৰে শিক্ষানুষ্ঠানখনৰ মান-মৰ্যাদাৰ লগতে ভৱিষ্যতে সুনাগৰিক হোৱাৰ আহ্বান জনায়। এই অন্তৰংগ অনুষ্ঠানতে অধ্যাপক মুখীয়ে ছাত্ৰ-ছাত্ৰীক দলীয় ৰাজনীতিৰ পৰা বিৰত থাকি শিক্ষানুষ্ঠান এখনৰ সৰ্বাংগীণ উন্নতিৰ হকে কাম কৰাৰ বাবে আহ্বান জনায়। আজিৰ এই অনুষ্ঠানৰ লগত সংগতি ৰাখি নগাঁও মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান আশ্বাসন কোষৰ উদ্যোগত দুলাল চন্দ্ৰ গোস্বামী স্মাৰক ন্যাসে গৱেষক আৰু ৰসায়ন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° পৰীক্ষিত গগৈক গুণগত গৱেষণা আৰু গৱেষণা পত্ৰ প্ৰকাশৰ বাবে ২০২১ৰ দুলাল চন্দ্ৰ গোস্বামী স্মাৰক গৱেষণা বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে নগদ ৩০,০০০ টকা আৰু এখন মানপত্ৰ । অসমৰ ৰাজ্যপাল মুখীয়ে এই বঁটা প্ৰদান কৰে। এই অনুষ্ঠানতে নগাঁও মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ সহকাৰী অধ্যাপিকা কৰবী দেৱীয়ে প্ৰকাশ কৰি উলিওৱা 'হিন্দী কী নই কাহানিয়ো মে নাৰী কা মনোবিশ্লেষণ' শীৰ্ষক গ্ৰন্থখন অধ্যাপক মুখীয়ে উন্মোচন কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বৰকটকীয়ে আদৰণি ভাষণত শিক্ষানুষ্ঠানখনৰ ইতিহাস, বৰ্তমান আৰু বিশ্ববিদ্যালয় যাত্ৰাৰ এক অৱলোকন দাঙি ধৰে। অনুষ্ঠানত ৰাজ্যপালৰ সচিব স্বপ্নালী দত্ত, নগাঁও জিলাৰ উপায়ুক্ত নিসৰ্গ হিভৰে, ভাৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক ধ্ৰুৱ বৰা, দুলাল গোস্বামী স্মাৰক ন্যাসৰ দাতা বিশিষ্ট শল্য চিকিৎসক ডাঃ মুকুট গোস্বামী, মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, অনা শিক্ষক-কৰ্মচাৰী, নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া, এনচিচি, এনএছএছৰ সদস্য উপস্থিত থাকে। ৰাজ্যপালগৰাকীক আজি নগাঁও মহাবিদ্যালয় কৰ্তৃপক্ষ, জিলা প্ৰশাসন, নগাঁও মহাবিদ্যালয় শিক্ষক পৰিষদ, নগাঁও মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰ সন্মিলনী, নগাঁও মহাবিদ্যালয় অনা শিক্ষক-কৰ্মচাৰী সংস্থা, নগাঁও মহাবিদ্যালয় মহিলা কোষ আৰু ছাত্ৰ একতা সভাৰ তৰফৰ পৰা সম্বৰ্ধনা প্ৰদান কৰে।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com